১১৮৬-৮২ ষষ্ঠ সংখ্যা



সম্পাদিকাঃ

# জৱাহৰ জ্যোতি

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

ঃ সম্পাদিকা ঃ
সবিতা বড়ো

* খন্ঠ সংখ্যা *

১৯৮১-৮২



* বেট্পাত আঁকিছে *

কমলেশ্বর ঠাকুরীয়াই

* ছপাওঁতা *

★ পূর্বাচল প্রেছ, বিজয়নগর ★

* সম্পাদনা সমিতিত আছে *

অধ্যক্ষ যতীন্দ্র চন্দ্র নাথ : সভাপতি ।
অধ্যাপক বসন্ত দত্ত : উপসভাপতি ।
অধ্যাপক দিলীপ দাস : তত্ত্বাবধায়ক ।
অধ্যাপক দ্বিজেন দাস : সদস্য ।
অধ্যাপক খগেশ সেন ডেকা : সদস্য ।
সবিতা বড়ো : সম্পাদিকা ।

যি সকলক আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ

আৰু

যি সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ

প্ৰয়াত সেই সকল ঃ

কৃষ্ণকান্ত সন্দিকৈ

আচাৰ্য বিনোৱা ভাৱে

আচাৰ্য কৃপালনি

ব্ৰেজনেভ

শ্বেখ মহম্মদ আব্দুল্লা

বিশ্বেশ্বৰ প্ৰসাদ কৈৰালা

কাকা চাহেব কালেলকাৰ

এইচ, ভি, কামাথ

দেৱৰাজ আৰচ্

ভূপেশ গুপ্ত

জ্যোতিৰ্ময় বসু

মোহনলাল সুখাদিয়া

পিলো মোডী

মহেন্দ্ৰ মোহন চৌধুৰী

আটাউৰ ৰহমান

ৰমেশ চন্দ্ৰ চহৰীয়া

মীৰা বেন

নাগিছ দত্ত

বিষ্ণু দে

তাৰিণী চৰণ দাস ( শিক্ষক, বকো হাইস্কুল )

নবীন কুমাৰ ( আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ )

আৰু

অসমৰ সাম্প্ৰতিক আন্দোলনৰ খ্যাত অখ্যাত শ্বহীদ সকল ।

# সূচীপত্ৰ

## কবিতা


| | | |
|---|---|---|
| মোৰ কবিতা | : ১ : | উত্তম বৰ্মন। |
| আহা আমি দুৱাৰ খোলোঁ | : ২ : | মহেন্দ্ৰ কুমাৰ দাস। |
| একাজলি আশীৰ্বাদ | : ৩ : | বিষ্ণু প্ৰসাদ বড়ো। |
| মৃত্যু : জন্মৰ দৰে কঠিন সত্য | : ৪ : | পৰমেশ দত্ত। |
| নতুন প্ৰভাত | : ৫ : | কমলেশ্বৰ চৌধুৰী। |
| অনুৰোধ | : ৬ : | করুণা কান্ত ডেকা। |
| মোৰ মানুহজাক | : ৭ : | বিশ্বজিৎ দাস। |
| দুখন স্কেচ | : ৮ : | প্ৰবীন কুমাৰ ৰাভা। |
| মোৰ চোলাটো | : ৮ : | দিলীপ দাস। |
| ফেঁহুজালি | : ৯ : | বসন্ত দত্ত। |
| মোৰ দেশ : মোৰ মানুহৰ বাবে | : ১০ : | খগেশ সেন ডেকা। |
| গতি | : ১১ : | কামিনী মোহন শৰ্মা। |
| বিশ জুনৰ শ্ৰদ্ধাঞ্জলি | : ১৩ : | দীনেশ শৰ্মা। |
| ভৱিষ্যতৰ মানুহৰ বাবে | : ১৫ : | কবিতা বসাক। |
| সন্মিলিত ফল কোম্পানী | : ১৮ : | সন্দীপ সেনগুপ্ত। |


## গল্প

অনুঃ গিৰীশ কলিতা


| | | |
|---|---|---|
| চক্ৰবেহু | : ২০ : | কুমুদ চন্দ্ৰ শৰ্মা। |
| অন্যথা | : ২৫ : | অৱনী কান্ত অধিকাৰী। |
| সমীপেষু | : ২৯ : | সবিতা বড়ো। |

## প্ৰবন্ধ


| | | |
|---|---|---|
| ঊনবিংশ শতিকাৰ অসমৰ শিক্ষা জগতখন | : ৩২ : | ডঃ বাণীকান্ত শৰ্মা । |
| বেজবৰুৱাৰ সাহিত্যাত হাস্যৰস | : ৪২ : | যাদব কুমাৰ কাকতি । |
| মনীষী শ্ৰীকৃষ্ণকান্ত সন্দিকৈ দেৱৰ মৃত্যুত | : ৪৮ : | লক্ষ্মী শৰ্মা । |
| 'প্ৰাগৈতিহাসিক নৃতত্ত্ব'—ইয়াৰ উৎপত্তি আৰু কাৰ্যক্ষেত্ৰ | : ৫১ : | ভবেশ চন্দ্ৰ গোস্বামী । |
| ভাৰতৰ নিবনুৱা সমস্যাৰ ওপৰত শিক্ষা ব্যৱস্থাৰ প্ৰতিক্ৰিয়া | : ৫৩ : | অৰুণ চন্দ্ৰ পাটোৱাৰী । |
| ভাৰতীয় বেনোছা প্ৰসংগত | : ৫৬ : | দ্বিজেন দাস । |
| ছমৰীয়াৰ অন্ধকাৰৰ কাহিনী : শ্বহীদৰ উদ্দীপ্ত অধ্যায় | : ৬২ : | অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ । |
| খেল জগতৰ বতৰা | : ৬৬ : | |


## বিভাগীয় সম্পাদকসমূহৰ প্ৰতিবেদন


| | |
|---|---|
| ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | : ৬৮ : |
| খেল বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন | : ৭২ : |
| সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | : ৭৪ : |
| তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | : ৭৫ : |
| ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন | : ৭৬ : |
| ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | : ৭৭ : |


## ENGLISH SECTION.


| | | |
|---|---|---|
| Jawaharlal Nehru College on the March | : 1 : | Principal J. C. Nath. |
| Teacher Education and Assam | : 6 : | Dr. Parveen Akhtar. |
| Finger and Palmar Dermatoglyphic Traits of the Brahmins and the Ganaks | : 10 : | Miss Joyshri Bhuyan. |
| Result of the Annual College Week Competitions – 1981-82 | : 14 : | |

# সম্পাদকীয়

**সাম্প্ৰতিক অসমীয়া আলোচনী ঃ—** সাম্প্ৰতিক অসমীয়া আলোচনীৰ সন্দৰ্ভত এই শিতানত কেইষাৰমান কোৱাতো সম্ভৱ অবান্তৰ নহ'ব। দৰাচলতে সাম্প্ৰতিক অসমীয়া আলোচনীসমূহৰ বেচি ভাগে যি গতিবিধি লৈ আগবাঢ়িছে তালৈ চাই সেই সম্বন্ধীয় আলোচনাৰ প্ৰয়োজন আৰু সময় আহি পৰিছে। কোৱা বাহুল্য, আলোচনীসমূহ জাতি এটাৰ সমসাময়িক প্ৰাণ-সত্তাৰ দাপোন সদৃশ। সেই হিচাবে জাতি এটাৰ হাঁহি-কান্দোন, সুখ-দুখ, আশা-আকাঙ্ক্ষা সমসাময়িক আলোচনীৰ পাতে পাতে প্ৰতিফলিত হোৱাতো কেৱল স্বাভাবিকে নহয়, অপৰিহাৰ্যও। কিন্তু সেই খিনি কৰিবলৈ যাওঁতে সাম্প্ৰতিক আলোচনী কিছুমানৰ সম্পাদক তথা পৰিচালক মণ্ডলী যি ধৰণে সত্যৰ পৰা বিচ্যুত হোৱাতো পৰিলক্ষিত হৈছে, সি সঁচাকৈয়ে পৰিতাপ আৰু লজ্জাৰ কথা। আলোচনী এখন যধে-মধে ছপা কৰি বজাৰত উলিয়াই দিয়াতো বৰ টান কাম নহয়। কিন্তু সত্য-বৰ্জিত অথবা সত্য-বিকৃত আৰু বিকৃত ৰুচি-সম্পন্ন আলোচনী এখন বজাৰত উলিয়াই দিয়াতো কেনে অপৰাধৰ কাম সেইটোহে গভীৰ চিন্তাৰ বিষয়। জন-মানসত সেইবোৰ আলোচনীৰ প্ৰভাৱে কেনে সুদূৰ প্ৰসাৰী আৰু বিপদজনক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে সেই বিষয়ে কোৱা নিষ্প্ৰয়োজন। তেনেকুৱা আলোচনীৰ কৰ্মকৰ্তাসকলে এইটো মনত ৰখা উচিত যে নিৰীহ জন-সাধাৰণক বিপথে পৰিচালিত কৰিব পৰা যিকোনো আলোচনা-বিলোচনাৰ পৰা বিৰত থকাতো তেওঁলোকৰ প্ৰথম আৰু পবিত্ৰ কৰ্তব্য। অথচ আজি-কালি ঠায়ে ঠায়ে পক্ষপাতদুষ্ট, প্ৰচাৰাকাঙ্ক্ষী, বিকৃত ৰুচি-সম্পন্ন আৰু অধ্যয়ন-পৰ্যবেক্ষণ তথা দূৰদৰ্শিতাহীন এচাম ব্যক্তিয়ে লগ-লাগি বেচি ভাগ ক্ষেত্ৰতে ৰাইজৰ ধনেৰে আলোচনী ছপা কৰি উলিওৱাতো এটি ব্যৱসায় আৰু চখ হৈ পৰিছে। তেওঁলোকৰ মাজৰ কোনো কোনোৰ উচ্ছ্বাসৰ প্ৰাবল্য দেখিলে এনে লাগে যেন ভাষা-সাহিত্য আৰু জাতিটোক ৰক্ষা কৰাৰ গধুৰ দায়িত্ব অকল তেওঁলোকৰ কান্ধতহে পৰিছে! অথচ বহু সময়ত সিবোৰ আলোচনীয়ে সাহিত্যৰ নামত অসাহিত্যৰে অপপ্ৰচাৰ বেচি কৰে আৰু সিবিলাকৰ পাত গুৰনী কৰি ৰখা মাত্ৰাধিক বিজ্ঞাপন সমূহে সাহিত্য-সংস্কৃতিৰ সংবাদ দিয়াৰ সলনি বজাৰৰ শাক-শব্জী,

গেলামালৰ দোকানৰ বস্ত্ৰ, সূতা, কাপোৰ, কল-কব্জা আদিৰ সংবাদে বেচিকৈ পৰিবেশন কৰে। এইখিনি কোৱাৰ অৰ্থ এইটো নহয় যে নতুন আলোচনীৰ জন্মক আমি আদৰি লব পৰা নাই। নতুন আলোচনীৰ জন্মক সৰ্বান্তকৰণেৰে স্বাগত জনাইছো এটা কথা মুক্ত কণ্ঠে কোৱা দৰ্কাৰ যে কাঠফুলাৰ নিচিনাকৈ জধে-মধে জাহি-জাবৰক আশ্ৰয় কৰি মূৰ দাঙি উঠা আলোচনীৰ দ্বাৰা ভাষা-সাহিত্যৰ অবমাননা হোৱাতো আৰু নিবীহ পঢ়ুৱৈ সমাজ বিপথে পৰিচালিত হোৱাতো কোনো বিবেকসম্পন্ন সচেতন পাঠকে সহ্য কৰিব নোৱাৰে। অৱশ্যে এইটোও অস্বীকাৰ কৰিব নোৱাৰি যে, এনেবোৰ আলোচনীৰ কেতবোৰে সমসাময়িক পৰিস্থিতিৰ আবেগ উত্তেজনাৰ সুযোগ লৈ তৰংগমতীয়া এচাম পঢ়ুৱৈৰ মাজত সাময়িকভাবে সস্তীয়া জনপ্ৰিয়তা লাভ কৰে। কিন্তু ভবিষ্যতৰ গৰ্ভত সিবোৰ যে কেৱল আবৰ্জনাৰ দ'ম স্বৰূপে পৰিগণিত হ'ব তাত ধনিষ্ঠমানো সন্দেহ নাই আৰু ভাবীকালৰ বংশধৰসকলৰ চকুত আমিও যে অক্ষমণীয় কলঙ্কেৰে কলঙ্কিত পূৰ্বপুৰুষ হিচাবে দণ্ডায়মান হ'ম তাতো সন্দেহৰ অৱকাশ নাই। এই দীঘলীয়া ভূমিকা তথা আলোচনাৰ জৰিয়তে এইটোকে ক'ব খোজা হৈছে যে আলোচনী এখন প্ৰকাশ কৰাতো এহাতে যেনে কষ্টসাধ্য কাম, আনহাতে তেনে দায়িত্বপূৰ্ণও। তাৰ লক্ষ্য হব লাগে সৎ আৰু জনস্বাৰ্থমুখী আৰু তাৰ প্ৰকাশৰ ভাৰ ধৰিব লাগে যোগ্যজনেহে।

সমকালীন অসমীয়া আলোচনীৰ বজাৰখন লক্ষ্য কৰিলে যিটো নিষ্ঠুৰ সত্যই আমাৰ মৰ্মত আঘাত কৰি যায় সেয়া হৈছে সুস্থ, সত্য-ভিত্তিক, সুৰুচিসম্পন্ন আলোচনীৰ অভাৱ অথবা তেনে আলোচনীৰ অনিয়মীয়া বা ক্ষণস্থায়ী আবিৰ্ভাৱ আৰু বেছিভাগ ক্ষেত্ৰতে সেইবোৰৰ যুগপৎ অপমৃত্যু। উদাহৰণ স্বৰূপে, আজি বছৰ চেৰেক আগতে ভবেন বৰুৱা সম্পাদিত 'সংলাপ' এখন উচ্চমান বিশিষ্ট, সুৰুচিসম্পন্ন সাহিত্য-সংস্কৃতিৰ আলোচনী হিচাবে আত্ম প্ৰকাশ কৰিছিল যদিও মাথোঁ কেইটামান সংখ্যা প্ৰকাশ পোৱাৰ পিচতে সি বিলুপ্তিৰ গৰ্ভত পৰিল। সেইদৰে 'পাদপাদপ' নামৰ আন এখন উচ্চস্তৰৰ কবিতা-আলোচনীৰ প্ৰকাশো আজি বহুদিন বন্ধ হৈ আছে। 'পাণ্ডুলিপি' 'সাম্প্ৰতিক সাময়িকী' আদিৰ নিচিনা সুস্থ আলোচনীৰ প্ৰকাশো অনিয়মীয়া। আনকি একেৰাহে বহুকেইটা বছৰ অসমীয়া ভাষা-সংস্কৃতিৰ সেৱা কৰি অহা ডঃ ভূপেন হাজৰিকা সম্পাদিত 'আমাৰ প্ৰতিনিধি'ৰ মৃত্যুও আমাৰ বাবে অতি দুৰ্ভাগ্যজনক। অৱশ্যে চৰকাৰৰ আৰ্থিক সাহায্যত 'প্ৰকাশ'ৰ প্ৰকাশ নিয়মীয়া হৈ আছে। উক্ত আলোচনীবোৰৰ অনিয়মীয়া প্ৰকাশ অথবা অপমৃত্যুৰ পৰা এই সিদ্ধান্তলৈ আহিলে সম্ভৱ ভুল কৰা নহব যে এইবোৰ আলোচনী পঢ়িবলৈ অসমত পঢ়ুৱৈৰ অভাৱ। এইবোৰ আলোচনীৰ বেচ তুলনামূলকভাৱে কিছু বেছি হ'লেও এই ক্ষেত্ৰত প্ৰকাশকসকলক জগৰীয়া কৰাৰ অৱকাশ কম এই কাৰণেই যে এইবোৰ আলোচনীৰ বিক্ৰী অতি সীমিত আৰু লাভৰ কথাতো বাদেই. প্ৰকাশক সকলে সচৰাচৰ লোকচানকেই মূৰ পাতি লবলগীয়া হয় যাৰ অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে সেইবোৰ আলোচনী হয় অনিয়মীয়াকৈ প্ৰকাশ পায় (তাকো সম্পাদক প্ৰকাশক আদিৰ ঐকান্তিক প্ৰচেষ্টাত) অথবা সিবোৰে নিগমে অকাল মৃত্যুক

আঁকোৱালি লবলগীয়া হয়। অথচ এইখন অসমৰে কিতাপ-আলোচনীৰ দোকানসমূহ সন্তীয়া আৰু বিকৃত ৰুচিসম্পন্ন দেশী-বিদেশী আলোচনীয়ে গৰম কৰি ৰাখিছে আৰু বাটে-ঘাটে, গাড়ী-মটৰে ঘৰৰ ড্ৰইং ৰুমে ৰুমে বহু ভব্য গব্য চেহেৰাৰ ব্যক্তিৰ হাত সিবোৰে শুৱনি কৰিছে। পাঠকৰ ৰুচি-বৈচিত্ৰৰ প্ৰয়োজনীয়তা নুই কৰাৰ দুঃসাহস আমাৰ নাই। কিন্তু সুস্থ আৰু 'চিৰিয়াছ' আলোচনী কিছুমানৰ অপমৃত্যু ঘটা অৱস্থা এটাৰ বাবে যাইকে যে অসমীয়া পাঠক সমাজ দায়ী তাক অস্বীকাৰ কৰিলে সত্যৰ অপলাপ হব। এতিয়া প্ৰশ্ন হয়—এনে এটা অৱস্থাৰ উন্নতি তথা পৰি-সমাপ্তি কি উপায়ে আশা কৰা যায়। বিস্তাৰিত আলোচনালৈ নগৈ এই সন্দৰ্ভত এইখিনিকে ক'ব পাৰি যে পাঠক, প্ৰকাশক, লিখক আৰু পৰিবেশকৰ যৌথ প্ৰচেষ্টা অবিহনে কোনো বৌদ্ধিক পৰিবেশ আশা কৰিব নোৱাৰি। পাঠক সকলে সচেতনহৈ নিজৰ ৰুচি পৰিবৰ্তন কৰাৰ প্ৰয়োজন আহি পৰিছে। একান্ত বাধ্য পুত্ৰই পিতৃৰ অযুক্তিকৰ, ভ্ৰান্ত আদেশ মনাৰ নিচিনা সৰ্বনাশী আদৰ্শ পৰিহাৰ কৰি যুক্তি আৰু সত্যৰ মাপ কাঠিৰে আলোচনী, বাতৰি কাকত নিৰ্বাচন কৰি পঢ়াৰ প্ৰয়োজন পাঠক সকলে উপলব্ধি কৰা উচিত – নহলে গাঠিৰ ধন ভাঙি জীৱনৰ বহুমূলীয়া সময়-সম্পদ নষ্ট কৰি আৱৰ্জনা-সদৃশ মিছা আৰু বিকৃত লিখনি পঢ়াৰ নিচিনা মূৰ্খামিৰ তুলনা সম্ভৱ বিৰল। সুস্থ আৰু 'চিৰিয়াছ' আলোচনীৰ সম্পাদক, প্ৰকাশক সকলেও বৃহৎ সংখ্যক অসমীয়া পাঠকৰ সাম্প্ৰতিক ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি আৰু ক্ৰমাগত ভাবে তেওঁলোকৰ ৰুচিৰ পৰিবৰ্তন সাধন কৰাৰ লক্ষ্য এটা সমুখত ৰাখি আলোচনীবোৰৰ মূল জঁকা আৰু সত্তাটো ঠিক ৰাখিয়ে বিভিন্ন প্ৰকাৰে সেইবোৰক অধিক আকৰ্ষণীয় কৰা উচিত আৰু নিজৰ বাবে ন্যূনতম লভ্যাংশ ৰাখি সেইবোৰৰ বিক্ৰীমূল্য স্থিৰ কৰা উচিত—অন্ততঃ অসমীয়া ভাষা-সংস্কৃতিৰ বৃহৎ স্বাৰ্থলৈ লক্ষ্য ৰাখি। লিখকৰ সন্দৰ্ভত ক'বলগীয়া এইখিনিয়ে যে সুস্থ আৰু 'চিৰিয়াছ' আলোচনীৰ লিখকৰ সংখ্যা অসমত এতিয়াও আঙুলিমূৰত লেখিব পৰা। অসমীয়া আলোচনীৰ বুজন সংখ্যক লিখকৰে লিখনিত সাধাৰণতে দেখা যায় মধ্যবিত্তৰ মোহ-গ্ৰস্ততা, সাধনা তথা অধ্যয়নৰ অভাৱ, পক্ষপাতদুষ্টতা, জাহিৰকামী আৰু ব্যৱসায়িক মনোবৃত্তি। অসমীয়া ভাষা-সাহিত্যৰ বৃহত্তৰ স্বাৰ্থলৈ লক্ষ্য ৰাখি তেওঁলোকে এইবোৰ ত্ৰুটি-বিচ্যুতিৰ পৰা নিজকে মুক্ত কৰাটো একান্ত দৰকাৰ। কিতাপ বিক্ৰেতা সকলৰ আন্তৰিক প্ৰচেষ্টাই সুৰুচিসম্পন্ন আৰু উচ্চমানৰ আলোচনীৰ প্ৰচাৰত কেনে প্ৰভূত বৰঙণি যোগাব পাৰে সেইটো নক'লেও চলে। সাধাৰণতে সৰু চহৰ, গাওঁ-ভূই আদিৰ কিতাপ বিক্ৰেতাসকলে বিক্ৰীৰ সম্ভাৱনা কম দেখি এনেবোৰ আলোচনী দোকানত ৰাখিব নুখুজে। ফলত সেইবোৰ অঞ্চলৰ পঢ়ুৱৈ সমাজে এনেবোৰ আলোচনীৰ ভূ-কে নাপায়, অথবা ভূ-পালেও তেনে আলোচনী গোটাই লৈ পঢ়াত অসুবিধাৰ সমুখীন হয়। পৰিবেশকসকলে সেয়ে এনেবোৰ কথাৰ প্ৰতি সতৰ্ক নজৰ ৰখা উচিত।

**সম্পাদিকাৰ দুষাৰ:** মহাবিদ্যালয়ৰ আলোচনী 'জৱাহৰ-জ্যোতি'ৰ সম্পাদিকা হিচাবে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে তেওঁলোকক সেৱা কৰাৰ যি বিৰল সুবিধা মোক দিলে

তাৰ বাবে সৰ্বপ্ৰথমে তেওঁলোকলৈ মোৰ অকৃপণ কৃতজ্ঞতা যাচিলোঁ। এইবোৰ আলোচনীৰ সম্পাদক সকলে সচৰাচৰ যিবোৰ আলৈ-আহুকালৰ সমুখীন হয় সেইবোৰৰ পৰা আমিও হাত সাৰিব পৰা নাই। তেনে আলৈ-আহুকালৰ ভিতৰত কেবাবাৰ জাননী দিও নিৰ্দ্ধাৰিত সময়ত প্ৰবন্ধপাতি হাতত নপৰাটোৱে প্ৰধান। আলোচনীৰ প্ৰকাশ পিচুৱাই যোৱাৰ মূল কাৰণো সেইটোৱে। আলোচনীখন সময়মতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী আৰু সুধী ৰাইজৰ হাতত তুলি দিব নোৱাৰি আমি সঁচাকৈয়ে অতিশয় দুখিত আৰু সেইক্ষেত্ৰত আমাৰ ফালৰ পৰা হোৱা জ্ঞাত-অজ্ঞাত সকলো ত্ৰুটী-বিচ্যুতিৰ বাবে তেওঁলোকৰ ওচৰত কৰযোৰে ক্ষমা চাইছোঁ। আলোচনীখনৰ প্ৰকাশত বিভিন্ন প্ৰকাৰে দিহা পৰামৰ্শ দিয়া বাবে জয় জয়তে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ অকৃত্ৰিম শলাগৰ শৰাই আগবঢ়াইছোঁ। প্ৰবন্ধ-পাতিবোৰ চাই চিতি সজাই পৰাই দিয়াৰ উপৰিও অন্যান্য প্ৰকাৰে সহায় কৰা বাবে আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দিলীপ দাস আৰু সম্পাদনা সমিতিৰ অন্যান্য সদস্য অধ্যাপক শ্ৰীযুত বসন্ত দত্ত, অধ্যাপক শ্ৰীযুত খগেশ সেন ডেকা আৰু অধ্যাপক শ্ৰীযুত দ্বিজেন দাসলৈ আমাৰ তৰফৰ পৰা কৃতজ্ঞতাৰ শৰাই যাচিছোঁ। তাৰোপৰি মহা-বিদ্যালয়ৰ যিসকল শিক্ষাগুৰু, কৰ্মীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীয়ে প্ৰবন্ধপাতি যোগাই আৰু আন প্ৰকাৰে দিহা পৰমৰ্শ আৰু সহায় আগবঢ়াই আলোচনীৰ প্ৰকাশত সহযোগিতা আগবঢ়ালে সেই সকললৈও আমাৰ সশ্ৰদ্ধা কৃতজ্ঞতা থাকিল। বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডঃ বাণীকান্ত শৰ্মা দেৱে তেখেতৰ মূল্যবান প্ৰবন্ধটো দি আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰা বাবে তেখেতৰ ওচৰত আমি বিশেষভাবে কৃতজ্ঞ। সৰ্বশেষত, বিজয়নগৰৰ পূৰ্বাচল প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীযুতৰাজেন্দ্ৰ কলিতা ডাঙৰীয়াই আলোচনীখনৰ প্ৰকাশৰ দায়িত্ব কান্ধত লৈ আলোচনীখন নিগুঁতাৱে প্ৰকাশ কৰা বাবে তেখেতলৈ আৰু প্ৰেছৰ কৰ্মীবৃন্দলৈ আমাৰ আন্তৰিক ধন্যবাদ থাকিল।

# কবিতা

## মোৰ কবিতা

শ্ৰীউত্তম বৰ্মণ
২য় বাৰ্ষিক, স্নাতক মহলা।

মোৰ কবিতা
অনন্ত বেদনা,
অসংখ্য ক্ষুধাতুৰৰ
হৃদয়ৰ যাতনা
ভেদ কৰি অহা
এক অন্তৰ্ভেদী বাণ ।
মোৰ কবিতা
প্ৰেমহীন জগতৰ
শান্তি মৈত্ৰীৰ
নিজৰা বোওৱা
এক অনন্ত বাসনা ।
মোৰ কবিতা
শোষণকাৰীৰ
নিৰ্লিপ্ত অন্তৰ
চিৰাচিৰ কৰা
এক চোকা তৰোৱাল ।

# আহা, আমি দুৱাৰ খোলো

শ্ৰীমহেন্দ্ৰ কুমাৰ দাস
২য় বাৰ্ষিক, স্নাতক মহলা।

যোৱাৰ পথত দেখিলোঁ পথ পঙ্কিল
ঘৰৰ বাহিৰত কঠিন দুৱাৰ ;
ভিতৰত পোহৰ নাই
ঘোপমৰা আন্ধাৰ
আহা ! আমি দুৱাৰ খোলোঁ ।

লক্ষ্যস্থানৰ মাজত এখন বিশাল নৈ
ৰাজনৈতিক ৰঙা ফিটাৰ সোঁত,
শব্দ তৰঙ্গ মাথোঁ
অনিশ্চয়তাৰ ঘোষণা ;
আহা ! আমি নৈ পাৰ হওঁ ।

দুখে জৰ্জৰ ক্ষুধিত মানৱ,
মাতৃ-ভগ্নীৰ বুকুত বৰ্বৰতাৰ নখৰ আঁচোৰ,
ঠেঁৰেঙা শীতত শিশুৰ নাঙঠ শৰীৰ,
পীড়িত জনগণৰ মুক্তিৰ হুংকাৰ
শোষণ পিঞ্জৰাৰ জিজিৰি চিঙাৰ ;

কাৰণ—
ইতিহাসে সাঁকিয়াই দিয়ে
বিপ্লৱতে লুকাই থাকে
নতুন সৃষ্টিৰ অংকুৰ ।

# এঞ্জলি আশীৰ্বাদ

শ্ৰীবিষ্ণু প্ৰসাদ বড়ো
১ম বাৰ্ষিক, প্ৰাক্‌বিশ্ববিদ্যালয়।

আই,
দিয়া আশীৰ্বাদ,
তোমাৰ চৰণ চুই
কৰিছোঁ প্ৰতিজ্ঞা
তোমাৰ অশ্ৰুজল মচি দিবলৈ'।

তোমাৰ উদাৰ বুকুত চলিছে
ৰক্ত পিপাসুহঁতৰ অবিৰাম অত্যাচাৰ।
চিৰ প্ৰসৱিনী তুমি
জন্ম দিয়া সুসন্তান,
উদাত্ত নতুন পুৰুষৰ।

এইবেলি বিহুতলীতে
খংশিঙা বজালোঁ,
অদূৰত পাতিছোঁ
পতন-যজ্ঞ দানৱহঁতৰ।

দিয়া আশীৰ্বাদ আই
ৰঙা গোলাপৰ দৰে
প্ৰতি শিৰা উপশিৰা আমাৰ
উদ্দীপ্ত হওক নৱ যৌৱনেৰে,
দিয়া আশীৰ্বাদ
দুৰ্নিবাৰ হওক আমাৰ গতি।

# মৃত্যুঃ জন্মৰ দৰে কঠিন সত্য

শ্ৰীপৰমেশ দত্ত
২য় বাৰ্ষিক, প্ৰাক্‌বিশ্ববিদ্যালয়।

মোৰ এটি কল্পনা মনলৈ আহিছিল
এটি নিষ্পাপ শিশুৰ জন্মেৰে।
পকী দেৱালৰ কিম্বা ভগা পঁজাৰ বেৰবোৰ কঁপাই
যেন ওলাই আহিছিল সেই আৰ্ত্ত।
আঃ! সেয়াযে সদ্যজাত শিশুৰ ক্ৰন্দন ধ্বনি।
নিশাটো সকলোৰে বাবে সুন্দৰ নহবও পাৰে!
মাজনিশা সপোনত দেখিছিলোঁ
বহুতৰ বাবে সুন্দৰ
আৰু বহুতৰ বাবে অনাহাৰী নিশাৰ দৰে
মোৰ অতিক্ৰমিত নিশাতো যেন দোদুল্য সংঘাট।
তথাপিও,
সেয়াও সম্ভৱ নহয় জানো?
মইতো ভবা নাছিলোঁ, তথাপিও দেখিছোঁ—
নিশাৰ গভীৰ ভাগৰৰ পিছত
কোনো নৱদম্পতিৰ মুখৰ হাঁহিৰে পৰিমল জ্যোতি,
যেন ৰাখি দিছে কোনো কুৎসিত কদাকাৰ
মহান শিল্পীৰ চকুলোত অলেখ জ্যোতি।
বেদনাবোৰ জানো জীৱন নহয়?
আৰু সাগৰৰ দৰে গভীৰ কবিতাবোৰ
কি প্ৰাণৰেই অনুভূতি?
নে চকুলোৰ সাগৰ, সাধনা?
এনেকৈয়ে দুখৰ দিনবোৰ, নিশাবোৰ
অতিবাহিত হয়। মাজে মাজে
তৃপ্তিৰ বাসনা, সেয়াওতো আনন্দ হ'ব পাৰে?
নে কল্পনা বিলাসী কোনো যুৱকৰ
অৰ্থব্যঞ্জক আত্মউপহাসী বলিয়াৰ হাঁহি?
মাজখিনিত ক'ৰবাত যেন শৃঙ্খল হেৰাই গ'ল।
আবাল বৃদ্ধ যেন একাকাৰ হৈ গ'ল
কেৱল চকুলোৰে।
ব্যতিক্ৰমবোৰ কেৱল সৃষ্টিৰেই দৰ্শন নহয়
লক্ষ্যক লক্ষ্য দিয়া বিশ্বদৰ্শনো হ'ব পাৰে।
সেইবাবেই বাধা অতিক্ৰমি যোৱাৰ
কিযে দুৰ্বাৰ প্ৰয়াস।
কোনো খাদ্যবিহীন মানুহৰ শেষ বিন্দু শোণিতক
জীয়াই ৰখাৰ প্ৰচণ্ড অনুকম্পা।
মৃত্যু যে পাখীলগা কাড়ৰ দৰে
বুকুলৈ নামি আহিছে সেই আকাশৰ অলেখ মেঘৰ মাজেৰে
মহান সংগ্ৰামেই যে জীৱন—
মৃত্যু, জন্মৰ দৰে কঠিন সত্য।

# নতুন প্ৰভাত

শ্ৰীকমলেশ্বৰ চৌধুৰী
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী।

প্ৰিয়তমা মোৰ!
এনেকৈ, এনেকৈয়ে শেষ হৈ যায়
তোমাৰ, মোৰ আৰু বহুতৰে আশাভৰা স্বপ্ন,
উজ্জ্বল ভৱিষ্যত;
এনেকৈয়ে শেষ হৈ যায়
আমাৰ শৰীৰৰ উত্তপ্ত তেজৰ জোৱাৰ,
নিশ্চিহ্ন হয় সিহঁতৰ শক্তি সাগৰত;
জীৱনৰ টিমিকি টিমিকি জ্বলি থকা বন্তিৰ পোহৰ
এনেকৈয়ে ঢাকি ধৰে
এন্ধাৰৰ ক'লা কুৎসিৎ ছাঁই।
আমি জানো প্ৰিয়া,
পোহৰ আহিব এদিন
ৰামধেনুৰ সাতোটা ৰঙৰ দৰে
নিৰন্ধ্ৰ এন্ধাৰৰ আৱৰণ ফালি
যিদিনা বিস্ফোৰিত হ'ব
তোমাৰ, মোৰ আৰু বহুতৰে
দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সঞ্চিত অদম্য শক্তি;
তেতিয়া:
ঘোৰ অন্ধকাৰৰ বুকুত ৰচিত হ'ব
আমাৰ মিলন লগ্ন
এক নতুন প্ৰভাত।

# ঃ অনুৰোধ ঃ

শ্ৰীকৰুণা কান্ত ডেকা
১ম বাৰ্ষিক, স্নাতক মহলা।

নহয় তুমিয়ে জানো
বিপ্লৱী ডেকাবীৰ অসম ভূমিৰ ?
যদি হয় কোৱা বীৰ !
কিয় এই বেশ আজি অসম মাতৃৰ ?
ইতিহাস মেলি দেখোঁ
আই মোৰ কঙাল নহয়,
তেনেহ'লে কিয় আজি
আইৰ এই মলিন বেশ ?
কিহৰ কাৰণে আজি
শ্যামল স্বদেশ মোৰ
খণ্ড বিখণ্ড হৈ
নাম ল'লে বহু প্ৰকাৰৰ ;
প্ৰীতিৰ এনাজৰী আজি
কোনে চিঙি দলিয়ালে,
সিঁচি দিলে বীজ বিভেদৰ ?

জগোৱা চেতনা বীৰ
জগাই যোৱা,
লুইতৰ পাৰে পাৰে
চেতনাৰ গীত-গাই দিগন্ত কঁপাই
জগোৱা নতুন পুৰুষ।
আকৌ শিকোৱা বীৰ
বাৰে বৰণীয়া ফুল বুটলি বুটলি
কি দৰে গাঁঠিব লাগে
মহান জাতিৰ মালা,
নহয় তুমিয়ে জানো শ্ৰীমন্ত শঙ্কৰ
নহয় জ্যোতি কিম্বা বিষ্ণুৰাভা ??

★ ★

# মোৰ মানুহজাক

শ্ৰীবিশ্বজিৎ দাস
১ম বাৰ্ষিক, প্ৰাক্‌বিশ্ববিদ্যালয়।

আই !
ৰঙা ফুলপাহ এইবাৰ মই লৈয়ে আহিছোঁ,
অগণন শ্বহীদৰ মৃতদেহ গচকি যাওঁতে
মই আৰু পিছলৈ উভতি নাচাওঁ।
মোৰ দেশৰ মানুহজাক,
নিপীড়িত বঞ্চিত মানুহজাক
বৰ মৰমৰ আই
সেইবাবেই মই ওলাই আহিলোঁ।
তুমিতো জানাই আই
এই বাটেৰেই তাহানি ওলাই যাওঁতে
বহুতৰে ৰাঙ্গৰ মূৰ মাটিত পৰিল,
অগণন গাভৰু ধৰ্ষিতা হ'ল
শত্ৰুৰ হাতত ;
সেইবাবেই আই
এইবাৰ লগে ভাগে আহিলোঁ নতুন পণ লৈ।
মোৰ লগত অহা এইজাক বঞ্চিত মানুহৰ
হাতৰ জোঁৰবোৰ এইবাৰ কিন্তু নুমাই নাযায়,
শ্বহীদৰ তেজৰ নদীৰে উজাই যাওঁতে
আমি আৰু পিছলৈ উভতি নাচাওঁ। ★ ★

# দুখন স্কেচ

শ্ৰীপ্ৰবীণ কুমাৰ বাড়া
২য় বাৰ্ষিক, স্নাতক মহলা।

**: কামনা :**

এডাল সৰল ৰেখা
এডাল বেঁকা ৰেখা
এডাল জীয়া সাপ
এডাল মৰা সাপ
এখন বিস্তীৰ্ণ মৰুভূমি।

**: বাসনা :**

কোলাত পঁয়ালগা সন্তানৰ
মুখত ক্ষীৰহীন পিয়াহ
এটা খালি বাটি
এটা চেৰেলা কুকুৰ
একুৰা উদ্দীপ্ত জুই। ★ ★

# মোৰ চোলাটো

শ্ৰীদিলীপ দাস
অধ্যাপক, ইংৰাজী বিভাগ।

চোলাটো যিমানে পুৰণি হৈছে
সিমানে বাঢ়িছে মোহ
কেতিয়াবা কেনেবাকৈ ফাটি যায় বুলি
মোৰ যে কি ভয়!
সেয়ে
আলফুলে পিন্ধোঁ
আলফুলে খোলোঁ
তুমিতো দেখিয়ে আছা
চোলাটো মোৱাৰে পৰা। ★ ★

# ফেঁহুজালি

শ্ৰীবসন্ত দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ।

আকাশলৈ চাই দেখোঁ
জোনৰ কান্তিত বিষাদৰ ছাঁ
দেখা পাওঁ তৰাৰ মুখত
দুখ ক্লিষ্ট মুখৰ ছবি
পিতৃ পুৰুষৰ
ৰিব ৰিব্ বতাহত শুনা পাওঁ
আহত আত্মাৰ করুণ নিশ্বাস।

কত দিন পাৰ হৈ গ'ল
আজিও বৈ আছে
সোণালী ৰূপালী মাছেৰে ভৰা
একেই এখনি নদী
জহ জাৰ গছকি কতদিন কত ৰাতি
তুমিয়েতো ধৰিছিলা নিজক নিঃশেষ কৰি
বৌ শাহ বৰালী কাৰোবাৰ বাবে
তথাপিয়ো তলি ফুটা নাওখন
কোনো দিন নহ'ল নতুন
বন্দীযে শ্ৰমৰ দাবী
সাউদৰ হাতনি পেৰাত
দুই হাত তুলি আকাশ ধিয়াই
পালা তুমি বাৰে বাৰে
পূত মন্ত্ৰ ত্যাগৰ সমিধান।

কত দিন পাৰ হৈ গ'ল
এতিয়াও বৈ আছে
সোণগজা সাৰুৱা এখনি পথাৰ
উপজি পুৱাতে উঠি
দুহাতেৰে ধৰিছিলা নাঙলৰ মুঠি
অনাগাৰ অনিদ্ৰাত হেৰুৱাই
প্ৰাণৰ ঐশ্বৰ্য্য.
আজন্ম মাটিৰ মোহ
সিও হায় করুণ বিলাস
তোমাৰ সৃষ্টিৰ সোনালী বৰণ স্নানি
পুণ্যবান প্ৰভুক সজাই
পাতি ল'লা বলিশাল
নিৰুপায় নিৰুপায়।

জানো মই,—নেদেখিলা নুবুজিলা
পৰম্পৰা প্ৰবাদৰ পাক লগা
যাদুৰ বিদ্ৰূপ,—হে মোৰ উপৰি পুৰুষ।
কিন্তু—

সময়ৰ প্ৰভাৱ চকুৰে
নেদেখোঁ দেখোন আজি
তোমাৰ কপালত নিয়তিৰ অমোঘ লিখন
দেখিছোঁ মাথোন ভাঙি পৰা
'যোগ্য ভোগ্য বসুন্ধৰা'
প্ৰতাৰক প্ৰবাদ প্ৰাচীৰ
বহাগৰ ধুমুহাত শুনিছোঁ
অতৃপ্ত আত্মাৰ উদাত্ত গৰ্জন
আৰু সুন্দৰ সৃষ্টিৰ
সমবেত সমৰ সংগীত। ★ ★

# মোৰ দেশ ঃ মোৰ মানুহৰ বাবে

শ্ৰীখগেশ সেন ডেকা
অধ্যাপক, অসমীয়া বিভাগ।

তোমালোকে কাণ থিয় কৰিলেই শুনিবা
পৰ্বতৰ বুকুৰেদি থিয়ৈ তললৈ পৰা
জলপ্ৰপাতৰ ক্ৰুদ্ধ গৰ্জ্জনৰ দৰে
উত্তৰৰ কোবাল বতাহৰ হোঁ-হোঁৱনি,
মোৰ আক্ৰান্ত স্বদেশভূমিৰ নিপীড়িত অধিবাসীগণ
তোমালোকে কাণ পাতিলেই শুনিবা
উত্তৰৰ কোবাল ধুমুহাৰ গোঁ-গোঁৱনি।

আমাৰ তেজৰ সাকৰা গলসে ধোৱে
এই পথাৰৰ জীপাল মাটি,—চিৰ সেউজীয়া,
বিৰ্ বিৰ্ বতাহৰ সতে হালে জালে ত'ত
বত্তৰৰ শইচৰ মোৰ—বাবে বৰণীয়া।

আমাৰ শ্ৰমৰ ঘামেৰে ঘূৰে
কলঘৰৰ বিয়াগোম মেচিনৰ চকা
কয়লাৰ এঙেকৰা ধূলিৰ ধোঁৱাত,
পোৰা তেল আৰু মবিলৰ কদৰ্য্য উৎকট গোন্ধত
পোত যায় আমাৰ দেহ—
অনাহাৰী অৰ্দ্ধাহাৰী দেহ।

ফেঁহুজালি পৰতেই ঢাবি পাতি এবোঁ
সাঁজ লাগি ভওালৈকে লবোঁ
তেওঁতো দেখিছা আমাৰেই উদং দুহাত।

মোৰ আক্ৰান্ত স্বদেশ ভূমিৰ নিষ্পেষিত বাসিন্দাগণ
তোমালোক সজাগ হ'লেই শুনিবা
উত্তৰৰ কোবাল বতাহৰ পণ।

মিৰ্চিচিপি ভলাৰ উত্থিত জোৱাৰে
চোবেছি আমাৰ কূল
মহাপ্ৰভুৰ শিঙৰি ঘৰৰ দৌল;
বণিকৰ বোজাই জাহাজ ঘনে আহে ঘনে যায়
আৰু যায় আৰু আহে
পাৰ হৈ যায় কত দিন কত ৰাতি উৎসৱ মুখৰ,
দৌলৰ সুউচ্চ চূড়াৰ আঁৰত
কুবেৰৰ ঐশ্বৰ্য্যই পোহাৰ মেলে
'নেওচা যায়' মাথোঁ আমাৰ জীৱন—
মাটিৰ জীৱন,
ক্ৰমাৎ তললৈ আৰু তললৈ ... .. ।

মোৰ আক্ৰান্ত স্বদেশভূমিৰ নিৰ্য্যাতিত অধিবাসীগণ
তোমালোক নিঃশংক নিৰ্ভীক হোৱা
আমিয়েই ভাঙিব লাগিব ক্ৰান্তিৰ পৰিধি
প্ৰতিবাদমুখৰ পথৰ ধাৱত আমাৰ বাবেই আছে
বান্ধ ভঙা বন্যাৰ দৰে
উত্তৰৰ কোবাল বতাহৰ দুৰ্জ্জেয় গতি। ★

# গতি

শ্ৰীকামিনী মোহন শৰ্মা
মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ।

আমি কত তিতা-মিঠা স্মৃতি বিস্মৃতিৰ
অনৰ্থক বোজা কঢ়িয়াই,—
যুগে যুগে যন্ত্ৰণাৰ, হতাশাৰ জীৱন্ত সাক্ষী।
তথাপিতো কিয় এই প্ৰেম—
যি প্ৰেমত জন্ম মানুহৰ ?
শিল ভাঙি, লো গলাই, মাটি চাহ কৰি,
সাগৰৰ ধুমুহা, মৰুভূৰ উত্তাপ,
ভূকম্পন-প্লাৱনৰ বিভীষিকা
অগ্নি বোমা বাৰুদৰ ধূম্ৰ-দাহন সহি
আমি বাৰু পালো কি ?
শৈশৱৰ ধূলি কোলা, সোণৰ চামুচ আৰু পুষ্টিহীনতা,
কৈশোৰৰ মধুৰ সপোন আৰু সন্তীয়া দায়িত্ব,
যৌৱনৰ প্ৰেম আৰু জীৱনৰ যন্ত্ৰণা,
আত্মমৰণ, হাহাকাৰ, উত্তপ্ত চকুলো নিশ্বাস ?
কাৰ বাবে অত শ্ৰম—
হাড় ভাঙি গঢ়িছো অজন্তা,
ইলোৰা, চাইপ্ৰাচ, বেবিলন একা ?
কিহৰ আশাত ৰচিছিলো মহাকাব্য,
ভোগ বিলাস ত্যাগি, এৰি পুত্ৰবধূ
সুপথৰ কৰিলো সন্ধান ;
জীৱন্ত দেহত লৈ ক্ৰুচৰ কামোৰ

কাৰ বাবে যোৱালো অমৃত ;
খোৱালো তেজৰ নৈ কাৰবালাৰ শুকান বালিত ?

"ইউৰেকা !"
ইউৰেকা ?
নাই, নাই ! একো পোৱা নাই ।
কিবা জানো পালো আমি ? সঁচাকৈ কিবা ... ?
ক্ষুধিতৰ দুৰ্ব্বল হাত আজিও প্ৰসাৰিত ভিক্ষাৰ বাবে,
দুৰাৰোগ্য ৰোগীৰ কাতৰ স্বৰ,
বেকাৰৰ বিক্ষোভ,
শোষিতৰ অসহায় আস্ফালন,
দেশে ঘৃণা আৰু যুদ্ধৰ আয়োজন ।
মানুহ হৈ মানুহক ভালেই নেপালো যদি
মানুহ হলোনো কিয় ?
অত যুগ-যুগান্তৰ—
অত প্ৰেম-বিৰহৰ, অত হাঁহি কান্দোনৰ,
অত জন্ম-মৃত্যুৰ অত স্মৃতিৰ বোজা কঢ়িয়াই
আমি বাৰু মানুহক প্ৰেম দিয়া "মানুহ" নহলো কিয় ?
ধেৎ !
মৃত্যু হওঁক আমাৰ প্ৰেমৰ- যি প্ৰেমত জন্ম মানুহৰ,
স্তব্ধ হওঁক প্ৰগতিৰ গতি !
(অ'ৰে মোৰ ভোলামন !
মাণিক বনে পাথৰ কুৰায়,
মাণিক চিনে না ।
চেনীৰ বস্তা বলদে টানে,
স্বাদ বুজে না । )
অ' নহয় !
চিৰ চলমান এই প্ৰেম আৰু প্ৰাণেৰে দুপাৰ প্লাৱি
জীৱনৰ মহানদী
দুপাৰ জীপাল কৰি,
ধ্বংস আৰু সৃষ্টিৰ বন্যা তুলি
গঢ়ি ভাঙি, ভাঙি গঢ়ি
বই আছে নিৰবধি
গতি তাৰ ভেটিব কোনে ?
প্ৰণাম, প্ৰণাম হে গতি ! ★ ★

# বিশ জুনৰ শ্ৰদ্ধাঞ্জলি

শ্ৰীদীনেশ শৰ্মা
মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ ।

এই ভয়ানক অন্ধকাৰ ৰাতি
য'ত নাই ৰজনীগন্ধাৰ গোন্ধ
নাই য'ত পূৰ্ণিমাৰ স্নিগ্ধ পৰশ
য'ত অলেখ নাম নজনা ফুলে—
ভাৰাক্ৰান্ত বেদনাহত হৈ
কাৰোবাৰ বাবে যেন টুকিছে চকুলো !
য'ত মেঘ আৰু স্বপ্নৰ চকুলো
এক হৈ বৈ যায় সমুদ্ৰৰ ফালে ।
সেই মেঘ আজি আজি আৰু আকাশত নাই
যি মেঘে দূত ৰূপে অদূৰৰ পৰা
বৈ আনে প্ৰিয়াৰ বেদনা—
আৰু
যি মেঘে পৃথিবীৰ আঁহে আঁহে
মৌ ঢালি সৃষ্টি কৰে
সেউজীয়া পৃথিবীৰ জন্মৰ বেদনা—
যি বেদনাই এদিন হাঁহি ৰূপে
বিপ্লৱক কৰেহি অৰ্চনা— ।
তেনে সেই বিপ্লৱ কি ?
সিয়ে কোনো ধ্বংসৰ বিপ্লৱ নোহে—
আছে তাত সৃষ্টিৰ পাতনি ।
কিন্তু ধ্বংস নহলেতো সৃষ্টি নহয় ?
কামদেৱ যদি ধ্বংস নহ'লহেতেন
মমতাময়ী মহাদেৱক কোনেনো দেখিলেহেতেন
সেই মমতাময়ৰ সুৰৰ লহৰ আজি হেৰাল ক'ত ?
ভৰিত নেবাজে কিয় নাচোনৰ শব্দধ্বনি ক'ত ?
কণ্ঠত নেবাজে কিয় সুৰৰ ব্যঞ্জনা ?
তেন্তে কিয় ?
তুমি জানো পিতৃ নোহ— ?
নাই জানো কৰ্তব্য সন্তানৰ প্ৰতি ?
তোমাৰ ৰাজ্যত জানো
সন্তানৰ নাই কোনো দাম ?
হয়তো সন্তানে তোমাৰ
কৰিব পাৰে অৱহেলা—
স্বীকৃতিকো দিবলই পাৰ পাৰে বহুত বিধিনি
প্ৰশ্ন কৰি বাৰে বাৰে
তোমাকে কৰিব পাৰে
অযুত সন্দেহ—
কিন্তু তুমিতো নোহোৱা ক্লীৱ ?

তুমিয়ে শিল্পী, সুৰকাৰ—
ধ্বংস আৰু সৃষ্টিৰ সেৱক—
তুমিতো পিতৃ—
জন্ম দিয়া অযুত সন্তানক—
কিন্তু মোৰ অনুৰোধ—
তুমি যেন নোহোৱা ধৃতৰাষ্ট্ৰ—
যিজন একেধাৰে পিতা আৰু সম্ৰাট
কিন্তু স্বাৰ্থপৰ মোহান্ধেৰে
যিজনৰ দুই চকু অজ্ঞতাৰে ঢকা।
এনে এটা মানচিত্ৰ আঁকি দিয়া তুমি
য'ত দিনৰ ঘৰ্মাক্ত চিন্তা—
সন্ধিয়াই কৰেহি শীতল—
য'ত বিপ্লৱৰ বঙাজুয়ে—
দুষ্কৃতিক সমূলঞ্চে নাশ কৰি
সমাজ আৰু চৰকাৰৰ কলুষতা
আতৰাই শুচাই—
ব্যক্তিক প্ৰতিষ্ঠা কৰিব পাৰে
সচেতন বুদ্ধিজীৱি নায়কৰ মাজত,—
সমাজ য'ত মানুহৰ দাস—
আৰু মানুহ য'ত বিবেকৰ নিচিনা গোলাম।
তুমি নাই, তুমি নাই বুলি
হাহাকাৰ নকৰো কদাপি
ওলাই আহিব খোজা অশ্ৰুকণা টুপি—
এয়া মই দুহাতেৰে পেলালো মোহাৰি,
নোটোকো চকুলো আৰু—
চকুলোৰে কোনো কাৰ্য নহয় সমাধা।
হাতত বন্দুক লৈ আহিছো ওলাই—
তুমিও ওলাই আহা—
হে পিতৃ—
অদৃশ্য তোমাৰ সেই অদেখা স্বৰ্গৰ পৰা,
আৰু উলিয়াই আনা
অযুত তোমাৰ সন্তানক,—
সকলোৱে এক হৈ গাওঁ আহা—
সাম্যবাদী সুৰে সুৰে—
বিপ্লৱ আৰু সংস্কৃতিৰ গান। ★ ★

# ঃ ভৱিষ্যতৰ মানুহৰ বাবে ঃ

মূল ঃ বেৰ্টোল্ট ব্ৰেখ্‌ট
অনুবাদ ঃ কবিতা বসাক
স্নাতক মহলা ঃ ২য় বাৰ্ষিক।

এৰা সঁচা, মই আছোঁ অন্ধকাৰ যুগত।
অকপট কথা আজি অদ্ভুত শুনায়। আজি প্ৰসন্ন মুখৰ অৰ্থ
নিৰ্মম হৃদয়। আজি যিয়ে হাঁহিব পাৰে
তেওঁ বুজা নাই অথবা শুনা নাই এতিয়াও
ভীষণ সংবাদবোৰ।
আমাৰ এয়া কি যুগ!
যেতিয়া গছ লতিকাৰ কথা কোৱা প্ৰায় এটা অপৰাধ
কাৰণ সেয়া অন্যায়ৰ বিৰুদ্ধে এৰা একপ্ৰকাৰ নিৰৱতাই।
আৰু আজি বাটে ঘাটে যি লোক চলিব পাৰে শান্ত, স্থিৰ ভাবে,
সঁচাকৈয়ে সি আছে তাৰ দুস্থ অসহায়
বন্ধুবোৰৰ পৰা নিৰাপদ দূৰত্বত।
কথাষাৰ সঁচা যদি কোৱা ঃ মই খাটি খাওঁ,
কিন্তু সেইটো নিতান্তই এক দৈৱাৎ ঘটনা!
জীৱিকা মোৰ থিয়েই নহওক, তাত মোৰ জীয়াই থকাৰ অধিকাৰ নুসূচায়।
বাচি থকাটোৱেই এটা আকস্মিক ঘটনা (কপাল যদি ভাগে তেনেহ'লেই গ'লো)
সিহঁতে কয় ঃ খোৱা-লোৱা। প্ৰসন্ন হৈ থাকা খাবলৈ দিব পাৰিছা।
কিন্তু কেনেকৈয়ে বা মুখেৰে খাওঁ-লওঁ
যেতিয়া মোৰ আহাৰ ক্ষুধাৰ্তৰ মুখৰ পৰা কাঢ়ি যোগাৰ কৰা
যেতিয়া মোৰ পানীৰ পাত্ৰত তৃষিতৰ অধিকাৰ!

তথাপি খাত্ত-মন্ত

মইয়োতো প্রজ্ঞ ব্যক্তি হ'ব খোজো;

সাঁচিপাতৰ শাস্ত্ৰত লিখা আছে প্ৰজ্ঞা কি বস্তু:

বিশ্বৰ যিবোৰ দন্দ্বময় তাৰ পৰা দূৰৈত থাকা কটোৱা তোমাৰ আয়ুসকণ

কালৈকো ভয় নকৰি,

হিংসা প্রয়োগ নকৰাকৈ

যি সৎ হাত সদাই তাক অসতক ওভতাই দিয়া;

আকাঙ্খাৰ তুষ্টি নহয়, বিস্মৃতিক

প্রজ্ঞাৰ সাধন—

ইয়াৰ কোনোটোৱেই মোৰ সাধ্য নহয়!

এবা সঁচাকৈয়ে মই আছোঁ অন্ধকাৰ যুগত।

চহৰলৈ মোৰ আগমন বিসৃঙ্খলাৰ সময়ত

ক্ষুধাই যেতিয়া ৰজা।

মানুহৰ মাজলৈ মোৰ আগমন যে গণ-উত্থানৰ লগ্নত,

আৰু মইয়ো বিদ্ৰোহী।

সেয়েহে অন্ত হ'ল মোৰ সময়

মৰ্ত্তত যিকণ মোৰ ভাগত আছিল।

মোৰ খোৱা শেষ কৰিবলগীয়া হৈছে হত্যাকাণ্ডৰ ফাঁকে ফাঁকে,

মোৰ নিদ্ৰাত পৰিছে খুন-খাৰাবীৰ ছাঁ,

মোৰ প্ৰেমলৈ সেয়েহে আহিছে ঔদাসীন্য।

নিজৰ স্বভাৱত নিজেই হৈছোঁ অধৈৰ্য।

সেয়েহে শেষ হ'ল মোৰ সময়

মৰ্ত্তত যিকণ মোৰ ভাগত আছিল।

আমাৰ সময়ত পথৰ অন্ত পৰিছিল তপ্ত বালিৰ স্তূপত!

মোৰ বাকশক্তিয়ে মোক তুলি দিছে কছাইহঁতৰ হাতত।

ক্ষমতা মোৰ অল্প। কিন্তু মই নাথাকিলে

শাসকহঁত আৰু নিশ্চিন্ত হ'লহেঁতেন। অন্ততঃ এয়ে আছিল মোৰ আশা।

সেয়েহে শেষ হ'ল মোৰ সময়

মৰ্ত্তত যিকণ মোৰ ভাগত আছিল।

তোমালোক যিসকল ওলাই আহিবা এই বন্যাৰ পৰা
য'ত আমি ডুব গৈ আছোঁ
ভাবি চোৱা,
যেতিয়া তোমালোকে আমাৰ দোষত্ৰুটিৰ হিচাপ কৰিবা, তেতিয়া
ভাবিবা এই অন্ধকাৰ যুগৰ কথাও
যাৰ উদৰৰ ব্যথাত ইয়াৰ জন্ম ।
কাৰণ আমি দেশ পৰিবৰ্তন কৰিছোঁ জোতাৰ তলিতকৈও বেছিবাৰ ।
বাধ্য হৈ, শ্ৰেণী সংগ্ৰামত, অসহ্য যন্ত্ৰণাত,
যেতিয়া অন্যায় আছিল, নাছিল তাৰ প্ৰতিৰোধ ।
কাৰণ আমি ভালকৈয়ে জানিছিলোঁ
দাৰিদ্ৰ্যৰ প্ৰতি ঘৃণাত ভাগ্য হৈ উঠে
নিৰ্মম কঠিন ঃ
অন্যায়ৰ বিৰুদ্ধে যি ক্ৰোধ
তাতেই কণ্ঠ হৈ উঠে কৰ্কশ । হায় ! আমি
যিসকলে প্ৰাণ দিবলৈ গৈছোঁ দয়ামায়াৰ বুনিয়াদ গঢ়িবৰ বাবে,
আমি নিজেই দয়ামায়া ৰাখিব পৰা নাই ।
তথাপিও, তোমালোকে, শেষলৈ যিদিনা সহজ হ'ব
মানুহৰ বাবে সকলো মানুহকে হাত আগবঢ়াই দিয়া,
সিদিনা তোমালোকে আমাৰ বিচাৰ নকৰিবা
অতিশয় কৰ্কশতাৰে । ★ ★

# সম্মিলিত ফল কোম্পানী

মূল : পাবলো নেৰুদা

বঙালী অনুবাদ : সন্দীপ সেনগুপ্ত

অসমীয়া ৰূপান্তৰ : গিৰীশ কলিতা

( প্ৰাক্তন ছাত্ৰ )

যেতিয়া শঙ্খ বাজে
পৃথিবীত তেতিয়া সকলো প্ৰস্তুত
জেহোভাই পৃথিবীকে পাৰ্চেল কৰি পঠিয়াই দিয়ে
কোকাকোলা ইনকৰপোৰেটেড কোম্পানীৰ ওচৰলে,
আনাকোন্দা, ফোৰ্ডমোটৰ আৰু অন্যান্য কোম্পানী :
সংৰক্ষিত ফল কোম্পানীয়ে নিজৰ বাবে সংৰক্ষিত কৰি ৰাখিছে
আমাৰ দেশৰ মধ্য নদীকূল —
সমগ্ৰ আমেৰিকাৰ অগ্ৰাংশৰ সবাতকৈ ৰসাল অংশ
সিহঁতে আকউ এই ভূখণ্ডৰ নাম ৰাখিছে— 'কল গণতন্ত্ৰ'
আৰু যিবিলাকে স্বাধীনতাৰ পতাকা আৰু মহত্বক কঢ়িয়াই আনিছে
সেই সকলো অক্লান্ত নিদ্ৰিত মৃত বীৰবৃন্দৰ ওপৰত
জুৰি দিছে সিহঁতে হাঁহিৰ যাত্ৰাগান
এহাতে ধ্বংশ কৰে, স্বাধীনতা, স্বাতন্ত্ৰ্য
আনহাতে উপহাৰ দিয়ে ছিজাৰৰ মুকুট —
উন্মুক্ত হিংসা, টানি-আজুৰি আনে
মাখিৰ একনায়কত্ব ।
ট্ৰুজিলো মাখি, টাকো মাখি, মাৰ্টিন মাখি
ক্যাৰিয়াছ মাখি, উবিকো মাখি

কোনোটো বিনয়ী ৰক্তবাহী আদ্র
কোনোটো নিচাশক্ত ফুলবাবু—
উজুটি খাই পৰে নিমজ্জ অনাড়ম্বৰ কবৰ খানাত,
ভণ্ড আৰু বিজ্ঞ মাখি
সকলো কিন্তু নৃশংস অত্যাচাৰত ওস্তাদ
ৰক্তপিপাসু মাখিৰ মাজত
ফল কোম্পানীয়ে জাহাজৰ লঙ্গৰ পেলাই
তুলি নিয়ে ফল আৰু কফি
আমাৰ নিমজ্জিত ভূখণ্ডৰ সম্পদ ৰাশি
পৰিপূৰ্ণ কৰে জাহাজৰ গহ্বৰ :
এইফালে ৰেড্ইণ্ডিয়ান শ্ৰমিকবোৰ চেনীৰ গহবৰত ডুবি আছে
প্ৰভাতৰ কুঁৱলীত সমাধিস্থ হ'বলৈ'
আচ্ছাদিত এটি দেহ পৰি আছে, এটা দ্ৰব্য
যাৰ কে.না নাম নাই, এটি পতনশীল শূণ্যতা
কিছুমান মৃতফল ছটিয়াই দিয়া হ'ল সেই দ'মটোৰ ওপৰত । ★

# ❋ গল্প ❋

## —চক্ৰবেহু—

কুমুদ চন্দ্ৰ শৰ্মা
প্ৰথম বাৰ্ষিক,
স্নাতক মহলা।

· ... পৱনে পিছলৈ চালে। লাইট জ্বলাব লগা এন্ধাৰ নামি অহা নাছিল যদিও হেড্ লাইটটো জ্বলাই তীব্ৰ গতিত বুলেট এখন আহি আছে। যেনেকৈ শব্দটো শুনিয়ে ৰহমানে ধৰিব পাৰিছে সেইজন কোন হব পাৰে, তেনেকৈ বুলেট খন দেখিয়ে পৱনেও নিশ্চিত যে সেইজন সিহঁতৰ ঘৰৰ কাষৰে ইঞ্জিনীয়াৰ কেশৱ কলিতাৰ বাহিৰে আন কোনো নহয়। তেওঁলোকৰ গাওঁতেই নহয় সেই অঞ্চলটোত কেৱল কেশৱৰেই বুলেট আছে। দৌৰা-দৌৰিকৈ দুয়ো ৰাস্তাৰ পৰা কিছুদূৰ আঁতৰি গৈ থিয় হৈ ৰ'ল। ধূলিৰ ধুমুহা সৃষ্টি কৰি কেশৱ কলিতা পাৰ হৈ গ'ল।

ভাললৈ নে কামলৈ কৰ পৰা নাই। দুই তিনি বছৰৰ ভিতৰতে কেশৱে ঘৰ মাটি, গাড়ী-মটৰ, তিৰী-চলি সকলো কৰিলে।' ৰহমান খুৰাই স্বগতোক্তি কৰাৰ নিচিনা কৈ কথাষাৰ ক'লে।

কিবা এটা ক'ব খুজিছিল পৱনে। কিন্তু নক'লে। মাথো 'অ' বুলি কান্ধৰ মোনাখন কান্ধ সলাই ললে।

ধূলিৰ প্ৰকোপ অলপ শাম কটাত দুয়ো আকৌ খোজ ললে। ঘাৰৰ গামোচাখন ৰহমানে নাক মুখত গুজি ধৰিছিল। ৰহমান খুৰা হঠাৎ বৈ যোৱা দেখি পৱনে মূৰ তুলি চাই দেখে সেয়া ৰহমান খুৰাৰ ঘৰৰ সন্মুখ।

'অলপ বহিবি নেকি পোনা?' পৱনলৈ চাই ৰহমান খুৰাই আন্তৰিকতাৰে সুধিলে।

'এতিয়া নবহো খুৰা ঘৰৰ পৰা আহো।'

'অ' যাগৈ তেনেহলে বোপা। চহৰৰ পৰা দুখে ভাগৰে আহিছা। জিৰাই সতাই আহিবি কিন্তু মেল খনলৈ।'

'নিশ্চয় আহিম খুৰা' বুলি পৱনে আউল বাউল হৈ পৰা চুলিখিনি দুহাতেৰে ঠিক কৰি খোজ ললে। খোজ কাঢ়ি গৈ থাকোতে তাৰ ভাব হ'ল, গঙ্গাৰ পানীক লৈ ভাৰত আৰু বাংলাদেশৰ মাজত লগা কাজিয়াখন যেন সিঁহতৰ বামুনপাৰা গাওঁখনলৈহে আহিল। গাওঁৰ সন্মুখেদি বৈ যোৱা সৰু নদীটোত ধনঞ্জয় মৌজাদাৰে আজি কেইদিনমান আগতে বান্ধদি নিজৰ খেতি পথাৰত পানী যোগান ধৰিবলৈ ব্যৱস্থা কৰিছিল। পিয়াহৰ পানী টুপিকো আগভেটা দি কাঢ়ি লোৱাত গঞা ৰাইজ অসন্তুষ্ট হৈ উঠিল। হোবিবুৰ ৰহমান, ৰতন মজুমদাৰ, লোহিত দাস আদি কেইজনমান

গাওঁৰ মুখিয়াল মানুহ লগ হৈ যোৱা কালি ৰাতিপুৱা মৌজাদাৰৰ ঘৰলৈ গৈ কথাটো কৱলৈহে পালে ধনঞ্জয় মৌজাদাৰে গেঙেৰাই উঠিল—'মোৰ মাটিত মই নদী বান্ধিছো। তহঁতৰ তাত মাত মাতিবলৈ কি অধিকাৰ। তহঁতেও তহঁতৰ মাটিত নদী বান্ধি ল।'

'আপুনি আগফেটা দি পানীখিনি আপোনাৰ পথাৰৰ মাজেদি বোৱাই দিছে। নদীৰ পিছৰ অংশত আকৌ আমি পানী ক'ৰ পৰা পাম।' —ৰতন মজুমদাৰে কলে।

'হেৰ' তহঁতক খোৱা পানীহে লাগে। পাবলিক হেল্থৰ ইঞ্জিনীয়াৰ দোখান তহঁতৰ গাওঁৰে মানুহ। গতিকে তেওঁক ধৰ গৈ,—বোলে গাওঁত খোৱা পানীৰ ব্যৱস্থা কৰিদিব লাগে।'

'দমক'ল এটা বহুৱাই দিছিল। সিও নামতহে। বহুৱাই দিয়াৰ পিছ দিনাৰে পৰা নষ্ট হৈ আছে।' ৰহমানে টপৰাই উত্তৰ দিলে।

'উপায় নাই। মোৰ কোনো উপায় নাই। সেই বুলিতো মোৰ খেতি নষ্ট কৰিব নোৱাৰো নহয়। দেখিছানে নাই এইবাৰ আহিন মাহতে পথাৰৰ মাটি ফাটি চিৰা-চিৰ হৈছে।

লোহিতে নম্ৰভাৱে ক'লে— মৌজাদাৰ খুৰা, এটা কাম কৰক— বান্ধটোৰ একাষেদি সৰুকৈ এটা পানী যাব পৰা দোং খান্দি দিয়ক। আমি গঞা ৰাইজে গাওঁৰ আনটো মূৰত বান্ধ দি সেই পানী ধৰি ৰখাৰ ব্যৱস্থা কৰিম।'

'ঐ লোহি, বান্ধ কটা কি ল'ৰা— খেমালি পাইছ হ। নদীটো বান্ধোতে মোৰ কিমান টকা খৰছ পৰিল জানা? পুৰা-পুৰি তিনিশ টকা। ইমান টকা খৰছ কৰি বন্ধা বান্ধ মই কাটিব নোৱাৰো অ' লোহি। তহঁত যা গৈ,' বুলি ধনঞ্জয় মৌজাদাৰে ভিতৰ চোতাললৈ গুচি গ'ল।

ডেকাল'ৰা লোহিতৰ খংটো চিঙিচকৈ উঠিল। আঙুলি জোকাৰি জোকাৰি সি মৌজাদাৰক সাৱধান কৰি দি আহিল, মৌজাদাৰ খুৰা! আজি সন্ধিয়ালৈকে যদি বান্ধ কাটি পানী যোৱাৰ ব্যৱস্থা কৰি দিয়া নহয় তেনেহলে আমিয়েই বান্ধ কাটিবলৈ বাধ্য হম।'

যোৱা ৰাতি লোহিত, পৱন, প্ৰতুল, তাহেৰ, ভবেন আদি দহ বাৰ জন গাওঁৰে ডেকা ল'ৰা লগ লাগি দা-কোৰ লৈ মৌজাদাৰৰ বান্ধ কাটিবলৈ গ'ল। বান্ধৰ কাষলৈ গৈ সিহঁতে দেখিলে মৌজাদাৰৰ মানুহ ছয়-সাতজন মানে লাঠি টাঙোন লৈ বান্ধৰ ওপৰত বহি আছে।

লোহিতে গদ্ গদ্ মাতেৰে ক'লে— 'ঐ বান্ধ কাটিলি নে নাই?'

'বান্ধ পহৰা দিবলৈহে মৌজাদাৰ দেউতাৰ আদেশ, কাটিবলৈ নহয়।' সিহঁতৰ এজনে উত্তৰ দিলে।

'তেন্তে বান্ধ নাকাটা?'

'নাকাটো আৰু কাটিবলৈও নিদিও।'

'ঠিক আছে'—বুলি লোহিতে ভবেনৰ হাতৰ পৰা কোৰখন টানিলৈ বাকি ডেকাবোৰক কলে—'কাট, কি চাই আছ, বান্ধ কাটি দে।'

লগে লগে চাৰি পাছ জনমানে বান্ধ কাটিবলৈ লাগি গ'ল। মৌজাদাৰৰ মানুহবোৰেও লাঠি টাঙোন লৈ সিহঁতৰ ওপৰত জপিয়াই পৰিল। দুই পক্ষৰ মাজত কিছু সময় কোবা-কোবি চলাৰ

পিচত মৌজাদাৰৰ মানুহকেইজন দৌৰি পলাল। লোহিত আৰু তাহেৰৰ বেয়াকৈ জখম হ'ল। লোহিতৰ মূৰত এটা কোব পৰি মূৰটো ফাটি-ছিল আৰু তাহেৰৰ বাওঁ কিলাকুটিটো ভাগিছিল। কেইজনমানে ধৰা-ধৰিকৈ সিহঁতক ঘৰলৈ লৈ গ'ল। পৱন, প্ৰতুলহঁতে বান্ধটোৰ এটা অংশ কাটি আহিল। ৰাতি নৌ-পুৱাওঁতেই পুলিচৰ গাড়ী আহিল। লোহিত, প্ৰতুল, তাহেৰ, জবেদ আৰু ৰাজেনক পুলিচে ধৰিলৈ গ'ল। কেইজনমান পুলিচ অহাৰ কথা গম পাই পলাল। পৱন আৰু ৰহিমক নিনিলে। লিষ্টত সিহঁতৰ নাম নাই।...

সেই কথাটোলৈয়ে আজি গঁওৰ ৰাইজৰ মেল। সেই মেলত পৱনৰ উপস্থিতি অপৰিহাৰ্য। কাৰণ ঘটনাটোৰ সি চাক্ষুস সাক্ষীয়ে নহয়, ঘটনাটোত সি নিজেও জড়িত। ঘৰ পাই মুখ হাত ধুই পৱনে দৌৰা-দৌৰিকৈ ভাত কেইটা খাই ললে। মাক আৰু ভনীয়েক ৰমলাই খাবলৈ বহিছিল। তামোল এখন মুখত ভৰাই সি মেললৈ ওলাই আহিল।

কেশৱ কলিতাই বুলেটখন ষ্টাৰ্ট দিব ধৰা দেখি পৱনে নওলা মুখত থমকি ৰ'ল। ৰাস্তাত ওলালেই ধুলি খাব লাগিব। পৱনে জানে যে কেশৱে এতিয়া মদনপুৰ বস্তিলৈ যাব। দামী কাপোৰ-কানিৰে সেইজন কেশৱক দেখি পৱনৰ হঠাতে সিহঁতৰ ল'ৰালি কাললৈ মনত পৰিল। কেশৱ, লোহিত, তাহেৰ, প্ৰতুল, ভাৰতী, যামিনী আৰু পৱন গাওঁৰে প্ৰাইমাৰী স্কুলত একে শ্ৰেণীতে পঢ়িছিল। দুবছৰ ফেল কৰি প্ৰতুল আৰু তাহেৰে তৃতীয় মান শ্ৰেণীৰ পঢ়াই স্কুল এৰিলে তৃতীয় মান শ্ৰেণী পাছ কৰি যামিনী পঢ়া বাদ দিলে। দুমাইল দূৰৈৰ কমলাবাৰীৰ হাইস্কুলৰ পৰা কেশৱ, ভাৰতী আৰু পৱনে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰিলে। কেশৱ গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ গ'ল। ভাৰতী আৰু পৱন বামুনপাৰা গাওঁৰ পৰা চাৰি মাইল দূৰৈৰ মইনাবাৰী কলেজত পঢ়িবলৈ লয়। কেবা বছৰ চেষ্টা কৰিও হাইস্কুলৰ দেওনাখন পাৰ হব নোৱাৰি লোহিতে পুথি পাঁজি সামৰি নাঙলৰ মুঠিত ধৰিলে। ভাৰতী আৰু পৱনে যথা সময়ত বি, এ পাছ কৰি উঠিল। তেতিয়াও কেশৱ বোম্বাইত ইঞ্জি-নীয়াৰিং পঢ়ি আছিল। ভাৰতীয়ে স্থানীয় বেচৰকাৰী হাইস্কুল খনত সোমাল। পৱনে খেতিৰ কামৰ লগে লগে নিয়োগ বিনিময় কেন্দ্ৰত ঋৰৰ কৰি বিভিন্ন চাকৰিৰ বাবে আবেদন, নিবেদন, ইন্টাৰভিউ আদিত ব্যস্ত থাকিল। এম, এ, পঢ়াৰ ইচ্ছা আছিল যদিও আৰ্থিক দুৰাৱস্থাৰ বাবে সিয়ো নহ'ল। আজিৰ পৰা তিনিবছৰ আগতে কেশৱ বোম্বাইৰ পৰা ইঞ্জিনীয়াৰ হৈ আহিল। অহাৰ এসপ্তাহ পিছতেই মইনাবাৰী পাবলিক হেল্থ চাব ডিভিজনৰ ইঞ্জিনীয়াৰ নিযুক্ত হ'ল। যোৱা বহাগৰ আগৰ বহাগত কেশৱে বিয়াও কৰালে। তালৈ অপেক্ষা কৰি থকা ৰাক্-দত্তা ভাৰতীক নহয়, গুৱাহাটীৰ চেনীকুঠিৰ কোনোবা এড্‌ভোকেট প্ৰাঞ্জল চৌধুৰীৰ ছোৱালী মধুস্মিতাক। বেচেৰী ভাৰতীজনী আজিও বিয়া নকৰোৱাকৈয়ে আছে। মাজে মাজে বাল্য বন্ধু পৱনৰ আগত ভাৰতীয়ে তাইৰ জীৱনৰ কথা কৈ সৰু ছোৱালী

এঞ্জনীৰ দৰে কান্দে।

পৱন আহি পোৱাৰ ভালেখিনি আগৰ পৰা ৰহমানৰ চ'ৰা ঘৰত বামুনপাৰা গঞা ৰাইজ গোট খাই কথাটো আলোচনা কৰিছিল। পৱন আহি পোৱাৰ পিছতো মেল চলিল ভালেমান পৰলৈ। সৰ্বসন্মতিক্ৰমে কেইটামান সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। সভাপতি ৰহমানে সিদ্ধান্ত কেইটা ৰাইজক পাঠ কৰি শুনালে—'আমি বামুনপাৰা গঞা ৰাইজে আজি কাতি মাহৰ দুই তাৰিখে বহা সভাত সৰ্বসন্মতিক্ৰমে কেইটামান সিদ্ধান্ত গ্ৰহণ কৰিলোঁ। সেই সিদ্ধান্তসমূহ হ'ল —(১) মৌজাদাৰ ধনঞ্জয় চৌধুৰীয়ে নদীত বান্ধ দিয়া কাৰ্য্যৰ প্ৰতিবাদ চৰকাৰক জনোৱা হব আৰু এটা সু-মীমাংসাৰ দাবী জনোৱা হব; (২) যিকেইজন ডেকা ল'ৰাক যোৱা ৰাতি পুলিচে ধৰি লৈ গ'ল, তেওঁলোকক অতিশীঘ্ৰে ৰাইজৰ তৰফৰ পৰা জামিনত অনাৰ ব্যৱস্থা কৰা হব। (৩) যিহেতু মোকদমা চলাবলৈ ৰাইজৰ পুঁজিত সৰহ ধন নাই সেয়ে গাওঁৰ প্ৰতি ঘৰ লোকে এসপ্তাহৰ ভিতৰত পুঁজিলৈ বিশ টকাকৈ বৰঙণি দিব লাগিব।' মেল ভঙ্গ হল। সকলো ঘৰা-ঘৰি গ'ল।

দুৱাৰৰ ডাংডাঙত হাত দিয়াত খুটংকৈ শব্দ এটা হ'ল। মাকে ভিতৰৰ পৰা মাত দিলে 'কোন অ', পোনা নেকি?'

'অ আই, দুৱাৰখন খুলি দে।'

'চহৰৰ পৰা দুখে ভাগৰে আহি আকৌ ইমান ৰাতিখনলৈ মেলত থাকিব পাৰনে?' মাকে চেনেহসনা ভৰ্ৎসনাৰে দুৱাৰখন খুলি দিলে।

কাপোৰযোৰ সলাই পৱনে দুৱাৰখন জপাবলৈ লওঁতেই শুনিলে কেশৰ কলিতাৰ বুলেটৰ ধপ্ ধপ্ শব্দ। হাৰিকেন লেম্পটোৰ ফিটাডাল নুমাই দি সি শুই পৰিল।

লাহে লাহে বহুতো চিন্তাই পৱনক আওঁৰ ধৰিলে। এইবাৰ পানীৰ অভাৱত খেতি ভাল নহ'ল। বছৰৰ ভাত মুঠিও এইবাৰ খেতিৰ ধানেৰে নুজুৰিব কিজানি। সৰিয়হ সিচিবই নোৱাৰিলে। যিও অলপ গম সিঁচিছিল সিও গজালি মেলিয়ে পানীৰ অভাৱত মৰি গ'ল। যোৱা সপ্তাহত এটা ইণ্টাৰভিউ দিছিল। লোহিতহঁতৰ খবৰ লবলৈ আজি গুৱাহাটীলৈ যাওঁতে তাৰে খবৰটোও লবলৈ বুলি পি, ডব্লিউ. ডি অফিচলৈ গৈছিল। অফিচাৰ বৰবাবুৱে তাক একাষৰীয়াকৈ মাতি নি ফুচ-ফুচাই কৈছিল, 'আপুনি ইণ্টাৰভিউ ভালেই কৰিছে। আশা নোহোৱা নহয়, কিন্তু অফ্ৰিচিয়েল কামৰ কথাটো জানেই। চাওঁচোন খাটিমিলি কিবা কৰিব পাৰোঁ নেকি। আপুনি কিন্তু টকা দুহাজাৰ মান খৰছ কৰিব লাগিব।'.........

আনটো কোঠাত মাকৰ লগত শুই থকা গাভৰু ভনীয়েক ৰমলাই টোপনিতে হহাঁৰ নিচিনা কৰা শব্দ পৱনে শুনিলে। মাকে তাইক দুবাৰ মান মাতিলে, কিন্তু কোনো মাত নেপাই মাকে তললৈ মাৰিলে।

যোৱা বছৰতেই ৰমলাৰ বিয়াৰ বন্দোবস্ত হৈছিল। কিন্তু টকাৰ অভাৱত বিয়াখন পতা নহ'ল। দৰাৰ বাপেকে সিদিনা আহি কৈ গৈছে, অহা ফাগুনত তেওঁলোকৰ দৰাৰ বিয়া হেনো পাতিবই। মাকেও পৱনে শুনা নুশুনাকৈ কয় 'দুয়োখন একে লগে পাতিব পাৰিলে ভাল হয়।'

ধিং, টুংটুং ··· ··· ··· । শব্দটো শুনি পৱন সচকিত হৈ উঠিল । শুই থাকিয়ে কান খন থিয় কৰি শব্দটোৰ কথা চিন্তা কৰি থাকোতে তাৰ কানত পৰিল কিছুমান অসংলগ্ন অশ্লীল বাক্য আৰু নাৰী কন্ঠৰ কান্দোনৰ শব্দ । কিছুসময় পিছত আকৌ ধুপ্ ধাপ্ শব্দ ।

'অ' মা— মৰিলো— আ — ··· ।

শব্দকেইটা যেন একোপাত কাড় হৈ পৱনৰ কলিজাত বিন্ধিলে । দুৱাৰখন খুলি পৱন বাহিৰলৈ ওলাই আহিল । কেশৱ কলিতাৰ আৰ, চি, চি বিল্ডিংটো জন-জনাই উঠিছে উন্মাদ গুঞ্জৰণিত । ৰাতি প্ৰায়ে নিচাগ্ৰস্ত কেশৱৰ তেনে অশালীন বলকনি পৱনহঁতে শুনে । পৱনে অনুমান কৰিছে কেশৱৰ সেই বলকনি যেন কেইদিন মানৰ পৰা বাঢ়িছে । কেতিয়াবা সেই বলকনিৰ লগতে কেশৱৰ স্ত্ৰীৰ মৰ্মস্পৰ্শী উচুপনিও শুনে । ৰাতিৰ নিস্তব্ধতাৰ মাজেদি ভাহি অহা নাৰী কন্ঠৰ সেই উচুপনিও শুনিলে পৱনৰ বুকুখন ছন্দবিহীন ভাবে কঁপি উঠে । পৱনে আজিও নিশ্চয়কৈ ধৰিব পাৰিছে সেই উচুপনি কেশৱৰ পত্নী মধুমিতাৰ বাহিৰে আন কাৰো নহয় । কাৰণ বুঢ়ী মাকজনীৰ বাহিৰে তেওঁ-লোকৰ ঘৰত আন কোনো তিৰোতা মানুহ নাই ।

'চান্দা দিব নোৱাৰেই যদি বিয়াৰ সময়ত কিয় কথা দিছিল । মই সিমান কাঙাল নহয় । কি লাগিব ? কিমান লাগিব ? মোৰ কি নাই ? তোৰ বাপ চৈধ্য পুৰুষ মই কিনিব পাৰোঁ । ঐ মৰিলি নেকি অ' — ।' গিৰিপ্‌কৈ আৰু এটা শব্দ হ'ল ।

—'আ' মৰিলোঁ । কাতৰ নাৰী কন্ঠস্বৰ ।

'হ .. বাপেৰলৈ লিখিবি কথা দিয়ামতে শান্তিপুৰৰ ঘৰ মাটি মোক দিয়ক—নহলে তোক খটম কৰিম ।'

এৰা, ভাৰতীয়ে এদিন তাক ঠিকেই কৈছিল । ভাৰতীয়ে কৈছিল, 'বাহ্যিক সৌন্দৰ্য্যৰ উপাসক, ধন সম্পত্তিৰ লুভীয়া কেশৱক এতিয়াহে চিনিছো, পোনা । সেয়ে মোৰ অকণো আক্ষেপ নাই ।'

দুৱাৰখন জপাই পৱন আকৌ শুই পৰিল । তেতিয়াও কেশৱৰ দুই এটা অস্পষ্ট গৰ্জন শুনা গৈছিল । মধুমিতাৰ এবছৰীয়া শিশুটো হয়তো কেশৱ কলিতাৰ তজন গৰ্জনতে সাৰ পাই তেতিয়াও কান্দি আছিল ।

'ভাৰতীয়ে বাৰু এতিয়া কি কৰিছে ।' পৱন আকৌ চিন্তাৰ সাগৰত ডুব গ'ল । হয়তো টোপনিত লালকাল দিছে, হয়তো বা খিৰিকী কাষত বহি অনাগত অনিশ্চিত ভৱিষ্যতৰ চিন্তাত হাবুডুবু খাইছে । কালিয়ে বান্ধৰ এটা অংশ কাটি দিয়া হৈছে । এতিয়ালৈ বোধহয় গা-ধুৱ পৰাকৈ নদীত পানী সোমাইছে । পাৰিলে অহা-কালিয়ে লোহিতহঁতক জামিনত আনিব লাগিব । অহা ফাগুনত ৰমলাৰ বিয়াখনো নাপাতিলে নহব । কিন্তু পি, ডব্লিউ, ডিৰ চাকৰিটোৰ বাবে দুহাজাৰ টকা সি বাৰু ক'ৰ পৰা গোটাব ? সিটো কোঠাত শুই থকা মাকৰ কেঁকনি শুনি পৱনে ভাবিলে বোধহয় মাকৰ কোমৰৰ বিষটো আকৌ বেছি হৈছে । ★ ★

# অনাথা

অৱনী কান্ত অধিকাৰী
১ম বাৰ্ষিক,প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী।

তিনিকুৰি বসন্তৰ মৃদু সমীৰণে চুই যোৱা জীৱনটোৰ ইতিহাসত শিক্ষক মনোৰঞ্জন বৰুৱাৰ কেতিয়াও এনেকুৱা এটি দিন অঙ্কিত হোৱা নাছিল আৰু নহৰ বুলিয়ে তেওঁৰ বিশ্বাস আছিল। সাৱলীল গতিত বই যোৱা জুৰি এটিৰ হঠাৎ কিবা এটি বাধাৰ সমুখীন হ'লে যেনে অৱস্থা হয়, বৰুৱা মাষ্টৰৰো আজি যেন তেনে এটি অৱস্থাৰ সৃষ্টি হ'ল। ৰাতিপুৱা মনত পৰম আশা আৰু আৰু উৎসাহ লৈ ওলাই যোৱা বৰুৱাই অব্যক্ত বেদনাৰ এক কঢ়িয়াব নোৱাৰা গধুৰ বোজা লৈ দুপৰীয়া যেতিয়া থৰক বৰক খোজেৰে ঘৰলৈ ঘূৰি আহে, তেতিয়া তেওঁৰ নিজকে বিশ্বৰ এটি নগণ্যতম প্ৰাণী যেন অনুভৱ হ'ল। ইমান দিনে অতি উচ্চ আসন দি অহা শিক্ষক বৃত্তিটোৰ প্ৰতি অজানিতে এক তীব্ৰ বিতৃষ্ণা উপজিল।

মাথোঁ চাৰিদিন আগতে তেওঁ কথা প্ৰসঙ্গত চুবুৰীয়া প্ৰতুল শইকীয়াক হৰ গৌৰৱেৰে কৈছিল —"জানে শইকীয়া, আমি শিক্ষক হব পাৰো, দুখীয়া হব পাৰো, ৰিচমাত পৰি ঘৰৰ উৰুথা চালেৰে আকাশৰ তৰা লেখিব পাৰো, কিন্তু তথাপিও আমি সুখী। আমাৰ জীৱন সাৰ্থক। আমি শিক্ষা দিয়া কিমান ল'ৰাই আজি ডাক্তৰ, ইঞ্জি-নীয়াৰ, এম, এল, এ আৰু ডাঙৰ অফিচাৰ হৈছে। এই প্ৰদীপটোলৈকে চাওকচোন। এদিন সিও মোৰেই ছাত্ৰ আছিল। আজি সি আমাৰ চহৰৰ নামকৰা ডাক্তৰ। আৰু ৰমেশ বৰুৱা। সি আজি ইঞ্জিনীয়াৰ। এতিয়াও সিহতে বাটত লগ পালে মোক গাড়ীৰ পৰা নামি নমস্কাৰ কৰিহে কথা পাতে। বাটে পথে ওলালেই—"নমস্কাৰ চাৰ," "নমস্কাৰ চাৰ"। কিমান প্ৰত্যুত্তৰ দিব? মাথোঁ সৌ সিদিনা গৌৰৱ আৰু আহলাদত বৰুৱা মাষ্টৰে এই কথা কেষাৰ কৈছিল। সেইদিনা তেওঁ হয়তো ভাবিছিল পৃথিৱী খনত প্ৰেম প্ৰীতি, সহায় সহানুভূতি, শ্ৰদ্ধা-ভক্তি আদিৰ এতিয়াও মৃত্যু হোৱা নাই। কিন্তু আজি? সেইদিনা প্ৰতুল শইকীয়াক কোৱা কথাকেষাৰ কোনোবাই যেন টেপৰেকৰ্ডাৰত ধৰি লৈ আজি মাইক্ৰোফ'নত বজাই ওৰে ৰাষ্টাই তেওঁক ইতিকিং কৰি আহিছে। তেওঁক আজি এই পৰিস্থিতিত ইতিকিং কৰিবলৈহে যেন কোনোবাই তেওঁক সেইদিনা তেনেকৈ কোৱা-ইছিল বৰুৱাৰ তেনে যেন লাগিল।

থৰক-বৰক খোজকিটি কিছু সংযত কৰি

বৰুৱা ঘৰমুখে আগবাঢ়িল। খোজৰ তালে তালে ছায়া-ছবিৰ খণ্ড চিত্ৰৰ নিচিনা নিজৰ জীৱনৰ ছবি কিছুমান তেওঁৰ আগত অহাযোৱা কৰিব ধৰিলে।

চবিশ বছৰ বয়সতে বি,এ পৰীক্ষা দি ৰিজাল্ট ওলাবাৰ আগেয়ে এখনি মৃত্যুমুখী সংসাৰক অকাল মৰণৰ পৰা বচাবলৈ বৰুৱাই স্থানীয় হাইস্কুল খনৰ সহকাৰী শিক্ষক হিচাপে মুৰটো গুজি লৈ জীৱনৰ তুমুল সংগ্ৰামত জপিয়াই পৰিছিল। চাকৰিত সোমোৱাৰ কেইদিনমান পিছতে পৰীক্ষাৰ ৰিজাল্ট ওলাল। পৰীক্ষাৰ ৰিজাল্ট ভাল হ'ল যদিও অভাৱৰ প্ৰবল আক্ৰমণত পৰাজিত হৈ এম, এ পঢ়াৰ আশা পৰিত্যাগ কৰিলে। অৱশেষত অঞ্জনা বৰচেতীয়াক বিয়া কৰাই যুগ্ম জীৱনৰ পাতনি মেলিলে। তাৰ পিছত পাৰ হৈ গ'ল বহু দিন, বহু ৰাতি হাঁহি আৰু কান্দোনৰ মাজেৰে বহুত কেলেণ্ডাৰ পুৰণি হ'ল। বৰুৱা চাৰো পুৰণি হৈ আহিল। তাৰ লগে লগে আহিল শিক্ষক হিচাবে বৰুৱা চাৰৰ যশস্যা। বৰুৱা চাৰ সকলোৰে কাৰণে হৈ পৰে শ্ৰদ্ধা আৰু আদৰৰ। স্কুলখনৰ বাবে হৈ পৰে এক অপৰিহাৰ্য্য অঙ্গ। ইতিমধ্যে দাম্পত্য জীৱনৰ স্বাক্ষৰ স্বৰূপে পত্নী অঞ্জনাৰ কোলা শুৱনি কৰেহি এটি এটিকৈ ক্ৰমে বসন্ত, বন্তিশিখা, দীপধৰ আৰু দীপশিখাই। মাহে পোৱা দৰমহাৰ টকাৰে বৰুৱা চাৰে চলাই যায় কোনোমতে তেওঁলোকৰ ছজনীয়া সংসাৰখন। যথা সময়ত বসন্তহঁতক স্কুলত নাম ভৰ্ত্তি কৰাই দিলে। অভাৱক আওকাণ কৰি সিহঁতে শ্ৰেণীৰ পিচত শ্ৰেণী অতিক্ৰম কৰিব ধৰিলে। দিনে দিনে খৰছ বাঢ়ি যোৱাত দৰিদ্ৰতাই প্ৰৱলভাৱে হেঁচি ধৰেহি বৰুৱা চাৰক। তথাপিও ছজনীয়া পৰিয়ালটিয়ে সুখ-দুখ, হাঁহি কান্দোনৰ মাজেৰে পাৰ কৰি দিবে কেইবাটিও বছৰ।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰি মুলতঃ অভাৱৰ কাৰণেই বসন্তই উচ্চ শিক্ষাৰ বাবে আৰু আগবাঢ়িব নোৱাৰিলে। সি পঢ়া জীৱন এৰিবলৈ বাধ্য হ'ল। চাকৰিৰ অন্বেষণত অফিচে অফিচে ঘূৰিবলৈ ধৰিলে। ইন্টাৰভিউ দি দি ভাগৰি পৰিল। সকলো অফিচৰ সমুখত যেন তাৰ বাবে লিখি থোৱা আছে "No Vacancy।"

কেতিয়াবা আশাহত বেদনাহত পুতেকৰ মুখলৈ চাই বৰুৱা চাৰে ভাবে, বহুতৰ জীৱনৰ কলীয়া ডাৱৰ তেওঁ ধুমুহাই উৰোৱাদি উৰুৱাই দিলে। সজাই তুলিলে বহুতক ডাক্তৰ, ইঞ্জিনীয়াৰ। কিন্তু নিজৰ পুতেকৰ বেলিকা——? । নিজৰ পুতেকক সন্থালে বেকাৰ। অভাৱ অনাটনৰ দুৰ্গম প্ৰাচীৰ ভেদ কৰিব নোৱাৰি বন্তী শিখাই নৱম শ্ৰেণীতে পঢ়া জীৱনৰ ইতিৰেখা টানিবলৈ বাধ্য হ'ল।

সময় ৰৈ নাথাকে। বৰুৱা ছাৰৰো চাকৰি জীৱনৰ এদিন ওৰ পৰিল। বৰুৱা ছাৰে এতিয়াহে অভাৱ কি বস্তু হাড়ে হিমজুৱে বুজি পালে। চাকৰিবিহীন জীৱনৰ অৰ্থনৈতিক অৱলম্বন স্বৰূপে ৪/৫টা টিউচন ললে। তথাপিও দিন নাযায় ৰাতি নপুৰাই অৱস্থা।

"কি ভাবি চিন্তি আছে, এনেদৰে ভাবি চিন্তি থাকিলে হবনে? যাওকচোন ফাৰ্মাচীলৈ। প্ৰদীপ ডাক্তৰ দেখোন আপোনাৰেই ছাত্ৰ আছিল। অলপ কৈ মেলি ... ...।" ঘৈণীয়েকৰ মাতত টেবুলত

দুহাত পেলাই মুৰ গুজি থকা বৰুৱা ছাৰৰ তন্ময়তা ভাঙি গৈছিল আজি ৰাতিপুৱা। আজি তিনি দিনেই হ'ল তেওঁৰ সৰু ছোৱালীজনীৰ অসুখ। পাঞ্জাবীটো পিন্ধি লৈ বৰুৱা ছাৰে ওলাই গৈছিল বুকুত পৰম আশা লৈ তাহানিৰ প্ৰিয় ছাত্ৰ প্ৰদীপৰ ফাৰ্মাচীলৈ।

" আপুনি শিক্ষকতা কৰা মানুহ। আপুনি নিশ্চয় বুজি পায় যে এইবোৰ ঔষধ মই পইচা খৰচ কৰি কিনি আনি ইয়াত বিক্ৰী কৰোঁ। গতিকে নগদ পইচা নহ'লে মই ঔষধ দিব নোৱাৰো। মাফ্ কৰিব।" কথাখিনি একে উশাহতে কৈ ডাক্তৰ প্ৰদীপ দুৱৰাই ইতিমধ্যে লিখি দিয়া প্ৰেচক্ৰিপচনখন সোঁহাতেৰে মোহাৰি ৱেষ্ট-পেপাৰ বাস্কেটলৈ নিক্ষেপ কৰি ওচৰত থকা আন ৰোগী এজনৰ ফালে মনোযোগ দিলে। বজ্ৰপাত হলে মানুহৰ যেনে অৱস্থা হয় ঠিক তেনে অৱস্থাই হৈছিল বৰুৱা ছাৰৰ সেই মুহূৰ্তত। যেতিয়া সম্বিৎ ঘূৰাই পালে তেতিয়া চেৰাহজিয়া মানুহ এটাৰ দৰে বিদ্যুৎ গতিত বৰুৱা ছাৰ ফাৰ্মাচীৰ ভিতৰৰ পৰা ওলাই আহি ৰাস্তা পাইছিল। তেওঁৰ এনে অনুভৱ হৈছিল, একালৰ প্ৰিয় ছাত্ৰ প্ৰদীপে যেন চাবুক এডালেৰে তেওঁক পিঠিত কোবাই কোবাই পিচে পিচে খেদি আহিছে। অপমান আৰু বেদনাত দুচকু ফাটি ওলাই অহা চকুলোখিনি বৰুৱা ছাৰে মোহাৰি লবৰ চেষ্টা কৰিলে। তেওঁৰ চকুৰ সন্মুখত ভাঁহি থাকিল মাথোন দীপশিখাৰ জ্বৰত ৰঙা হৈ পৰা ক্লান্ত মুখখনি। কেইটামান টকা পোৱা হলে! কমেও কুৰিটামান টকা। ডাক্তৰখানাৰ চৰকাৰী ডাক্তৰ জনকে নিব পৰা হ'লহেতেন। ভিজিট হেনো দহ টকা লাগে। বাকী দহ টকাৰে ঔষধ পাতি নিব পৰা যাব ... । ক'ত পোৱা যাব ?

হঠাৎ বৰুৱা ছাৰৰ মূৰত খেলি গ'ল তেওঁৰে একালৰ ছাত্ৰ ৰমেশ বৰুৱাৰ কথা। ৰমেশ ইঞ্জিনীয়াৰ। বিৰাট ঘৰ বাৰী কৰিছে। মনত প্ৰবল আশালৈ বৰুৱা ছাৰ ৰমেশৰ ঘৰৰ সন্মুখ পালে। প্ৰকাণ্ড কম্পাউণ্ডটোৰ গেটখন খুলি ভিতৰলৈ সোমাই যাওতে বৰুৱা ছাৰৰ বুকুখন কিবা এক অজ'নিত ভয়ত কঁপি উঠিল। লগে লগে ৰমেশে স্কুলত পঢ়ি থকা সময়ৰ কথা এটা মনত পৰাত তেওঁৰ মনে মনে হাঁহিও উঠিল। এই ৰমেশটো অঙ্কত বৰ কেঁচা আছিল। আৰু তেওঁ হাইস্কুলৰ ওপৰ শ্ৰেণী কেইটাৰ অঙ্কৰ শিক্ষক। অঙ্ক শিক্ষকৰ যিটো স্বভাৱ সুলভ গুণ সেইটো তেওঁৰ গাতো পূৰ্ণ মাত্ৰাই আছিল। অৰ্থাৎ বাৰ বাৰ বুজাই দিয়াৰ পিছতো অঙ্ক নোৱাৰিলে গালি দিয়া আৰু প্ৰয়োজন বোধে চেকনিৰ কোব দিয়া। এদিন তেওঁ এটা উদাহৰণৰ কেইটামান অঙ্ক ৰমেশ পঢ়ি থকা শ্ৰেণীৰ ল'ৰাবোৰক ঘৰত কৰি আনিব দিছিল। ৰমেশে সম্ভৱ কৰি আনিব পৰা নাছিল। সেয়ে তেওঁ যেতিয়া কোঠাটোৰ এফালৰ পৰা বহীবোৰ চাই গৈছিল তেতিয়া আনটো ফালে বহি থকা ৰমেশে ভয়ত কিংকৰ্তব্যবিমূঢ় হৈ শ্ৰেণীৰ পৰা ওলাই দৌৰ মাৰিছিল। পিছদিনা ৰমেশে অৱশ্যে তেওঁৰ ওচৰত ক্ষমা বিচাৰিছিল। আৰু তেঁৱো তাক অত্যাধিক চেনেহ আৰু যত্নেৰে শিকাই স্কুল শিক্ষান্ত পৰীক্ষাত অঙ্কত "লেটাৰ" লৈ উত্তীৰ্ণ হোৱাত সহায় কৰিছিল।

বাৰাণ্ডাৰ ওচৰ পোৱাত শিকলিৰে বান্ধি থোৱা

প্ৰকাণ্ড কুকুৰ এটাই ৰকুৱাৰ্লৈ চাই ভৌ ভোৱাই উঠিল। ৰকুৱাই ভয়তে চিৰিত থিয় হৈ থাকিল কিছুসময়। তাৰ পিছত সমীহভৰা মাতেৰে মাতিলে "ৰমেশ বোপা আছা নে?" এবাৰ, দুবাৰ, কেবাবাৰ। কোনো প্ৰত্যুত্তৰ নাই। ভিতৰত অৱশ্যে সুখী পৰিয়ালৰ ব্যক্তিৰ স্বাভাৱিক কথা এতবাৰ টুকুৰা তেওঁৰ কাণত পৰি থাকিল। অলপ পিছত কাম কৰা মানুহ এজন ওলাই আহি তেওঁক কি লাগে সুধিলে। ইঞ্জিনীয়াৰ ৰকুৱাক লগ পাব বিচৰাত ক'লে, "চাহাবে ঘৰত কোনো মানুহক দেখা নকৰে।" তেওঁ নিজৰ পৰিচয় ইঞ্জিনীয়াৰ ৰকুৱাক জনাব দিয়াত কাম কৰা মানুহজন ভিতৰলৈ গ'ল। অলপ পিচত ওলাই আহি কলে, 'চাহাবে এতিয়া দেখা কৰিব নোৱাৰে, আপুনি অহাৰ কাৰণটো মোৰ আগত জনাব পাৰে।' ডাক্তৰ প্ৰদীপৰ ফাৰ্মচীত ৰকুৱা চাৰৰ অনুভূতিত যি সৌকাৰ কোৰ পৰিছিল তাৰ বিষটো যেন ইঞ্জিনীয়াৰ ৰমেশৰ ঘৰৰ বাৰাণ্ডাত উক দিবৰ উপক্ৰম কৰিলে। তথাপি তাহতে অনুভূতিখিনি সংযত কৰি তেওঁ কৈ গ'ল—'মোৰ সৰুজনী ছোৱালীৰ আজি তিনিদিন নেবা-নেপেৰা জ্বৰ। ডাক্তৰ নিবলৈ বা ঔষধ কিনিবলৈ টকা এটাও হাতত নাই। সেয়ে তোমাৰ চাহাবৰ পৰা টকা অলপ পাম বুলি আহিছিলোঁ—দান হিচাবেই হওক বা ধাৰ হিচাবেই হওক।' কথাষাৰ শুনাৰ পিচত মানুহজন ভিতৰলৈ সোমাই গ'ল। আৰু অলপ পিচত এখন দুটকীয়া নোট ৰকুৱা চাৰৰ মুখৰ সন্মুখত দাঙি ধৰিলে। বিস্ময় আৰু অপমানত ৰকুৱা চাৰৰ মুখৰ ভিতৰখন অসম্ভৱ তিতা অনুভৱ হ'ল। মূৰটো ঘূৰা যেন লাগিল। যেন ভিতৰৰ সমস্ত নাড়ী-ভুঁৰুখিনি বমি হৈ ওলাই আহিব। এটা বাক্যও ব্যয় নকৰাকৈ মানুহজনৰ ফালে পিঠি দি ৰকুৱা চাৰ লাহে লাহে থৰক-বৰককৈ কম্পাউণ্ডটোৰ পৰা ওলাই আহিল।

তেতিয়া দুপৰীয়া। জপনাখন মেলি ৰকুৱাই যেতিয়া পিৰালিত খোজ দিয়ে ভিতৰত কান্দে ওজাৰ মন্ত্ৰ-ধ্বনিৰ লগতে শুনিবলৈ পালে পৰিবাৰ অঞ্জনা ৰকুৱাৰ মৃদু অথচ আকুল হাঐ বিঐ—আই ঐ মোৰ আইজনীৰ কি হব ঐ প্ৰভু।' ৰকুৱা দ্ৰুত পদেৰে দীপশিখা শুই থকা কোঠালৈ সোমাই গ'ল। ওজাই দীপশিখাৰ মূৰ শিতানত বহি বিহলঙনী জাতীয় গছৰ পাতেৰে দীপশিখাৰ গাত কোবাই মন্ত্ৰ মাতি আছে। বিচনাৰ কাষত থিয় হৈ বাকী কেইটা ল'ৰা ছোৱালীৰ সৈতে অঞ্জনা ৰকুৱাই অপলক নেত্ৰে দীপশিখাৰ ফালে চাই আছে। অঞ্জনা ৰকুৱাৰ দুচকু ওখোহা, চকুলোৰে ভৰা। ৰকুৱাৰ উপস্থিতি গম পায়ো ৰকুৱাৰ ফালে ঘূৰি নাচালে। ৰকুৱাই দেখিলে দীপশিখাৰ চকুৰ তিনিদিন আগতে দেখা ৰশ্মী বহুত হেৰাই গৈছে। তাত এতিয়া লুকা-ভাকু খেলিছে সন্ধিয়াৰ ক'লা ছায়া কিছুমানে। ৰকুৱাই বুকুত হঠাৎ কিবা এটা দাৰুণ বিষ অনুভৱ কৰিলে। বুকুখন দুহাতেৰে হেঁচি ধৰি তেওঁ ঠাইতে বহি পৰিল।

★ ★

# — সমীপেষু —

মিচ্ সবিতা বড়ো
১ম বাৰ্ষিক,
প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী

পত্ৰৰ আৰম্ভণিতে আপোনাৰ স্মৰণৰ কাৰণে মোৰ সামান্য পৰিচয় দোহাৰিলোঁ। আজন্ম দৰিদ্ৰতাৰ পাশত আবদ্ধ হৈ ক্লান্ত হৈ পৰা মই এজন সাধাৰণ ডেকা। মই হাইস্কুলত পঢ়ি থকা অৱস্থাতেই অচিন ব্যাধিত পৰি পিতৃদেৱে আমাক লাও-লোৱা অৱস্থাত চিৰকালৰ বাবে এৰি গৈছিল। আমাক মানে মোৰে সৈতে ভনী দুজনী আৰু মাক। পিতাদেউৰ মৃত্যুৰ পিচত আমাৰ ঘৰখনত চৰম দুৰ্য্যোগ আহি পৰিছিল। খোৱা পিন্ধাৰ অভাৱ ঘৰৰ ডাঙৰ সন্তান হিচাবে ঘৰখনৰ সমস্ত দায়িত্ব পৰিছিল মোৰ গাতে। একশ এবুৰি অভাৱ অতিক্ৰম কৰি অৱশ্যে মই মেট্ৰিক পৰীক্ষাটো পাছ কৰিছিলোঁ। কলেজত পঢ়িবলৈ বৰ হেপাহ আছিল। ভাবিছিলোঁ বিজ্ঞান পঢ়িম পিছে অতি সোনকালে বুজি পালোঁ বাওনা হৈ আকাশৰ তৰালৈ হাত মেলা মুৰ্খামিৰ নামান্তৰ। বিজ্ঞান পঢ়া নহ'ল। পুৱা আৰু গধূলি গাওঁতে তিনিটাকৈ টিউচন কৰি ছয় মাইল আঁতৰৰ কলেজখনত কলা বিভাগতে ভৰ্তি হৈছিলোঁ। সাহিত্য চৰ্চাত সৰু কালৰ পৰাই বাপ থকা বাবেই হব পায় পি, ইউ, প্ৰথম বাৰ্ষিক শ্ৰেণীত পঢ়ি থাকোতে কেইজনমান ছাত্ৰ বন্ধুৱে কলেজৰ আলোচনীখনৰ সম্পাদক হবলৈ নেৰানেপেৰাকৈ ধৰিলে। তেওঁলোকৰ সহায় আৰু শুভেচ্ছাতে অৱশেষত সম্পাদক নিৰ্বাচিতও হলোঁ। বন্ধু-বান্ধৱীৰ দুৱাৰে দুৱাৰে ঘুৰি ফুৰি বহু কষ্টেৰে গল্প, কবিতা, প্ৰবন্ধ আদি সংগ্ৰহ কৰি আলোচনীখন কিছু পলমকৈ হলেও ছপাই উলিয়াইছিলোঁ। নিজে আজন্ম দৰিদ্ৰতাতে বুৰ গৈ থকাৰ বাবেই কিজানি সম্পাদকীয়টো আমাৰ দেশৰ দৰিদ্ৰতাৰ কাৰণ আৰু তাৰ দূৰীকৰণৰ উপায়ৰ ওপৰত লিখিছিলোঁ। অন্যান্য গণ্য-মান্য ব্যক্তিক দিয়াৰ দৰে আলোচনীৰ কপি এটা আপোনালৈও পঠিয়াইছিলোঁ।

তাৰ কিছুদিন পিচত আপোনাৰ অধীনস্থ বিভাগত খালিহোৱা কিছুমান পদৰ বাবে আপুনি আবেদন পত্ৰ বিচাৰি বাতৰি কাকতত জাননী দিছিল। আশাতকৈ নিৰাশাকে বেচি আশ্ৰয় কৰি ময়ো আবেদন কৰিছিলোঁ। আৰু এদিন অপ্ৰত্যাশিতভাৱে আপোনাক দেখা কৰিবলৈ মাতি পঠিওৱা পত্ৰ এখন মোৰ হাতত পৰিল। অন্যান্য বহু

প্ৰাৰ্থীৰ লগত যিদিনা আপোনাক অফিচত দেখা কৰিলোঁ ; সিদিনা অন্যান্য প্ৰশ্নৰ উপৰি মই কলেজ আলোচনীত লিখা সম্পাদকীয়টোৰ কথাকেই আপুনি মোক বেচিকৈ সুধিছিল। সম্পাদকীয়টোৰ সম্বন্ধে খিনি মই কু'ৰ পৰা লৈছিলোঁ বুলি জানিব বিচৰাত প্ৰধানকৈ ব্যক্তিগত জীৱনৰ পৰা লোৱা বুলি কোৱাত এক মুহূৰ্তৰ বাবে আপোনাৰ চকু মোৰ মুখৰ ওপৰত থৰ লাগি ৰৈছিল। তাৰ পিচত আপুনি মোক আহিবলৈ অনুমতি দিছিল।

তাৰ কেইদিনমান পিছতে গ্ৰাম সেৱক হিচাপে মই নিযুক্তি পাইছিলোঁ। নিযুক্তি পোৱাৰ কিছুদিন পিছতে আপোনাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গ্ৰাম সেৱকসকলৰ সভা এখনত উপস্থিত থকাৰ সৌভাগ্য হৈছিল। গ্ৰাম সেৱকসকলক উদ্দেশ্য কৰি আপুনি কৈছিল "আমাৰ দেশৰ ভিতৰুৱা অঞ্চলবিলাক এতিয়াও অতি পিচ পৰি আছে। সেইবিলাক অঞ্চলৰ বাইজে খেতি বাতি, শিক্ষা, স্বাস্থ্য আদিৰ বহু কথাই আজিও নজনাকৈয়ে আছে। আপোনালোকে এই অঞ্চলবোৰলৈ গৈ তাৰ ৰাইজক বুজাই মেলি এইবোৰ বিষয়ত প্ৰাথমিক জ্ঞান দান কৰাৰ উদ্দেশ্যে আপোনালোকক এই চাকৰিত মকৰল কৰা হৈছে। এইবোৰ কামত নিশ্চয় আপোনালোকৰ কষ্ট আছে। কিন্তু সেৱাৰ মনোভাবলৈ আপোনালোকে কাম কৰিলে বিমল আনন্দও লাভ কৰিব ..।" চাৰ, সঁচাকৈয়ে আপোনাৰ কথাবিলাকে সেইদিনা মোৰ অন্তৰত প্ৰবল অনুপ্ৰেৰণাৰ সৃষ্টি কৰিছিল। সেয়ে যি ডোখৰ ঠাইত মই প্ৰথম নিযুক্তি পালোঁ তাত মই প্ৰচুৰ উৎসাহ আৰু উদ্দীপনাৰে কাম আৰম্ভ কৰিলোঁ। দেখিলোঁ, অঞ্চলটোত বেচি ভাগ জনজাতীয় লোকে বাস কৰে। কিন্তু এই অঞ্চলৰ কিছুমান মানুহে আৰ্থিক, শৈক্ষিক, সাংস্কৃতিক দিশত ইমান পিচপৰি আছে যে দেখিলে কিবা এক বেদনাত বুকুখন হাহাকাৰ কৰি উঠে। গাওঁৰ বাট পথ বিলাক সৰু সৰু। মটৰ গাড়ী আদি যান বাহন চলিব নোৱাৰে। বাটৰ দুয়ো কাষৰ খেতি পথাৰবোৰ পানীৰে ভৰা। মানুহখিনিয়ে পুৰণি নাঙল যুৱলিৰেই খেতি কৰে। বিজ্ঞানসন্মত খেতিৰ সা-সজুলিৰ কথা তেওঁলোকে ভাবিবই নোৱাৰে। কেৱল মাত্ৰ জীয়াই থকাৰ বাবেহে তেওঁলোকে খেতি কৰে। প্ৰথমতে অলপ দিগদাৰ লাগিছিল যদিও আজিকালি মই তেওঁলোকৰ মাজত ভালকৈয়ে সোমাই পৰিছোঁ। চাৰ, প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থাও ইয়াত নাই। ভাল চিকিৎসা ব্যৱস্থাৰ কথাটো নকওঁৱেই। টান অসুখ হলে টকা পইচা থকা দুই এঘৰে দূৰণীৰ লক্ষ্মীপুৰ চিকিৎসালয়লৈ চাপলি মেলে। কিন্তু সৰভাগ মানুহে কুকুৰ মেকুৰী মৰাদি নিঃসহায় আত্মীয়-স্বজনৰ চকুৰ আগতে কেঁকাই গোঁথাই মৰি যায়।

গাওঁবোৰৰ ভিতৰুৱা অঞ্চলবোৰত এনেকুৱা কিছুমান ঠাই আছে য'ত এতিয়াও তিৰোতা বিলাকে চোতালত বন্ধা-বঢ়া কৰে। বেলেগে তেওঁলোকৰ ৰান্ধনী ঘৰ নাই। খোৱা পানীৰ ব্যৱস্থা আৰু বেচি বেয়া। পৰিস্কাৰ পৰিচ্ছন্নতাৰ অভাৱ হেতু সৰহভাগলোক সঘনে মেলেৰিয়াত আক্ৰান্ত হয়। তেওঁলোক কৰ্মব্যস্ত যদিও তেওঁলোকৰ মাজত জীয়াই থকাৰ প্ৰেৰণা যেন কমি আহিছে। ভাব হয়, জীয়াই থাকিব লাগে কাৰণেহে

যেন তেওঁলোক জীয়াই আছে। চাৰ, তেওঁলোকৰ বিষয়ে আৰু কিমান লিখিম? লিখি উলিয়ালে এখন সৰু সুৰা উপন্যাসেই হব যেন পাইছোঁ। আৰু আপুনি নিজেও সেই বিষয়ে যথেষ্ট জানে। কিন্তু এই চিঠিখন লিখাৰ উদ্দেশ্য উপন্যাসজাতীয় কিবা এটি লিখা অথবা নিন্দাৰ প্ৰশংসা কৰা কোনোটোৱে নহয়। উদ্দেশ্য হ'ল, আপোনাৰ পৰা এটা প্ৰশ্নৰ সমিধান বিচৰাহে। আপুনি মোক বা মোৰ নিচিনা আন গ্ৰামসেৱকবিলাকক চাকৰিত নিয়োগ কৰি মোৰ বা মোৰ নিচিনা দুষ্ট পৰিয়াল কিছুমানক সংস্থান দিয়াত সহায় কৰিলে। কিন্তু হেজাৰ হেজাৰ ৰাইজক সেৱা কৰাৰ যি মহান উদ্দেশ্যেৰে আমাক নিযুক্তি দিয়া হ'ল সেই উদ্দেশ্যটো জানো পূৰণ হৈছে? বিলাবলৈ দিয়া শস্যবীজ, সাৰ আদি যেতিয়া অজ্ঞাত কাৰণত সঘনে ঘাপ্তি পৰি থাকে, বানপানীৰ পিছত মহামাৰীৰ বাবে দিয়া ঔষধ পত্ৰ, কম্বল আদিৰ বহুলাংশ যেতিয়া ৰহস্যজনকভাবে অন্তৰ্দ্ধান হয়, খেতি কৰিবলৈ ট্ৰেক্টৰ বিচাৰি কৰা খেতিয়কৰ দৰ্খাস্ত যেতিয়া অফিচৰ ফাইলৰ ৰঙা ফিটাৰ মাজত বছৰৰ পিচত বছৰ আবদ্ধ হৈ থাকে তেতিয়া চাকৰিটোৰ বিনিময়ত পোৱা পইচা কেইটা লোৱাৰ নৈতিক সাহস হেৰাই যায়। সেয়ে বৰ বিবুধিত পৰিছোঁ চাৰ? বৰ বিব্ৰত হৈছোঁ। বৰ অস্বস্তিত দিন নিয়াইছোঁ। আশা কৰোঁ কাৰ্যকৰী কিবা সমিধান দি এই অস্বস্তিৰ নিৰাময় কৰিব। ইতি—

আপোনাৰ বিশ্বাসী
বিব্ৰত বৰুৱা।

## প্ৰবন্ধ

# ঊনবিংশ শতিকাৰ অসমৰ শিক্ষা জগতখন

ডঃ বাণীকান্ত শৰ্মা,
গুৱাহাটী বিশ্ববিদ্যালয়।

অসমৰ ইতিহাসত ঊনবিংশ শতিকাটো চৰম দুৰ্দশা আৰু দুৰ্যোগৰ শতিকা। ছশ বছৰীয়া আহোম ৰাজত্বৰ শেষ কেইদশকমানত স্বেচ্ছাচাৰী আৰু দুৰ্বলচেতা আহোম ৰজাসকলৰ অকৰ্মন্যত, ৰাজবিষয়াসকলৰ পাৰস্পৰিক কন্দল, ঈৰ্ষা আৰু হিংসাৰ পৰিণতি স্বৰূপে গোটেই দেশতে আহোম ৰাজশক্তি সোলোক-ঢোলোক হৈ পৰিছিল। ৰাজশক্তিৰ অত্যাচাৰ আৰু উৎপড়ীড়ত দেশৰ এক বৃজন সংখ্যক বৈষ্ণৱপন্থী প্ৰজা বিতুপ্ত হৈছিল। খামতী-ছিংফোসকলৰ অত্যাচাৰ আৰু উত্তৰ কামৰূপত বৰকাণ্ডাজবোৰে চলোৱা অত্যাচাৰৰ ফলত সৰ্বসাধাৰণ প্ৰজাৰ জীৱনৰ নিৰাপত্তা নোহোৱা হৈছিল। ইফালে ঘৰবিভীষণ বদন বৰফুকনৰ আমন্ত্ৰণক্ৰমে অহা মানবাহিনীয়ে জনসাধাৰণৰ ওপৰত যি অকথ্য আৰু বৰ্বৰ অত্যাচাৰ চলাইছিল সি নাৎসি এ ( Nazi ) ইহুদীৰ ওপৰত কৰা অত্যাচাৰতকৈ কোনো গুণে কম নাছিল। স্বদেশ প্ৰেমী মণিৰাম বৰভাণ্ডাৰ বৰুৱা দেৱানৰ "বুৰঞ্জী বিবেকৰত্ন" গ্ৰন্থত মানৰ বৰ্বৰতাৰ বিষয়ে লিখা আছে—

"ধনী মানুহক আক্ৰমণ কৰোঁতে মানুহজনক জৰিৰে বান্ধি গাত জুই লগাই দিছিল। ৰাজপথেৰে যোৱা কোনো নাৰীয়ে মানৰ লোলুপ দৃষ্টিৰ হাত সাৰিব নোৱাৰিছিল। ব্ৰাহ্মণসকলক মদ, গাহৰি আৰু গো মাংসৰ ভাৰ বব দিছিল। গোঁসাইসকলৰ যথাসৰ্বস্ব অপহৰণ কৰি নিছিল। যিবিলাক ৰাজনৰ্ত্তকীক ভাৰ্য্যাৰূপে সিহঁতে গ্ৰহণ কৰিছিল সিবিলাকৰ বাপেকবোৰক উচ্চ বিষয়াৰ বাব যাচিছিল।"

অকল সেয়েই নহয়; অবাৰিত লুণ্ঠন আৰু হত্যাকাণ্ড সংঘটিত কৰি মানে অসমৰ পৰা ৩০,০০০ অসমীয়াক বন্দী কৰি ব্ৰহ্মদেশলৈ লৈ গৈছিল। নাৰী আৰু শিশুও ৰক্ষা পৰা নাছিল। হাজাৰ হাজাৰ পৰিয়াল নিশ্চিহ্ন হৈছিল; বহুতে নিজৰ ঘৰদুৱাৰ এৰি পলাই গৈ প্ৰাণ-ৰক্ষা কৰিছিল। খেতি-বাতি, শিল্প-বাণিজ্য, শিক্ষা-দীক্ষা সকলো সমূলে ধ্বংসৰ মুখত পৰিছিল।

এনেকুৱা ৰাজনৈতিক অস্থিৰতা, সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ অচলাৱস্থাৰ পৰা অসমৰ জন-সাধাৰণক পৰিত্ৰাণ কৰিবলৈ অপাৰাগি

আহিছিল ইংৰাজসকল। সাম্রাজ্য বিস্তাৰৰ মূল লক্ষ্য যদিও মূলতঃ ইংৰাজসকলৰ মনত আছিল তথাপিও তেওঁলোকে ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনস্থ দেশৰ নিৰাপত্তাৰ হেতু মান বাহিনীক অসমৰ পৰা বিতাৰিত কৰি ১৮২৬ খ্রীষ্টাব্দৰ ২৬ ফেব্রুৱাৰীত মান দেশৰ ৰজাৰ সৈতে ইয়াণ্ডাবু চুক্তি সম্পাদন কৰি অসমবাসীক মানৰ উৎপীড়নৰ পৰা ৰক্ষা কৰাৰ উপৰিও কোম্পানীৰ শাসনাধীন ৰাজ্যাঞ্চল নিষ্কণ্টক কৰিছিল। মানৰ কবলৰ পৰা অসম উদ্ধাৰ কৰা কাৰ্য্যত ইংৰাজসকলক সন্মত কৰাইছিল অসমহিতৈষী আৰু দৰদী প্ৰবীণ ইংৰাজ প্ৰশাসক ডেভিড স্কটে। ডেভিড স্কটে মান বহিস্কাৰৰ আচনিখন যুগুত কৰিছিল আৰু স্কটক এই কামত সহায় কৰিছিল স্বদেশপ্ৰেমী মণিৰাম দেৱানে। মনিৰাম দেৱানে কিন্তু মাতৃভূমিৰ স্বাধীনতা ইংৰাজৰ ওচৰত বিক্ৰী কৰিব খোজা নাছিল, তেওঁ পুণঃ আহোম ৰাজশক্তিৰে প্ৰতিষ্ঠা হোৱাটো বিচাৰিছিল। কিন্তু তেওঁৰ স্বপ্ন দিঠকত পৰিণত নহ'ল। ডেভিড স্কটৰ পৰিকল্পনা অনুসৰিয়ে ১৮২৮ খ্রীষ্টাব্দত নামনি অসম ইংৰাজৰ শাসনাধীন হ'ল। ১৮৩১ খ্রীষ্টাব্দত স্কটৰ অকাল বিয়োগ হ'ল। ইংৰাজ বিষয়াসকলে দিয়া পৰামৰ্শ অনুসৰি ১৮৩৮ খ্রীষ্টাব্দত গোটেই উজনি অসমখনো ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনাধীন কৰি লৈছিল।

যদিওবা অসমবাসীৰ স্বাধীনতা বিসৰ্জন দিবলৈ উৎসুক নাছিল তথাপি মানৰ আক্ৰমণত উৎপীড়িত আৰু জৰ্জৰিত অসমবাসীয়ে আপততঃ ইংৰাজৰ অধীনত শান্তিৰ ছায়াছত্ৰৰ আশ্ৰয়ত ক্ষন্তেকৰ কাৰণে হলেও স্বস্তিৰ নিশ্বাস পেলাইছিল। প্ৰাকৃতিক মহাদুৰ্যোগৰ অন্তত প্ৰকৃতি দেৱীয়ে নতুনকৈ সৃষ্টিৰ পাতনি মেলাৰ নিচিনা অসমবাসীয়েও চৰম বিপৰ্য্যয়, লাঞ্ছনা আৰু নিষ্পেষণ অতিক্ৰম কৰি পুনশ্চ শিক্ষা-দীক্ষা, শিল্প-বাণিজ্যৰ প্ৰতি চকু দিবলৈ সাজু হ'ল। মানব জাতিৰ শিক্ষা জগতখন অমৰ; শিক্ষানুষ্ঠানৰ ধ্বংস হলেও বিদ্বানসকলে সকলো বিদ্যাৰ ভাৰ বহন কৰি শিক্ষা সঞ্জীৱিত কৰি ৰখাৰ দৃষ্টান্ত অকল ভাৰততেই নহয় অন্যান্য সুসভ্য জাতিৰ ইতিহাসতো পোৱা যায়। অসমৰ পণ্ডিত, বিদ্বান আৰু বিদ্যানুৰাগী ব্যক্তিসকলে অতি প্ৰাচীন কালৰে পৰা দেশীয় পদ্ধতিত চলাই অহা আনুষ্ঠানিক শিক্ষাৰ মূল জঁকাটোৰ পুণঃ প্ৰাণ সঞ্চাৰ কৰিলে। গোহাঁই মহন্তসকলৰ সত্ৰ, ব্ৰাহ্মণ পণ্ডিত সকলৰ টোল বা পাঠশালা আৰু অন্যান্যৰ দ্বাৰা পৰিচালিত পঢ়াশালিলৈ ছাত্ৰসকলে শিক্ষা লাভ কৰিবলৈ আহিব ধৰিলে। উক্ত শিক্ষানুষ্ঠান সমূহত ধৰ্মবিষয়ক আৰু নীতিবিষয়ক শিক্ষাদান কৰি সচ্চৰিত্ৰবান ব্যক্তি গঢ়ি তোলাটোৱে তেতিয়াৰ সমাজৰ শিক্ষাৰ মূল লক্ষ্য আছিল। টোল আৰু পাঠশালাবোৰত সংস্কৃত ভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰা হৈছিল। ব্যাকৰণ, কাব্য, স্মৃতি, জ্যোতিষ, কৰ্মকাণ্ড, দৰ্শন আদি শাস্ত্ৰৰ চৰ্চা প্ৰায়বোৰ পাঠশালাত হৈছিল। আধুনিক যুগৰ পাঠ্যক্ৰমে এই দেশীয় শিক্ষানুষ্ঠানবোৰত ভুমুকি তেতিয়াও মৰা নাই।

ইংৰাজসকলে আমাৰ দেশৰ শাসনভাৰ গ্ৰহণ নকৰালৈকে আৰু মিছনেৰীসকলৰ আগমন

নোহোৱালৈকে অসমবাসীৰ কাৰণে পাশ্চাত্য শিক্ষাৰ দুৱাৰ মুকলি হোৱা নাছিল । কিন্তু অসমৰ সীমাবৰ্ত্তী তেতিয়াৰ বঙ্গদেশত পাশ্চাত্য শিক্ষাৰ দুৱাৰ অষ্টাদশ শতিকাৰ শেষাৰ্দ্ধতেই উন্মুক্ত হৈছিল । অসম উদ্ধাৰৰ হোতা স্কটে অসমৰ পাৰ্ব্বত্য অঞ্চলৰ জন-জাতিৰ শিক্ষাৰ উদ্দেশ্যে পাশ্চাত্য পদ্ধতিৰ শিক্ষানুষ্ঠান স্থাপনৰ হকে আঁচনি হাতত লৈছিল, কিন্তু চৰকাৰৰ সমৰ্থিত নীতিৰ পৰিপন্থী বুলিয়েই বৰ সফল নহ'ল । তেওঁ সেইকাৰণে শ্ৰীৰামপুৰ মিছনৰ সৈতে যোগাযোগ স্থাপন কৰিছিল । শ্ৰীৰামপুৰ মিছনৰ পৰম উৎসাহী ডঃ উলিয়ম কেৰীয়ে জেমছ ৰে নামৰ এজন মিছনেৰীক অসমত খ্ৰীষ্ট ধৰ্মৰ বাণী প্ৰচাৰ কৰাৰ উদ্দেশ্যে ১৮২৯ খ্ৰীষ্টাব্দত অসমলৈ পঠাইছিল । তেওঁ আহি প্ৰথমতে গুৱাহাটীত উপস্থিত হৈছিল । গুৱাহাটীতেই স্কটৰ পৰামৰ্শ অনুসৰি কেইজনমান ইংৰাজ ভদ্ৰলোকৰ সহযোগত 'গৌহাটী মিছন স্কুল' নাম দি ১৮৩০ খ্ৰীষ্টাব্দত প্ৰথম পাশ্চাত্য শিক্ষাৰ স্কুল স্থাপন কৰিছিল । স্কটে নিজে ছাত্ৰ সংগ্ৰহ কৰি আনিছিল । স্কুলখনৰ ছাত্ৰ সংখ্যা ১২ জন ; ইয়াৰে ৩ জন খাছি আৰু ৯ জন গাৰো । পিছত ছাত্ৰ সংখ্যা ২০ জন হৈছিল।

এই স্কুলখনত ইংৰাজী ভাষাৰ বাহিৰে বঙালী ভাষা শিকোৱা হৈছিল। বঙালী ভাষা শিকোৱাৰ সপক্ষে ইংৰাজসকলৰ যুক্তি আছিল এইটোৱে যে সেইসময়ত অসমীয়া ভাষাত কোনো পাঠ্যপুথি ছপা হৈ ওলোৱা নাছিল : অসমীয়া ভাষাত ১৮১৩ খ্ৰীষ্টাব্দতে পণ্ডিত আত্মাৰাম শৰ্মাৰ সহায়ত ডঃ উলিয়ম কেৰীয়ে অসমীয়ালৈ অনুবাদ কৰা বাইবেলৰ নিউ টেষ্টামেণ্টখন ( ধৰ্মপুস্তক নামে প্ৰকাশিত ) আৰু দুখনমান খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ পুস্তিকাৰ বাহিৰে কোনো অসমীয়া গ্ৰন্থ ছপা হোৱা নাছিল । শ্ৰীৰামপুৰ মিছনে বঙালী ভাষাত প্ৰকাশিত স্কুলীয়া পাঠ্যপুথিৰ যোগান ধৰাৰ উপৰিও কিছুমান অসমীয়া ভাষাত লিখা খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰ পুস্তিকা অসমলৈ অসমীয়া বাইবেলসহ জেমছ ৰেলৈ পঠাইছিল । জেমছ ৰেক কেপ্তেইন জেন্‌কিন্‌ছে মিকিৰ পাহাৰতো স্কুল স্থাপন কৰিবলৈ খাটনি ধৰিছিল ।

কিন্তু সেই সময়ত শ্ৰীৰামপুৰ মিছনৰ আৰ্থিক অৱস্থা শোচনীয় হৈ পৰা বাবে জেমছ ৰেৰ স্কুল স্থাপনৰ আশা মনতে বিলীন হব লগা হ'ল । ১৮৩৭ খ্ৰীষ্টাব্দত মিছনেৰীৰ কাম অব্যাহতি দি পেটৰ দায়ত চৰকাৰী চাকৰি ল'বলগীয়া হৈছিল । তেওঁক সহায় কৰিবলৈ অহা উইলিয়ম ৰবিনছন নামৰ মিছনেৰীজনৰো সেই একেই দশা হৈছিল । তেওঁ চৰকাৰী শিক্ষকৰ পদ গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল । তেওঁ মিষ্টাৰ ছিঙ্গাৰে অৱসৰ লোৱাৰ পিছতেই গৌহাটী মিছনেৰী ( বৰ্তমানৰ কটন কলেজিয়েট স্কুলৰ ) হেডমাষ্টৰৰ পদ গ্ৰহণ কৰিছিল। পিছত স্কুল ইনস্‌পেক্টৰ হিচাবে প্ৰায় দুই দশকৰো অধিক কাল তেওঁ অসমত আছিল । তেওঁ অসমীয়া ভাষা অসমৰ পৰাউঠাই দিয়াৰ সপক্ষে চৰকাৰৰ ওচৰত যুক্তি দাঙি ধৰিছিল । কিন্তু বেপ্‌টিষ্ট মিছনেৰী সকলে তেওঁৰ সকলো যুক্তি খণ্ডন কৰি অসমীয়া ভাষাৰ স্বাতন্ত্ৰ্য ৰক্ষাত অকুণ্ঠ সমৰ্থন আগবঢ়াইছিল ।

অসমত পাশ্চাত্য শিক্ষা বিস্তাৰৰ কাৰণে

ডেভিদ স্কটে এক চিৰস্মৰণীয় ভূমিকা গ্ৰহণ কৰিছিল। ইংৰাজসকলে শাসনভাৰ গ্ৰহণ কৰাৰ লগে লগে আদালত কাৰ্য্যালয় আদিৰ কাম পৰিচালনা কৰিবলৈ এক শ্ৰেণীৰ ইংৰাজী ভাষা জনা আমোলাৰ আৱশ্যক হৈছিল আৰু সেই কাৰণে ইংৰাজসকলে বঙ্গদেশৰ পৰা বহু সংখ্যক আমোলা কেৰাণী আমদানি কৰিবলগীয়া হৈছিল। কিন্তু আমদানি কৰা আমোলা আৰু কেৰাণীৰ উপনিবেশৰ দ্বাৰা শাসন কাৰ্য্য সুকলমে চলোৱাটো যে সম্ভৱপৰ নহয় সেই কথা ডেভিড স্কটে হাড়ে হিমজুৱে উপলব্ধি কৰি ইংৰাজী স্কুল স্থাপনৰ বাবে আঁচনি গ্ৰহণ কৰিছিল; স্কটে ভালদৰে উপলব্ধি কৰিছিল যে অসমৰ অধিবাসীসকলে আৰু বিশেষকৈ পূৰ্বৰ ৰাজবিষয়াসকলৰ বংশধৰ সকলে যদি প্ৰশাসনীয় কাৰ্য্যত বা আদালতত নিযুক্তি নাপায় তেনেহলে স্বাভাৱিকতেই তেওঁলোকে ইংৰাজৰ বিৰুদ্ধাচৰণ কৰিবলৈ উদ্যত হব। ইতিমধ্যে যদিও ইষ্ট ইণ্ডিয়া কোম্পাণীয়ে শিক্ষা বিষয়ে কোনো খাটাং নীতি গ্ৰহণ কৰা নাছিল তথাপি বঙ্গদেশত মিছনেৰীসকলে শিক্ষা বিস্তাৰৰ হেতু লোৱা ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি স্কটেও মিছনেৰীসকলৰ সহায়ত স্কুল স্থাপন কৰাই শিক্ষা বিস্তাৰ কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

স্কটে দেশীয় শিক্ষা পদ্ধতিৰ আহিতেই শিক্ষা বিস্তাৰৰ আঁচনি গ্ৰহণ কৰিবলৈ ১৮২৬ খ্ৰীষ্টাব্দৰ আদি ভাগতেই নামনি অসমৰ বিভিন্ন ঠাইত কেইখানো দেশীয় স্কুল (Indigenous School) প্ৰতিস্থাৰ বাবে কোম্পাণীৰ চৰকাৰক বাধ্য কৰাইছিল। গুৱাহাটী, নীলাচল, নদুৱাৰ, পাটীদৰং, হাজো, বজালী, শিলা, বিশ্বনাথ, নগাওঁ আৰু মঙ্গলদৈত এই স্কুলবোৰ প্ৰতিষ্ঠিত হৈছিল। এই স্কুলবোৰত অধ্যয়ন কৰা বহুতো ছাত্ৰক কলেক্টৰ আডাম হোৱাইটো চৰকাৰী চাকৰিত মকৰল কৰিছিল। উক্ত স্কুলবোৰত সংস্কৃত ভাষা আৰু শাস্ত্ৰৰ অধ্যায়ন মুখ্য ভাবে হৈছিল; সেইবোৰৰ কিছুমানত গণিত, চিকিৎসা আৰু জ্যোতিষ বিদ্যাবো পাঠ্য অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰাথমিক বিজ্ঞানৰ ইংৰাজী ভাষাত ৰচিত কিতাপবোৰ ছাত্ৰবোৰে পঢ়িবৰ ভাল পাইছিল। ইংৰাজী ভাষা শিকি প্ৰশাসনীয় কামত যোগদান কৰাৰ সুযোগ পাইছিল।

এই স্কুলবোৰত বঙালী ভাষা শিকোৱা হৈছিল। কিয় বাৰু ডেভিড স্কট অসমীয়া ভাষাৰ পৰিবৰ্তে বঙালী ভাষা স্কুলবোৰত শিকোৱাৰ ব্যৱস্থা কৰিছিল? স্কট বোধহয় ভাবিছিল— (১) বঙালী ভাষা শিকিলে ছাত্ৰসকলে বিষয়বাব পোৱাৰ সুবিধা হব; (২) অসমীয়া আৰু বঙালী ভাষাৰ মাজত কোনো পাৰ্থক্য নাই; (৩) বঙালী ভাষা অসমীয়া সমাজৰ বুদ্ধিজীৱীসকলে ভালদৰে বুজি পায়; (৪) তেতিয়াৰ অসমৰ উচ্চভিলাষী ডেকাসকলে কলিকতাত অধ্যয়ন কৰা হেতুকে বঙালী ভাষা ভালদৰে আয়ত্ব কৰিব পাৰিছিল। তদুপৰি বঙালী-ভাষাত পাঠ্যপুথি আৱশ্যকীয় পৰিমাণে পোৱা হৈছিল।

সম্ভৱতঃ প্ৰবীন অসমীয়া বিষয়া হলিৰাম ঢেকিয়াল ফুকনৰ বঙালী-ভাষাত প্ৰণীত "অসম বুৰঞ্জী" খন কলিকতাৰ বাতৰি কাকতত অতিশয় প্ৰশংসিত হোৱাটোও স্কটৰ দৃষ্টিগোচৰ হৈছিল। যজ্ঞৰাম ফুকনৰ ইংৰাজী গদ্য-পদ্যৰ বঙালী অনুবাদো উচ্চ প্ৰশংসিত হৈছিল।

স্কটে স্কুল সমূহৰ শিক্ষকসকলক দৰ্মহা টকাৰে দিয়াৰ পৰিবৰ্তে স্থাবৰ সম্পতিৰে দিয়াৰ পৰামৰ্শ আগবঢ়াইছিল। কাৰণ এনে পদ্ধতিৰে শিক্ষক নিয়োগ কৰিলে চৰকাৰী ধনৰ ব্যয় কম হব আৰু শিক্ষকসকলেও এই নীতি সাদৰে গ্ৰহণ কৰিব বুলি স্কটে দৃঢ়ভাবে বিশ্বাস কৰিছিল। তেওঁৰ এই পৰামৰ্শ গ্ৰহণ কৰি চৰকাৰে প্ৰতিজন শিক্ষকৰ অধীনত ৩০ জনকৈ ছাত্ৰই পঢ়াৰ ব্যৱস্থা কৰি আৰু প্ৰতিজন শিক্ষককে ৩০ পূৰাকৈ ৰাজহ-বিহীন মাটিৰ ভোগদখল দিয়াৰ ব্যৱস্থা কৰিছিল।

১৮৩১ খ্ৰীষ্টাব্দত স্কটৰ অকাল বিয়োগ হয়। ১৮৩২ খ্ৰীষ্টাব্দত স্কটৰ ঠাইত ৰবাৰ্টছন কোম্পাণীৰ এজেন্ট নিযুক্ত হয়। তেওঁ দেখিলে বঙ্গদেশৰ পৰা আমোলা কেৰাণী আমদানি কৰি প্ৰশাসনীয় কাৰ্য্য চলোৱাটো অতিশয় কণ্টকৰ; সেইকাৰণে তেওঁ ম'ৰাভিয়ান মিছনেৰীসকলৰ সাহায্যত কিছুমান স্কুল স্থাপনৰ উদ্দেশ্যে কোম্পাণীৰ ৰৰমূৰীয়াসকললৈ আবেদন জনালে; কিন্তু অসমবাসীলোকৰ ধৰ্মত হস্তক্ষেপ হোৱাৰ আশঙ্কাত ৰবাৰ্টছনৰ এই আঁচনি কাৰ্য্যকৰী নহ'ল।

১৮৩৪ খ্ৰীষ্টাব্দত কেপ্তেইন জেন্‌কিনছে অসমৰ এজেন্ট হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই দেশৰ প্ৰশাসনৰ বাবে বঙ্গদেশৰ পৰা আমদানি কৰা লোকৰ দ্বাৰা কাম চলোৱাটো যে বৰ মস্কিলৰ বিষয় তাক ভালদৰে উপলব্ধি কৰিছিল আৰু ইতিমধ্যে যিসকল আহোম ৰাজঘৰীয়া বিষয়বাব খোৱা লোক আছিল সেইসকলে যে মনে মনে অতিশয় অসন্তুষ্ট হৈ পৰিছিল সেই কথাও তেওঁৰ চকুত পৰিছিল। সেই কাৰণেই জেন্‌কিনছে প্ৰথমতে কিছুমান বছা বছা ছাত্ৰক কলিকতাত পাশ্চাত্য শিক্ষা গ্ৰহণ কৰিবলৈ পঠোৱাৰ সিদ্ধান্ত লৈছিল। ইফালে ইংৰাজৰ তত্বাৱধানত গোৱালপাৰা, গুৱাহাটী, নগাওঁ, দৰং আৰু বিশ্বনাথত ইংৰাজী স্কুল প্ৰতিষ্ঠাৰ কাৰণে আঁচনি দাখিল কৰিলে। লগতে জেলৰ কয়েদী সকলৰ সহায়ত কম খৰচতে দেশৰ জলবায়ুৰ লগত খাপখোৱাকৈ স্কুলঘৰ তৈয়াৰ কৰাই পৰামৰ্শ আগবঢ়াইছিল। তদুপৰি স্কুলবোৰত বঙালী আৰু ইংৰাজী শিকাবৰ বাবে উপযুক্ত শিক্ষক মাহিলি ৩০ টকা দৰমহাত বঙ্গদেশৰ পৰা অনাবো পৰামৰ্শ দাঙি ধৰিছিল। এই আঁচনিত মুঠ ব্যয় ১২০০০ টকা হব বুলি ধৰা হৈছিল। তেওঁ ভাবিছিল যে এনে ব্যৱস্থাৰ ফলত এনে ধৰণৰ স্কুলৰ পৰা ওলোৱা ছাত্ৰৰ দ্বাৰা ভবিষ্যতে চৰকাৰী চাকৰিত পদ পূৰণ কৰিব পাৰিব আৰু আনফালে অসমীয়া সকলে শিক্ষাৰ নতুন দিগন্তত পদক্ষেপ কৰিব পাৰিব।

জেন্‌কিন্‌ছৰ এই আঁচনি যেনিবা এক শুভ-লগ্নত আৰম্ভ হৈছিল; কিয়নো তেতিয়াৰ ইংৰাজ চৰকাৰে ভাৰতত প্ৰাচ্য বা পাশ্চাত্য শিক্ষাৰ কোনটোক মূল ভেটি হিচাপে লৈ শিক্ষা বিস্তাৰ কৰিব তাৰ নীতি নিৰ্দ্ধাৰণ কৰা নাছিল। ১৮৩৫ খ্ৰীষ্টাব্দত লৰ্ড মেকলেৰ যুক্তি আৰু ৰাজা ৰাম-মোহন ৰায় প্ৰভৃতি দূৰদৰ্শী ব্যক্তিৰ সমৰ্থন ক্ৰমে পাশ্চাত্য শিক্ষা বিস্তাৰৰ নীতি চৰকাৰে ঘোষণা কৰাৰ ফলত ইংৰাজী স্কুল স্থাপন কৰাৰ পথ সুগম হৈ পৰিল।

কেপ্তেইন জেন্‌কিন্‌ছৰ আঁচনিখন সম্পূৰ্ণভাৱে

গৃহীত নহলেও আংশিকভাৱে অনুমোদিত হ'ল আৰু তাৰেই ফলশ্ৰুতি হিচাপে ১৮৩৫ খ্ৰীষ্টাব্দৰ জুলাই মাহত মিষ্টাৰ ছিঙ্গাবক ১৫০ টকা দৰ্মহাত প্ৰধান শিক্ষক হিচাপে নিযুক্তি দি "গৌহাটী ছেমিনেৰী" নামে বৰ্তমানৰ কটন কলেজিয়েট স্কুলখন প্ৰতিষ্ঠাপিত কৰে। প্ৰথমতে ছাত্ৰ সংখ্যা আছিল ৫৮ জন; কিন্তু তাৰে ১৯ জনে স্কুল এৰি গৈছিল; সম্ভবতঃ ইংৰাজী ভাষাৰ দুৰ্বোধ্যতাৰ ফলতেই আৰু আৰ্থিক শোচনীয়তাৰ বাবে তেওঁলোকে স্কুল এৰিছিল।

ইতিমধ্যে ইংৰাজী শিক্ষাৰ প্ৰতি সমাজৰ উচ্চ খাপৰ লোকৰ আগ্ৰহ আৰু ধাউতি বাঢ়ি আহিল। গুৱাহাটী আৰু ইয়াৰ আশে-পাশে স্কুল স্থাপনৰ বাবে দাবী উত্থাপিত হৈছিল। সেই কাৰণেই কেইখনমান শাখা স্কুল স্থাপিত হৈছিল। ১৮৪১ খ্ৰীষ্টাব্দত এই স্কুলবোৰৰ ছাত্ৰ সংখ্যা ছুশৰো অধিক হৈছিল। ১৮৪১ খ্ৰীষ্টাব্দত শিৱসাগৰত অসমৰ দ্বিতীয়খন ইংৰাজী স্কুল প্ৰতিষ্ঠাপিত হয়; মিষ্টাৰ ডি চৌ'জা আছিল ইয়াৰ প্ৰথম প্ৰধান শিক্ষক।

যদিওবা ইংৰাজী স্কুল স্থাপিত হৈছিল তথাপি জনসাধাৰণে তাৰ সুফল লাভ কৰিব পৰা নাছিল, কিয়নো এই স্কুলবিলাক তেওঁলোকৰ ঘৰৰ-পৰা বহু দূৰত অৱস্থিত। সেই হেতুকে মাতৃ ভাষাৰ স্কুল স্থাপনৰ দাবী-সঘনে উত্থাপিত হৈছিল। কামৰূপৰ কলেক্টৰ লেফ্‌টেনেন্ট ব'গলে এনে ধৰণৰ অৰ্থাৎ মাতৃভাষাৰ স্কুল স্থাপনৰ দ্বাৰা সৰ্ব-সাধাৰণৰ বৰ উপকাৰ হব বুলি ভাবিছিল আৰু তেওঁ সৰ্বান্তঃকৰণে বিশ্বাস কৰিছিল যে মাতৃ-ভাষাৰ স্কুলত শিক্ষা লাভ কৰি পিছত ইংৰাজী শিকিবলৈ ছাত্ৰসকলৰ সুবিধা হব। তদুপৰি ছাত্ৰসকলে এই শিক্ষা সমাপ্ত কৰাৰ পিছতেই চৰকাৰৰ ৰাজহ বিভাগত নিযুক্তিও পাব বুলি তেওঁ নিশ্চয় কৰিছিল।

এই প্ৰসঙ্গত এটা কথা উল্লেখ কৰা উচিত হব যে ১৮৩২-৩৩ খ্ৰীষ্টাব্দত কামৰূপ জিলাত মাটিৰ মালিকসকলক চৰকাৰে পট্টা দিয়াৰ ব্যৱস্থা কৰিছিল। অনাখৰী গাঁৱলীয়া ৰাইজে ইয়াৰ মৰ্ম বুজি নাপাইছিল। সেই কাৰণে গাওঁবাসী ৰাইজে শিক্ষা লাভৰ বাবে উদগ্ৰীব হৈ পৰিছিল।

ব'গলৰ পিছত জেমছ মেথিয়ে কলেক্টৰৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে আৰু লগে লগে সৰ্ব-সাধাৰণৰ মনোভাব উপলব্ধি কৰি কামৰূপৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত ধৰ্মপুৰত এখন এঙ্গলো ভাৰ্ণাকুলাৰ স্কুল স্থাপনৰ পৰিকল্পনা কৰিলে। তদুপৰি কামৰূপৰ প্ৰধান প্ৰধান পৰগণাবোৰত অসমীয়া আৰু বঙালী-ভাষাৰ মাধ্যমেৰে শিক্ষা-দান কৰাৰ উদ্দেশ্যে ২১ খন ভাৰ্ণাকুলাৰ স্কুল স্থাপনৰ দিহা কৰিছিল। কিন্তু মেথিৰ এই সুপৰিকল্পিত আঁচনি চৰকাৰে গ্ৰহণ নকৰিলে; কাৰণ চৰকাৰে দৃঢ়ভাবে মত পোষণ কৰিছিল যে ইংৰাজী স্কুলত শিক্ষালাভ কৰা ছাত্ৰসকলে অদূৰ ভৱিষ্যতে সৰ্বসাধাৰণ শ্ৰেণীৰ ৰাইজৰ মাজত শিক্ষা বিস্তাৰত সহায় কৰিব। ১৮৩৮ খ্ৰীষ্টাব্দত ২১ খন গ্ৰাম্য স্কুল স্থাপন কৰিছিল আৰু ছাত্ৰ সংখ্যা প্ৰথম বছৰতে ৭৯৫ জন হৈছিল। এনে ধৰণৰ স্কুল স্থাপনৰ দাবী সকলো ফালৰপৰা উত্থাপিত হৈছিল। সেইবাবে চৰকাৰে দৰঙত ৩ খন, লক্ষীমপুৰত ২ খন আৰু নগাওঁত ৪ খন

গ্ৰাম্য স্কুল স্থাপন কৰিছিল।

ইতিমধ্যে জনসাধাৰণৰ ইংৰাজী শিক্ষাৰ দাবীত ১৮৩৯ খ্ৰীষ্টাব্দত গুৱাহাটী ছেমিনেৰীৰ শাখা স্কুল হিচাপে পাণ্ডু আৰু নীলাচলত দুখন ইংৰাজী স্কুল খোলা হয় আৰু ১৮৪০ খ্ৰীষ্টাব্দত বেলতলা আৰু আমিনগাওঁত আৰু ১৮৪১ খ্ৰীষ্টাব্দত উত্তৰ গুৱাহাটীত স্কুল খোলা হয়। লেফ্‌টেনেণ্ট ব্ৰডিয়ে যোৰহাটত ৮ খন আৰু জয়পুৰত ২ খন, শিৱসাগৰৰ ইংৰাজী স্কুলৰ শাখা স্কুল স্থাপনৰ কাৰণে চৰকাৰৰ ওচৰত পৰামৰ্শ দাখিল কৰিছিল।

অসমৰ স্কুলীয়া শিক্ষা এইদৰে চলি থকা অৱস্থাতে ১৮৫৩ খ্ৰীষ্টাব্দত ভাৰত চৰকাৰে শিক্ষাৰ ইতিহাসৰ মাগ্নাকাৰ্টা স্বৰূপ প্ৰখ্যাত "উডছ ডেছপাট্‌ছ"ৰ নিৰ্দেশাৱলী অনুসৰি অনুদান বিধি ( Grant in Aid ) ব্যৱস্থাৰ সহায়ত কাৰ্য্যকৰী, উপযোগী আৰু প্ৰায়োগিক জ্ঞান বিস্তাৰৰ কাৰণে গ্ৰাম্য স্কুললৈ সাহায্য দিবলৈ আগবাঢ়ি আহিল। অসমতো অনুদানৰ ভেটিত স্কুল স্থাপনৰ কাৰণে জনসাধাৰণ আগ্ৰহী হৈ পৰিছিল। ১৮৫৫-৫৬ খ্ৰীষ্টাব্দত বহুতো স্কুল স্থাপিত হ'ল। কামৰূপ আৰু শিৱসাগৰ জিলাত এনে অনুদানৰ ভেটিত স্থাপিত স্কুল বৰ জনপ্ৰিয় হৈ পৰিছিল। কামৰূপত এই স্কুলবোৰত ছাত্ৰ সংখ্যা ছশ আৰু শিৱসাগৰত ৭৫০ জন। নগাওঁ, লক্ষীমপুৰ, দৰং আৰু গোৱালপাৰাত ছাত্ৰ সংখ্যা অতি তাকৰ আছিল।

ভাৰত চৰকাৰে শিক্ষা বিষয়ে আৰু এটা নতুন নীতি প্ৰৱৰ্তন কৰিছিল। দেশীয় স্কুলবোৰৰ শিক্ষকসকলক পুৰস্কাৰ দিয়াৰ উদ্দেশ্যে ৩৭৫ টকাৰ অনুদান আগবঢ়াইছিল। ১৮৬৩-৬৪ খ্ৰীষ্টাব্দৰ পৰা যিসকল শিক্ষকে কৃতিত্বৰে স্কুল চলাব পাৰিব আৰু স্কুলবোৰ শিক্ষা বিভাগৰ পৰিদৰ্শনৰ কাৰণে মুকলি ৰাখিব তেওঁলোকহে এনে পুৰস্কাৰৰ বাবে যোগ্য বুলি বিবেচিত হব পাৰিব। কিন্তু এই আঁচনিৰ কিছুমান আসোঁৱাহ আছিল - কাৰণ স্কুলৰ নৈপুন্য ( efficiency ) পৰিদৰ্শকে ঠিকমতে নিৰ্ণয় কৰিব নোৱাৰিছিল ; কাৰণ যাতায়াতৰ বাট-পথৰ অসুবিধা প্ৰধান অন্তৰায় আছিল ; শিক্ষক-সকলে মাহিলি দৰমহা নোপোৱা কাৰণে অন্য কাম কৰিবলৈ বাধ্য হৈছিল। তথাপিও সৰ্বসাধাৰণৰ আগ্ৰহৰ বাবে স্কুলৰ সংখ্যা বাঢ়িছিল আৰু আৰ্থিক সাহায্যৰ কাৰণে দাবীও উত্থাপিত হৈছিল।

কিন্তু চৰকাৰৰ অস্থিৰ আৰু দোদুল্যমান নীতিৰ ফলত শিক্ষা সম্প্ৰসাৰণত বাধা উপস্থিত হ'ল। উডৰ ঘোষণা পত্ৰৰ নিৰ্দেশানুসৰি চৰকাৰে অনুদান ব্যৱস্থাৰ কাৰ্য্যকাৰিতাৰ বিষয়ে বিশেষভাবে পৰ্য্যালোচনা নকৰাকৈয়ে মাত্ৰ ৫ বছৰ পিছতেই প্ৰথম ভাৰত সচিব লৰ্ড ষ্টেনলিৰ ঘোষণা মতে চৰকাৰে অনুদান ব্যৱস্থা উঠাই দিয়াৰ সিদ্ধান্ত কৰিলে আৰু ফলত বহুতো প্ৰদেশে নিজা নিজা ব্যৱস্থা লব লগা হ'ল। সেইসময়ৰ অসমৰ স্কুল পৰিদৰ্শক ৰবিনছনে ১৮৬০ খ্ৰীষ্টাব্দত চৰকাৰৰ অধীনত চলি থকা ৭১ খন প্ৰাইমেৰী স্কুলৰ ৫০ খন উঠাই দিয়াৰ ব্যৱস্থা কৰি বাকী ২১ খন স্কুল বিভিন্ন অঞ্চলত প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত ললে। চৰকাৰে উচ্চমান বিশিষ্ট কেইখনমান চৰকাৰী স্কুল ৰাখি নিম্নমান বিশিষ্ট স্কুলবোৰ বন্ধ কৰি দিয়াৰ দিহা কৰিলে। ১৮৬২-৬৩ খ্ৰীষ্টাব্দত কামৰূপৰ ১৯ খন, নগাওঁৰ ১০ খন

আৰু দৰংৰ ২১ খন স্কুল উঠাই দিলে। আনফালে কিন্তু চৰকাৰে দেশীয় স্কুলবিলাকক পুৰস্কাৰ দানৰ ব্যৱস্থা কৰিছিল।

১৮৭২ খ্রীষ্টাব্দত লেফ্‌টেনেন্ট গৱৰ্ণৰ জেনেৰেল চাৰ জৰ্জ কেম্বেলে শিক্ষা সংস্কাৰ নীতি ঘোষণা কৰে। সেই নীতি অনুসৰি দেশীয় স্কুল অৰ্থাৎ প্ৰাথমিক শিক্ষাৰ বাবে যিবোৰ গ্ৰাম্য স্কুলে ( Village school ) অনুদান পোৱা নাছিল সেইবোৰলৈ অনুদান দিয়া হ'ল। তাৰ ফল সুদূৰ প্ৰসাৰী হৈছিল। উদাহৰণ স্বৰূপে ১৮৭৩ খ্রীষ্টাব্দৰ মাৰ্চৰ ৩১ তাৰিখে কামৰূপত এনে স্কুলৰ সংখ্যা ১৪৬ খন হৈছিল আৰু ছাত্ৰ সংখ্যা হৈছিল ৩৯৬৯ জন; কিন্তু ১৮৭২ খ্রীষ্টাব্দৰ ৩১ মাৰ্চত এনে স্কুলৰ সংখ্যা আছিল ৬৪ খন আৰু ছাত্ৰৰ সংখ্যা আছিল ২১৩৭ জন। ১৮৭৩ খ্রীষ্টাব্দত দৰংত স্কুলৰ সংখ্যা আছিল ৮৯ খন আৰু ছাত্ৰ সংখ্যা ২৫২১। শিৱসাগৰত স্কুলৰ সংখ্যা ৩৩ খন আৰু ২ খন ছোৱালী স্কুল; গোৱালপাৰাত আছিল ৯২ খন।

উডৰ ঘোষণা পত্ৰ আৰু ষ্টেটনলিৰ ঘোষণা পত্ৰৰ পৰস্পৰ বিৰোধী নীতিৰ ফলত শিক্ষাৰ সম্প্ৰসাৰণত যথেষ্ট বাধা উপস্থিত হৈছিল। তদুপৰি অসমৰ শিক্ষা পৰিচালনাৰ বাবে ১৮৭৪ খ্রীষ্টাব্দতহে শিক্ষাধিকাৰৰ কাৰ্য্যবিভাগ বঙ্গদেশৰ পৰা পৃথক কৰি প্ৰতিষ্ঠা কৰা হয়। সৰ্বোপৰি অসমৰ শিক্ষা মাৰাত্মকভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ আটাইতকৈ সৰ্বনাশী কাৰণটো হ'ল—আদালত কাৰ্য্যালয় আৰু স্কুলৰ শিক্ষাৰ মাধ্যম হিচাবে অসমীয়া ভাষাৰ পৰিবৰ্তে বঙালী ভাষাৰ প্ৰৱৰ্তন। ১৮৩৬ খ্রীষ্টাব্দৰ পৰা ১৮৭২ খ্রীষ্টাব্দলৈ সম্পূৰ্ণ ৩৬ বছৰ কাল বঙালী ভাষাৰ গ্ৰাসত অসমীয়া তথা অসমীয়া ভাষাৰ দুৰ্দশা কুলাই পাচিয়ে নধৰা হৈছিল। অসম আইৰ সুপুত্ৰ স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকন প্ৰমুখ্যে অসমীয়া সকলৰ আৰু বেপটিষ্ট মিছনেৰীসকলৰ আহোপুৰুষাৰ্থৰ ফলত আৰু চিভিলিয়ান ৰমেশচন্দ্ৰ দত্তৰ বঙালী আৰু অসমীয়া ভাষা যে সম্পূৰ্ণ পৃথক ভাষা সেই বিষয়ে চৰকাৰৰ ওচৰত দাখিল কৰা সুদৃঢ় অভিমতৰ পিচত ১৮৭৩ খ্রীষ্টাব্দত অসমীয়া ভাষা পুণৰ প্ৰবৰ্তিত হ'ল।

যেতিয়া উনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ১৮৫৭ খ্রীষ্টাব্দত কলিকতা, মাদ্ৰাজ আৰু বোম্বাইত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাপিত হৈছিল তেতিয়া অসমবাসীয়ে পাশ্চাত্য শিক্ষা লাভৰ বাবে পাইছিল মাত্ৰ ২ খন হাইস্কুল আৰু তাতো শিকিব লগা হৈছিল নিজৰ মাতৃ ভাষাৰ পৰিবৰ্তে বঙালী ভাষা। হায়; কি চৰমৰ দুৰ্দশা।

১৮৮১-৮২ খ্রীষ্টাব্দত অসমত হাইস্কুলৰ সংখ্যা হৈছিল ৭ খন; অনুদানপ্ৰাপ্ত স্কুল ( প্ৰাথমিক স্তৰৰ ) ১২৫৬ খন আৰু ৪৯৭ খন গ্ৰাম্য স্কুল। স্কুলত পঢ়া বয়সৰ ল'ৰাৰ মাত্ৰ ১৪.৬১% আৰু ছোৱালীৰ মাত্ৰ ০.৪৬% সংখ্যাকহে স্কুললৈ গৈ শিক্ষা লাভ কৰিছিল। ১৮৮২ খ্রীষ্টাব্দৰ হাণ্টাৰ কমিছনৰ পৰামৰ্শ অনুসৰি ১৮৮৪ খ্রীষ্টাব্দত চৰকাৰে লোকেল বোৰ্ড স্থাপন কৰি প্ৰাথমিক শিক্ষাৰ দায়িত্ব লোকেল বোৰ্ডৰ হাতত অৰ্পণ কৰিছিল আৰু পৰীক্ষাৰ ফলাফলৰ ওপৰত অনুদান দিয়াৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল।

উনৈশ শতিকাৰ শেষত হাইস্কুলৰ সংখ্যা মুঠ ২০ খন ; তাৰে ১০ খন চৰকাৰী ; ৫ খন অনুদান প্ৰাপ্ত আৰু ৫ খন ব্যক্তিগত পৰিচালনাধীন আছিল ।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ বিশেষ অৱিহনা নাই বুলিলেও হয় । সমাজৰ গণ্যমাণ্য ব্যক্তিসকলে উচ্চ শিক্ষাৰ বাবে চৰকাৰৰ ওচৰত অনুনয়-বিনয় কৰিলেও কণা হাঁহক পতান দি ভুৰুকিয়াৰ নিচিনা মাত্ৰ দহ টকীয়া বৃত্তিৰ ব্যৱস্থা কৰি উচ্চ শিক্ষাভিলাষী ছাত্ৰক কলিকতাত পঢ়িবলৈ উৎসাহিত কৰিছিল । দহ টকাৰে কলিকতাত পঢ়াটো অসম্ভৱ আছিল বাবে কাচিদাহ এই বৃত্তি লৈ দুই এজন ছাত্ৰক কলিকতালৈ পাঢ়িবলৈ গৈছিল । সমাজৰ নেতৃস্থানীয় লোকসকলে চৰকাৰৰ ওচৰত বহুতো আবেদন কৰাৰ মূৰকত ১৮৬৬ খ্ৰীষ্টাব্দৰ মে মাহত গৌহাটী ছেমিনেৰীত এটা কলেজিয়েট শাখা মুকলি কৰি কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত এফ্,এ পঢ়াৰ সুবিধা কৰি দিলে । দহ বছৰ কাল এই ব্যৱস্থা চলিল যদিও চৰকাৰে এই শ্ৰেণীটো পৰিচালনা কৰা ব্যয় বহুল বুলি আৰু এফ্,এ পৰীক্ষাৰ ফল নিৰাশাজনক বুলি অভিহিত কৰি উঠাই দিলে । এই প্ৰসঙ্গত উল্লেখ নকৰি নোৱাৰি যে এই সময়ছোৱাত অসম আইৰ দুগৰাকী সু-পুত্ৰ আৰু অসমৰ গৌৰৱমান মাণিকচন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাই উক্ত এফ্,এ শ্ৰেণীত শিক্ষালাভ কৰি বিশিষ্ট সমাজ নেতা হিচাপে কৃতিত্ব লভিছিল ।

গুৱাহাটী ছেমিনেৰীত আইন শিক্ষাৰ শাখা এটাও ১৮৭০ খ্ৰীষ্টাব্দৰ পৰা ১৮৭৬ খ্ৰীষ্টাব্দলৈ খোলা হৈছিল । মাছুল ৮ টকা আছিল, গতিকে অৰ্থাভাবত ছাত্ৰ ভৰ্ত্তি নহৈছিল । পিছত মাছুল ৫ টকা কৰিছিল যদিও ছাত্ৰ সংখ্যা নাবাঢ়িল ।

উক্ত এফ্,এ আৰু আইন শিক্ষাৰ শ্ৰেণী দুটা উঠি যোৱাৰ পিছত কলিকতাত এফ্,এ আৰু বি,এ পঢ়াৰ বাবে চৰকাৰে বৃত্তিৰ পৰিমাণ ১৮৮২ খ্ৰীষ্টাব্দৰ পৰা ২০ টকা কৰিছিল । ১৮৮৭ খ্ৰীষ্টাব্দত চীফ কমিছনাৰ উইলিয়াম ৱাৰ্ডে মাত্ৰ ১৪ টা কৰিলে ; অৱশ্যে চিকিৎসা আৰু চিভিল ইঞ্জিনিয়াৰিং পঢ়াৰ বাবেও এই বৃত্তি ভোগ কৰিব পাৰিছিল ।

কলেজ স্থাপনৰ কাৰণে অসমীয়া জনসাধাৰণে দাবীৰ পিছত দাবী উত্থাপন কৰিছিল যদিও চৰকাৰে উনৈশ শতিকাৰ শেষ দুই দশকতো কৰ্ণপাতেই নকৰিলে । উনৈশ শতিকাৰ একেবাৰে শেষত দূৰদৰ্শী কৰ্মবীৰ মানিকচন্দ্ৰ বৰুৱাৰ নেতৃত্বত কলেজ স্থাপনৰ দাবী উচ্চস্বৰে উত্থাপিত হোৱাত ১৯০১ খ্ৰীষ্টাব্দত ছাৰ হেনৰি কটন অনুমোদন সাপেক্ষে কটন কলেজ স্থাপিত হয় আৰু কেইবছৰমান পিছতেই আৰ্ল ল কলেজ প্ৰতিষ্ঠাপিত হয় ।

উনৈশ শতিকাত চৰকাৰ আৰু সৰ্বসাধাৰণৰ যত্নত শিক্ষাৰ বিস্তাৰ হৈছিল তাৰ এটা থূল-মূল আভাস ওপৰত দাঙি ধৰা হ'ল। ১৮৩৬ খ্ৰীষ্টাব্দত আদালত, কাৰ্য্যালয়, স্কুল আদিৰ পৰা অসমীয়া ভাষা চৰকাৰ তথা বঙালীভাষী আমোলা কেৰাণীৰ ষড়যন্ত্ৰৰ ফলত বহিস্কৃত হৈছিল । অসমৰ শিক্ষা জগতলৈ এটা অন্ধকাৰৰ যুগ নামি আহিল । কিন্তু ঈশ্বৰৰ ইচ্ছাত ঠিক সেই বছৰতেই আমেৰিকাৰ বেপ্‌টিষ্ট মিছনেৰীসকল আহি অসমত উপস্থিত

হ'ল। তেওঁলোকে অসমীয়া ভাষা পঢ়ি শুনি আয়ত্ত কৰি অসমীয়া ভাষা যে স্বতন্ত্ৰ ভাষা আৰু অসমীয়া ভাষাৰ মাধ্যমেৰে যে ল'ৰা ছোৱালীয়ে শিক্ষা লাভ কৰিব লাগে তাক প্ৰতিপন্ন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তেওঁলোক প্ৰথম অসমীয়া বাতৰি কাকত "অৰুনোদই" ১৮৪৬ খ্ৰীষ্টাব্দত প্ৰকাশ কৰি অসমীয়া ভাষাৰ মৌলিকত্ব আৰু স্বাতন্ত্ৰ্যৰ প্ৰমাণ দাঙি ধৰিছিল। ১৮৫৩ খ্ৰীষ্টাব্দত মফত মিলছৰ অসমৰ প্ৰশাসন সম্বন্ধীয় অনুসন্ধানৰ সময়ত মিছনেৰীসকলে অসমীয়া ভাষা যে স্বতন্ত্ৰ ভাষা তাৰ প্ৰমাণ শ শ দৃষ্টান্ত দি দাঙি ধৰিছিল। অসমীয়ালৈ বাইবেল আৰু আন আন খ্ৰীষ্টধৰ্ম বিষয়ৰ কিতাপ অনুবাদ কৰিছিল। অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰিছিল নাথন ব্ৰাউনে; প্ৰথম অসমীয়া অভিধান ৰচনা কৰিছিল মাইলছ ব্ৰনছনে। পাশ্চাত্যৰ জ্ঞানৰ সাহিত্য আৰু সৃজনাত্মক সাহিত্যৰ সোঁত তেওঁলোকৰ ৰচিত গদ্য সাহিত্যৰ মাজেদি প্ৰবাহিত হৈছিল।

তেওঁলোকে অসমীয়া ভাষাৰ মাধ্যমেৰে শিক্ষা-দানৰ উদ্দেশ্যে প্ৰথমতে শদিয়াত স্কুল পাতিছিল। তাৰ পূৰ্বেই ১৮৩৪ খ্ৰীষ্টাব্দত অসমৰ চাহ-খেতিৰ আৱিষ্কাৰক আৰু প্ৰৱৰ্তক চি, এ, ব্ৰুচৰ পত্নীয়ে শদিয়াত খামতী আৰু ছিংফোসকলৰ বাবে প্ৰথমতে স্কুল পাতিছিল। মিছনেৰীসকলে শদিয়া এৰি জয়পুৰলৈ যাবলগীয়া হৈছিল; তাতো তেওঁলোকে স্কুল স্থাপন কৰি অসমীয়া ভাষাৰে শিক্ষাদান কৰিছিল। ইয়াৰ পিছত তেওঁলোকে শিৱসাগৰ, নগাওঁ, গুৱাহাটীত স্কুল প্ৰতিষ্ঠা কৰিছিল। ১৮৪১ খ্ৰীষ্টাব্দতে বাৰ্কাৰৰ পত্নীয়ে নিজৰ তত্ত্বাৱধানত ৰামসাগৰ নামৰ এজন সহায়কৰ সাহায্যত শিৱ-সাগৰত প্ৰথম অসমীয়া ছোৱালী স্কুল আৰম্ভ কৰিছিল। ১৮৪৫ খ্ৰীষ্টাব্দত তেওঁলোকে স্থাপন কৰা স্কুলৰ সংখ্যা ১৪ খন হৈছিল আৰু ছাত্ৰ সংখ্যা হৈছিল ৩৮১ জন। স্কুলত উপযুক্ত শিক্ষক নাই, পাঠ্য পুথি নাই আৰু এনেকি তেওঁলোকৰ অসমীয়া ভাষাৰো সম্যক জ্ঞান নাই, তথাপি অদম্য উৎসাহ আৰু আগ্ৰহকেই মূলধন হিচাপে লৈ তেওঁলোকে অসমীয়া ভাষাৰ উন্নতিৰ হকে সেৱা আগবঢ়াই অক্ষয় কীৰ্ত্তি অৰ্জন কৰি গৈছে। অসমবাসীয়ে তেওঁলোকৰ উপকাৰ কোনো দিনে পাহৰিব নোৱাৰে।

★ ★ ★

# বেজবৰুৱাৰ সাহিত্যত হাস্যৰস

যাদৱ কুমাৰ কাকতি
২য় বাৰ্ষিক, বিশ্ববিদ্যালয় শ্ৰেণী।

কবি হ'বলৈ জন্মগত প্ৰতিভাৰ আৱশ্যক। ঈশ্বৰ প্ৰদত্ত প্ৰতিভাৰে জন্মলাভ কৰি ৰসৰাজ বেজবৰুৱাই অসমীয়া সাহিত্যত এক নতুন যুগৰ সূচনা কৰিলে। তেওঁৰ সাহিত্য প্ৰতিভা যে সৰ্বমুখী তাত কোনো সন্দেহ নাই। অসমীয়া সমাজৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি তেওঁ কবিতা, নাটক, চুটিগল্প, উপন্যাস, ব্যঙ্গাত্মক ৰচনা, শিশুৰ উপযোগী জীৱনী, সাধুকথা আৰু আন বহুতো পুথি ৰচনা কৰিছিল। বিখ্যাত লিখক সকলৰ প্ৰতিজনৰে নিজৰ লিখনিৰ এটা স্বকীয় বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যৰ দ্বাৰাই এজন লিখকৰ সাহিত্য প্ৰতিভাই পাঠক সমাজত স্বীকৃতি পায়। উদাহৰণ স্বৰূপে মোপাঁচা বুলিলে আন কোনো কথা মনত নপৰি পোনেই মনত পৰে তেওঁৰ অমৰ চুটি গল্পবোৰলৈ। সেইদৰে ৰহস্যবাদ ৰচনা সমূহৰ বাবে মেটাৰলিঙ্ক বা বিশ্বজনীন কবিতাসমূহৰ বাবে ৰবীন্দ্ৰনাথ বিশ্বত অমৰ। বেজবৰুৱাও সেইদৰে বিশ্বসাহিত্যত নহলেও অসমীয়া সাহিত্যত তেওঁৰ সাহিত্যৰ বাবে অমৰ। বেজবৰুৱাই অসমীয়া সাহিত্যৰ সকলো দিশতে হাত দিছিল যদিও এই নিবন্ধত কেৱল তেওঁৰ সৃষ্ট হাস্যৰসহে আলোচনা কৰিবলৈ সৰল প্ৰয়াস কৰা হৈছে। বেজবৰুৱাৰ হাস্যৰস সম্বন্ধে আলোচনা কৰিলে স্বভাৱতেই প্ৰশ্ন হয় যে তেওঁৰ এই ৰসৰ উৎস ক'ত? এই ৰস ওলাল ক'ৰ পৰা? অৱশ্যে অসমীয়া সাহিত্যত হাস্যৰসৰ সৃষ্টি বেজবৰুৱায়ে কৰিলে বুলি ভাবিলে ভুল কৰা হব। প্ৰাক্‌বৈষ্ণৱ যুগৰ পৰা বৈষ্ণৱ যুগলৈকে হাস্যৰসৰ উদাহৰণ অসমীয়া সাহিত্যত বহুত আছে। সেই যুগত অঙ্কিত নাৰদ, শিৱ বা ভীম আদিৰ চৰিত্ৰ বিশেষ ৰসপূৰ্ণ। সেই যুগৰ লিখক সকলে এই অলৌকিক চৰিত্ৰৰ ওপৰত লৌকিক আচাৰ ব্যৱহাৰ প্ৰয়োগ কৰি পাঠকক হাস্যৰসৰ যোগান ধৰিছিল। বেজবৰুৱাই এই সকল কবিৰ আহি কিছু লৈছে সচাঁ, কিন্তু তেওঁৰ ৰচনাৰাজি তেওঁলোকৰ বিপৰীত। সমাজৰ কিছুমান মানুহৰ গাত অভাৱনীয় অদ্ভুদ গুণ কিছুমান সংযোগ কৰি তেওঁ হাঁহিৰ নিজৰা বোৱাইছে।

বেজবৰুৱাৰ হাস্যৰসক সমালোচক সকলে তিনিটা ভাগত ভগাইছে—(১) সৰল হাস্যৰস, (২) ব্যঙ্গাত্মক হাস্যৰস আৰু (৩) বুদ্ধিনিষ্ঠ-হাস্যৰস। সৰল হাস্যৰস আকৌ দুই শ্ৰেণীৰ—আকৃতিগত আৰু প্ৰকৃতিগত। বেজবৰুৱাৰ প্ৰায় ভাগ ৰচনাই

আকৃতিগত সৰলহাস্য ৰসত পৰে। এই হাস্যৰস প্ৰধানকৈ ভাষা বিষয়ক অৰ্থৰ লগত সামঞ্জস্য ৰাখি এই গৰাকী সাহিত্যিকে বিশেষ সংজ্ঞাবোধক বিশেষ্য শব্দ সৃষ্টি কৰি হাস্যৰসৰ সৃষ্টি কৰিছিল। উদাহৰণ স্বৰূপে 'পেটভাতুৰা' বা 'বেটু কোঁৱৰ' শব্দ উল্লেখ কৰিব পাৰি। ভাত খাই খাই পেট বাঢ়ি যোৱাত নাম হ'ল পেটভাতু। সেইদৰে কুঁৱৰীয়ে স্নান কৰি বেটু খাই পোৱা সন্তানৰ বাবে শুব নাম হ'ল বেটু কোঁৱৰ। শব্দ দুটাৰ আভিধানিক অৰ্থ নাথাকিলেও সুন্দৰ অৰ্থসূচক আৰু হাস্য-ৰসপূৰ্ণ। সেইদৰে বেজবৰুৱাৰ ৰচনা ৰাজিত পোৱা চৰিত্ৰবোৰৰ অদ্ভুত নামাকৰণে আমাৰ পেটৰ নাড়ী ডাল ডাল কৰে। 'চিকৰপতি-নিকৰপতি' নাটকত থকা বেটেউ কল্পিতানী, খুদমন কেওঁট, খালৈ ভাণ্ডী কেওঁটনী, ৰঙাই কোঁছ আৰু 'নোমল' নাটত থকা নাঙুলু চন্দ্ৰ বা 'জোনবিৰি'ত থকা ভোকেন্দ্ৰ বৰুৱা, জগৰা মণ্ডল, ভোম কেৰেলা, ঘন্টাকৰ্ণ শৰ্মা ইত্যাদি এনে নামৰ উদাহৰণ। তদুপৰি ইংৰাজী শব্দবোৰ অসমীয়া হাতৰ পৰশেৰে বুলাইও তেওঁ বহু ক্ষেত্ৰত হাস্যৰসৰ সৃষ্টি কৰিছে। চাহাবৰ নামবোৰ যেনে—Gregory ক 'গেৰগেৰী,' Cambell ক 'কম্বল' নামলৈ ৰূপান্তৰিত কৰি তেওঁ হাস্যৰসৰ সৃষ্টি কৰিছে।

কিছুমান অসমীয়া শব্দ হোজা গাওঁলীয়া মানুহৰ মুখত দি এটা অদ্ভুত উচ্চাৰণ কৰোৱাই বেজবৰুৱাই হাস্যৰসৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। যেনে—শৰীৰ'ৰ ঠাইত 'শৰীল,' 'কৃপা-ৰৰ'ৰ ঠাইত 'কৰিপাৰৰ,' 'এতোলা'ৰ ঠাইত 'আতোলা,' 'প্ৰস্তাৱ'ৰ ঠাইত 'প্ৰস্তপ,' সমালোচনা'ৰ ঠাইত 'খমালোচানা' বা' 'শয্যা'ৰ ঠাইত 'হৰ্ষা' ইত্যাদি। হাস্যৰসৰ বাবে এই গৰাকী প্ৰতিভাশালী পুৰুষে ব্যাকৰণৰ নিয়ম নামানি জোৰ কৰি অসমীয়া আৰু সংস্কৃত শব্দৰ মাজত সন্ধি কৰিছে। অৱশ্যে ব্যাকৰণৰ নিয়মলৈ পিঠি দিলেও তেওঁৰ ৰচনা ৰাজি সম্পূৰ্ণ দোষমুক্ত। কিয়নো এইবোৰ হ'ল তেওঁৰ ৰচনাৰ হাস্যৰসৰ সমল। উদাহৰণ স্বৰূপে চক্ষু:+উৎপাটন=চক্ষুৰুৎপাটন, এৎ+হেতুকে=এতদ্ধেতুকে আদি লৈ আঙুলিয়াব পাৰি।

সংস্কৃত আৰু অসমীয়া শব্দৰ সংমিশ্ৰণ ঘটাইও তেওঁ হাস্যৰস সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। যেনে,—"চেলেউৰ ধোঁৱাৰে আকাশ গৰ্জ্জন্য অৰ্থাৎ মেঘৰ সৃষ্টি হব। মেঘ হলেই বাৰিবৰ্ষণ হব। বাৰিবৰ্ষণ হলেই হলকৰ্ষণ, তৎপশ্চাৎ ধান্যাৰোপণ, তৎপশ্চাৎ ধান্য শীষ থোক নিষ্ক্ৰমণ, তৎপশ্চাৎ ধান্য পক্কন দাৱন আৰু খাদন আৰু ততঃ সুখম্।"

বেজবৰুৱাই পৰাপক্ষত নিভাঁজ অসমীয়াতে লিখিছিল। কিন্তু কেতিয়াবা জানি শুনিও তেওঁ নিজৰ লিখনিত অজস্ৰ অনা অসমীয়া শব্দ ব্যৱহাৰ কৰিছিল। হাস্যৰস সৃষ্টি কৰিবলৈকে যে তেওঁ এই প্ৰচেষ্টা হাতত লৈছিল তাত সন্দেহ নাই। বৰবৰুৱাৰ 'ফটোগ্ৰাফ' নামে গল্পত তেওঁ অসমীয়া আৰু ইংৰাজীৰ অমিল সংযোগ ঘটাই যি হাস্যৰসৰ সৃষ্টি কৰিছে সিয়ে পাঠক সমাজক উশাহ সলাব নোৱাৰাকৈ হুঁহুৱায়।

বিভিন্ন ভাষাৰ শব্দবোৰ বেজবৰুৱাই— এনে সুন্দৰভাৱে সংযোগ কৰিছে যে সেইবোৰ পঢ়া বা শুনাৰ লগে লগেই আমি হাঁহি ৰাখিব নোৱাৰা হওঁ। ফ্ৰাইট বা ফ্ৰেৰেইট শব্দ

সম্পূৰ্ণ অৰ্থহীন । সুক্ষ্ম-ভাবে চালে এনে অৰ্থহীন শব্দ প্ৰয়োগ ব্যাকৰণ দোষদুষ্ট । কিন্তু বেজবৰুৱাৰ হাতত পৰি সেই দোষ গৈ গুণত পৰিণত হৈছে ।

মাজে মাজে ৰসৰাজে পুনৰুক্তিৰ সহায়তো হাস্যৰস সৃষ্টি কৰিছে । সাহিত্যৰ দিশৰ পৰা চালে পুনৰুক্তি এটা দোষ সঁচা । কিন্তু বেজবৰুৱাই হাস্যৰসৰ সুবিধাৰ বাবে পুনৰুক্তি কৰাত এই দোষে গুণৰূপে কাৰ্য কৰিছে আৰু ঘটনাৰাজি গুৰুনি কৰাত সহায় কৰিছে । 'লিটিকাই'ত নিতাইৰ মুখত বাৰেপতি 'কিন্তু' আৰু 'নোমল' নাটঙ নাহৰ ফুটুকাৰ মুখত 'মই জিওঘাচ কৰি চাওঁ' আদিৰ প্ৰয়োগ ইয়াৰ জলন্ত উদাহৰণ । "শুনিছনে কিন্তু ভাইহঁত আমাৰ আই কিন্তু চুকাবৰ আজি কিন্তু বছৰেক নৌহওতেই কিন্তু আকৌ বোপায়েও কিন্তু আমাক এৰি গ'ল ।" —ৰসৰাজৰ ৰচনাত এনেধৰণৰ প্ৰয়োগৰ অভাৱ নাই ।

প্ৰকৃতিগত হাস্যৰসৰ ক্ষেত্ৰতো বেজবৰুৱাৰ অৱদান সুঁৱৰিবলগীয়া । বেজবৰুৱাৰ দৰে উপমা, ৰূপক আদি দি কথা একোষাৰ খাপ খুৱাই দিব পৰা লিখক অসমত'হে নেলাগে ভাৰততো বিৰল ।

হাস্যৰস সৃষ্টি কৰিবৰ কাৰণে গোনপটীয়া কথা এষাৰকে পাক লগাই বাহুল্যভাবে প্ৰকাশ কৰাত বেজবৰুৱা সিদ্ধহস্ত । মানুহজন কানীয়া, ভগুৱা, কিন্তু কিপিন । তাকে বুজাবলৈ গৈ তেওঁ আমাক হঁহুৱাই মাৰিছে—"ককাই পৰৰ খৰচত পালো তিন তোলা কানিব টিকিৰা, এশ আঠ চিলিম ভাং আৰু তিনি টেকেলি চাহ একে ৰাতিৰ ভিতৰতে পাৰ কৰি দিব পাৰে বুলি তেওঁৰ খ্যাতি আছে, আৰু নিজৰ খৰচত হলে তাৰে তিনি ভাগৰ এভাগ পাবে বুলি শুনিলো ।" ডাক্তৰ বাবুজন পেটাল । এই সাধাৰণ কথাটোকে হাস্যৰস সৃষ্টিৰ উদ্দেশে তেওঁ এনেদৰে কৈছে— 'এওঁৰ গাটো বা পেটটো কিমান যে ডাঙৰ মই এবাৰ উশাহ নোলোৱাকৈ একে উশাহে কবই নোৱাৰিম যেন পাওঁ ।'

বেজবৰুৱাৰ দ্বিতীয়বিধ হাস্যৰস হ'ল ব্যঙ্গাত্মক । ইংৰাজীত যাক Satire বোলা হয় । গ্ৰীক সাহিত্যিক এৰিষ্টফেনিচকে ইয়াৰ আদি গুৰু বুলিলে সম্ভৱ ভুল কৰা নহব । অসমীয়া সমাজৰ দুৰ্নীতি অৱনতি দেখি বেজবৰুৱায়ো ইয়াৰ সহায়লৈ সমাজৰ চৰিত্ৰ সংশোধন কৰিবলৈ এক বৃহৎ চেষ্টা চলাইছিল । কিয়নো সমাজৰ অৱনতি নাশ কৰিবলৈ ব্যঙ্গ ৰচনা উৎকৃষ্ট অস্ত্ৰ । বেজবৰুৱাৰ কাকতৰ টোপোলাৰ প্ৰায়বোৰ ৰচনাই এই শ্ৰেণীত পৰে । 'সামাজিক' প্ৰবন্ধত তেওঁ নিজে কানীয়াৰ ভাও লৈ যমদূতকো কানীৰে অভ্যৰ্থনা কৰিছে,—"টিকিৰা এটি আছে পুৰিবনে ? যমদূতৰো টিকিৰা দেখি মনটো টিকটিকালে আৰু ক'লে,—টিকিৰা পৰনেকু হামাৰ সহজ নাহি হোয়, লেকিন্ তোম দিছা যেতিয়া বাক থোৱা থুৰি পৰণে পাৰতা হ্যায় ।" এইদৰে যমদূত আৰু কানীয়াৰ কথোপকথনে এফালে পাঠকক ৰসৰ যোগান ধৰিছে, আনফালে সমাজৰ অধিকাংশৰে থকা এই কু-অভ্যাসটোকো আক্ৰমণ কৰিছে । ইয়াৰ ফলত এফালে আমাৰ হাঁহি উঠিছে আৰু আনফালে ব্যঙ্গাত্মক অস্ত্ৰাঘাতে বুকুফালি দিছে । গোঁসাইসকলে ভকতক ঠগি ধন আদায় কৰিছিল আৰু শাৰীৰিক শাস্তি ভোগাইছিল বাবে হাস্যৰসৰ

মাজেৰে তেওঁ গোঁসাই সকলকো আক্ৰমণ কৰিছে। এই দুৰ্নীতিপৰায়ণ গোঁসাইসকলক যমদূতৰ সহায়ত শাস্তি দি তেওঁ হ্যস্যৰসৰ সৃষ্টি কৰিছে। 'নোমল' নাটকৰ আঠিয়াবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ চৰিত্ৰৰ জৰিয়তে তেওঁ সমাজ সংস্কাৰকৰ ভাও লৈ হাস্যৰসৰ মাধ্যমেৰে নিজৰ বক্তব্য প্ৰকাশ কৰিছে। সেইবাবেই সাহিত্যিক সকলে বেজবৰুৱাৰ এনে ব্যঙ্গাত্মক ৰচনাৰাজিক Sugar-coated quinine pill বুলিছে। মুখত ই মিঠা ভিতৰি তিতা, বিঘ্ননাশক।

বেজবৰুৱাৰ হাস্যৰসৰ তৃতীয় ভাগটো হ'ল বুদ্ধিনিষ্ঠা মন্তব্যবোৰ, বক্রোক্তি আৰু ব্যাজস্তুতি বোৰ ইয়াৰ ভিতৰত পৰে। প্ৰশংসাৰ যোগেদি ঠাট্টা কৰিও তেওঁ মাজে মাজে আমাক হঁহুৱাইছে আৰু লাজত পেলাইছে। অসমীয়া জাতিক ভাওৰ জাতি বোলাৰ কাৰণ কেইটাও অতি ৰসপূৰ্ণ। যেনে,— (১) "তেজ, কোনে কব পাৰে অসমীয়াৰ তেজ ইংৰাজ, ফ্ৰেঞ্চ, এমেৰিকান আৰু জাৰ্মান জাতিতকৈ কম? (২) সহিষ্ণুতা—এই গুণ অসমীয়া জাতিৰ যিমান আছে বঙালীৰ বাহিৰে আন কোনো জাতিৰ সিমান আছেনে নাই ঠিক নাই। (৩) সদাচাৰ—অসমীয়া সদাচাৰ "জগত-জননী পতিত পাৱনী।"

মাজে মাজে ভাব হয়, বেজবৰুৱাই যেন আনক হঁহুৱাবলৈকে এই পৃথিৱীত জন্মলাভ কৰিছিল। গদ্যৰ উপৰিও কবিতাৰ জৰিয়তে তেওঁ মানুহক হহুৱাবলৈ বা ব্যঙ্গ কৰিবলৈ এৰা নাই। এটা কবিতাত কোনো ব্যক্তি বিশেষক তীব্ৰ ভাষাৰে— নিন্দা কৰি কৈছে,—

"এম-এ ফেল বিয়ে পাছ" বিদ্যাৰ টোপোলা।
নৈতিক বলত বাঁহৰ চুঙা গোটেই ফোপোলা।"

আকৌ দ্বিজেন্দ্ৰলালৰ "জন্মভূমি" কবিতাৰ ঢঙত তেওঁ "আমাৰ জন্ম ভূমিত" লিখিছে,—

ক'ত আছে এনে চাউল পানীত দিলে ভাত?
ক'ত এনে কুঁজী ঠেকেৰা টেঙাই যায় দাঁত?
ক'ত পাৰা পকা খৰিচা ক'ত ঢেকীয়া শাক?
এঠা দৈ ক'ত এনে নেৰায় ধুলে যাক?
ক'ত এনে ধানৰ পথাৰ তামোল-পানৰ বাৰী?
লুইতৰ দৰে ববনৈ ক'ত আছে জোৰা,
ঘূৰি আহা বসুমতী তথাপি নোপোৱা।

'অসমীয়া ডেকাৰ প্ৰতি উপদেশ' কবিতাত ৰসৰাজে ব্যঙ্গ কৰি অসমীয়া ডেকাক কানি ভাওৰ সোৱাদ লবলৈ আহ্বান কৰিছে।

সেইদৰে—'বুঢ়া আৰু বুঢ়ীৰ খৰচ' আন এটা ধেমেলীয়া কবিতা। কৃপন বুঢ়া বুঢ়ীৰ কাৰ্য তেওঁ সুন্দৰ হাস্যৰসেৰে বৰ্ণনা কৰিছে,—

"ভৰিৰ তলত কঠাল এঠা সানি কোনো দিন,
উজতিয়াই মাছৰ পাচী পেলাও চিন ভিন।
দৈবাৎ ভৰি লাগি পৰিলে, ক্ষমা কৰা বাই,
বুলি আনো চন্দা ভেচেলি তলুৱাত লগাই।"

বুঢ়ীৰ কৃপনালী আকৌ এখোপ চৰা। বুঢ়ীয়ে— পিঠা গুৰিত গুৰৰ ব্যৱহাৰ কৰে এনেদৰে,—

"ৰদ কাঁচলিত পুটি বাঁহৰ খুটি এটা,
গুৰ টোপোলা আৰি খাওঁ পিঠা গুৰি কেটা।
এনেভাবে বহো যেন টোপোলাৰ ছাঁ,
ৰাটিত পৰি সোৱাদ কৰি বোলে খা খা।"

এনেকুৱা উদাহৰণ বেজবৰুৱাৰ কবিতাত বিৰল নহয়।

আজীৱন কলিকতা আৰু চম্পাপুৰত থকা বাবে বঙ্গ সাহিত্যৰ প্ৰভাৱো তেওঁৰ ৰচনাৰাজিত নপৰা নহয়। আকৌ ইংৰাজী সাহিত্যতো তেওঁৰ ব্যুৎপত্তি কম নাছিল। গতিকে Dickens Goldsmith, Swift, বা Fielding আদি ইংৰাজ লিখকৰ ব্যঙ্গ ৰচনাৰ প্ৰভাৱো তেওঁৰ ৰচনাৰাজিত পৰিছিল। বেজবৰুৱাৰ ভাবৰ বুৰ-বুৰণিত তেওঁ নিজেই কৈছে, —"এই পৃথিবীত মাত্ৰ তিনিজন মানুহে হাঁহিব জানিছিল। প্ৰথম-জন পুৰণিকলীয়া গ্ৰীচ দেশৰ এৰিস্টফেনিচ, দ্বিতীয়জন স্পেইনৰ চাৰ ভেন্টিচ, আৰু তৃতীয়জন বৃটেন দেশৰ চুইফ্‌ট, এওঁলোকৰ উপৰিও চতুৰ্থজন আছে, সেইজন বেজবৰুৱা স্বয়ং।

এই সকলৰ প্ৰভাৱ পৰিলেও তেওঁৰ ব্যক্তিগত প্ৰতিভাইহে হাস্যৰস প্ৰকাশ কৰাত বেছি অৰিহণা যোগাইছিল। তেওঁৰ ৰচনাৰাজিয়ে অসমীয়া জাতীয় জীৱনক এনেভাবে দাঙি ধৰিছে যে, তাক দেখিলে তেওঁৰ লিখনিত কোনো বিদেশীৰ প্ৰভাৱ পৰা যেন নালাগে। এই খিনিতেই এই জন প্ৰতিভাশীল সাহিত্যিকৰ হাস্যৰসৰ বিশেষত্ব।

অৱশ্যে বেজবৰুৱাৰ সকলোবোৰ হাস্যৰসেই সুন্দৰ, দোষমুক্ত নহয়। কিছুমান ঠাইত তেওঁ কৰা হাস্যৰসে সমালোচনাবো সমুখীন হব লগাত পৰিছে। উদাহৰণ স্বৰূপে, বহুক্ষেত্ৰত বাকদোষ বা অঙ্গবিকলতাৰ ভৱিষ্যতে বেজবৰুৱাই হাঁহি তুলিব বিচাৰিছে। 'লিটিকাই' নাটত মনাইৰ চৰিত্ৰটো খোনাৰ। এইদৰে জোনবিৰিত দৈকলভীয়ানী পোহা-ৰীৰ মুখত কিছুমান সম্প্ৰদায়গত ভুল উচ্চাৰণেৰে (যেনে, খাবলৈ ৰ পৰিবৰ্তে সাৱলৈই)' হাস্যৰস সৃষ্টি কৰা হৈছে।

সৰ্বশেষত প্ৰশ্ন উঠে যে বেজবৰুৱাই হাস্যৰসৰ আশ্ৰয় লোৱাৰ কাৰণ কি আছিল? তাৰ উত্তৰত আমি ইয়াকে পাওঁ যে হাস্যৰসে মানুহৰ মন যি কোনো সময়তে আকৰ্ষণ কৰি মনৰ দুখ-কষ্ট মাৰ নিয়াই ৰাখিব পাৰে। আকৌ সমাজৰ দোষ বা দুৰ্নীতি গুচাবৰ বাবে ব্যঙ্গাত্মক হাস্যৰস অতি প্ৰয়োজন। কাঁইটেৰে কাঁইট গুচোৱাৰ দৰে এই হাস্যৰসৰ দ্বাৰাই বেজবৰুৱাই সমাজৰ দোষ গুচাবৰ চেষ্টা কৰিছিল। তদুপৰি উন্নত শ্ৰেণীৰ হাস্যৰসে পাঠকৰ নৈতিক চৰিত্ৰ গঠনত সহায় কৰে। এইবোৰ কাৰণতে এইজনা অমৰ সাহিত্যিকে নিজৰ সাহিত্যত হাস্যৰস ব্যৱহাৰ কৰিছিল। সেয়েহে প্ৰবন্ধকাৰ শ্ৰীহৰি চন্দ্ৰ ভট্টাচাৰ্য্য দেৱে কৈছে,—"ভাবৰ জুমুথিবোৰৰ মাজত দুই এডাল খেৰ বা কুটা বেজবৰুৱাই ইয়াৰ তাৰ পৰা আনিছে সঁচা, কিন্তু জুমুথিৰ সৰহখিনি খেৰেই তেওঁৰ নিজা আৰু তাৰ ওপৰত দিয়া কুমাৰ মাটিখিনি দিখৌ নৈৰ গৰাৰ তলৰ পৰা অনা আৰু ৰংখিনিও ৰংপৰীয়া খনিকৰৰ ঘৰৰ।" বেজবৰুৱা হাস্যৰস সৃষ্টিত ইমানেই সফল যে তেওঁৰ হাস্যৰসৰ সকলো দিশ পৰ্যালোচনা কৰি স্বনামধন্য পদ্মধৰ চলিহাই কৈছে,— "বেজবৰুৱাই পৈণত বেজৰ দৰে অসমীয়া জাতিক জাৰিলে, বেজবৰুৱাই অসমীয়া জাতিক পেটৰ নাড়ী চিঙি হুঁহুৱালে আৰু লগে লগে বেজবৰুৱাই কন্দুৱালেও।" সাহিত্যৰ ভৱিষ্যতে এটা জাতিক জাৰি ফুকি ৰোগ নিৰাময় কৰি হুঁহুৱাৰ পৰাটো যেই সেই সাহিত্যিকৰ পক্ষে সম্ভৱ নহয়। বেজ-বৰুৱাই যে সিমানখিনি কৰিব পাৰিলে সেইটো

অসমীয়া জাতিৰ বাবে গৌৰৱৰ কথা। যিজনে জাতিৰ বাবে গৌৰৱ কঢ়িয়াই আনিব পাৰে তেওঁ কেতিয়াও জাতিৰ মানসত হেৰাই যাব নোৱাৰে।

তেওঁ হেৰাই যোৱা নাই বাবেই অমৰ। তেওঁৰ সাহিত্যৰাজিয়েই তেওঁক অসমীয়া জাতি জীয়াই থাকে মানে অমৰ কৰি ৰাখিব।

---

বিঃ দ্রঃ—প্ৰবন্ধটো যুগুত কৰোঁতে তলত উল্লেখ কৰা গ্ৰন্থসমূহ আৰু অন্যান্য কিছুমান পুথিৰ সহায় লোৱা হৈছে।

(১) ডিম্বেশ্বৰ নেওগ— অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ পাতনি।
(২) ডঃ মহেশ্বৰ নেওগ— অসমীয়া সাহিত্যৰ ৰূপৰেখা।
(৩) ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা— অসমীয়া সাহিত্যৰ ইতিবৃত্ত।
(৪) লক্ষ্মীনাথ বেজবৰুৱা— সাধুকথাৰ কুকি।

শ্ৰদ্ধাতৰ্পণঃ

## — মনীষী শ্ৰীকৃষ্ণকান্ত সন্দিকৈ দেৱৰ মৃত্যুত —

শ্ৰীলক্ষ্মী শৰ্মা
অধ্যাপক, বুৰঞ্জী বিভাগ।

বিশ্বৰ মনিষী সমাজত সুকীয়া স্থান অধিকাৰ কৰি অসমৰ মাতৃৰ নাম উজ্জলাই তোলা বহু ভাষাবিদ প্ৰাচ্যবিদ পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ আৰু আমাৰ মাজত নাই। যোৱা ৭ জুন, ১৯৮২ তাৰিখে তেওঁ নশ্বৰ দেহ ত্যাগ কৰি এই পৃথিৱীৰ পৰা চিৰ-বিদায় মাগিলে। বয়সৰ জোখেৰে তেওঁ দীৰ্ঘ জীৱনেই যাপন কৰিছিল যদিও জ্ঞানৰ বন্তি এগছি এনেদৰে হঠাতে নিৰ্বাপিত হ'ব বুলি হয়তো কোনেও ভৱা নাছিল। কিন্তু কালৰ ৰীতি কোনেও খণ্ডন কৰিব নোৱাৰে।

১৮৯২ খৃঃ ৰ ২০ জুলাইত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ জন্ম হৈছিল। দানবীৰ বুলি পৰিচিত ৺ৰাধাকান্ত সন্দিকৈ দেৱৰ ঘৰত জন্ম লাভ কৰা কৃষ্ণকান্ত সন্দিকৈয়ে যোগ্য পিতৃৰ যোগ্য সন্তান ৰূপে পৰিচয় দিব পাৰিছিল। সৰুৰে পৰা তেওঁ বৰ মেধাবী ছাত্ৰ আছিল। ১৯১৩ খৃঃ ত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা তেওঁ সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু তাৰ দুবছৰ পাচত কটন কলেজৰ পৰা আই. এ, পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯১৭ খৃঃ ত কলিকতা সংস্কৃত কলেজৰ পৰা স্নাতক পৰীক্ষাত সংস্কৃত বিষয়ৰ অনাৰ্ছত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে এম, এ ডিগ্ৰীও লাভ কৰে। অধ্যয়নৰ প্ৰতি অগাধ ধাউতি থকা সন্দিকৈদেৱে ১৯২০ চনত অধিক অধ্যয়নৰ বাবে বিলাতলৈ যায়। ১৯২৩ চনত লণ্ডনৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা তেওঁ আধুনিক বুৰঞ্জীত এম, এ, ডিগ্ৰী লাভ কৰে। বিলাতত্তে তেওঁ বিভিন্ন ভাষা সাহিত্যৰ জ্ঞান আহৰণ কৰে। তদুপৰি তেওঁ ফ্ৰান্স, জাৰ্মানী আদি দেশৰ কেবাটাও অধ্যয়ন কেন্দ্ৰত বিভিন্ন ভাষাত সাহিত্যৰ ওপৰত অধ্যয়ন কৰি বিস্তাৰ জ্ঞান লাভ কৰিছিল। তেওঁৰ মেধা এনে তীক্ষ্ণ আছিল যে একেলগে তেওঁ ফৰাছী, জাৰ্মান, স্পেনিচ, ইটালীয়ান আদি কৰি বিশ্বৰ কেবাটাও ভাষাত পাণ্ডিত্য অৰ্জন কৰিছিল। ১৯২০ চনৰ পৰা

১৯২৭ চনলৈ জ্ঞান সাধনাত ইউৰোপৰ বিভিন্ন দেশবোৰত কাল অতিবাহিত কৰি তেওঁ ১৯২৭ চনত অসমলৈ উভতি আহে আৰু বৈষয়িক জীৱন আৰম্ভ কৰে।

বৈষয়িক জীৱন-যাপন কৰিলেও পণ্ডিত কৃষ্ণ কান্ত সন্দিকৈদেৱক পাৰ্থিব ঐশ্বৰ্য্যৰাজিয়ে মোহ-গ্ৰস্ত কৰিব নোৱাৰিলে। বিশ্বৰ সাহিত্য সম্পদ ৰাজিৰ মাজত তেওঁ বিচাৰি পাইছিল প্ৰকৃত জীৱনবোধৰ মাদকতা। সেয়ে তেওঁ নিমগ্ন হ'ল এই সাহিত্যৰাজিৰ মাজত। বিশাল সাহিত্য সমুদ্ৰৰ পৰা উলিয়াই আনিলে মণি-মুকুতা স্বৰূপ জ্ঞানৰাশি। বিশ্বৰ বহু ভাষাৰ লগতে পালি, প্ৰাকৃত আৰু সংস্কৃত ভাষাত অসাম ব্যুৎপত্তি অৰ্জন কৰা বিদগ্ধ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱ বিশেষকৈ আকৰ্ষিত হৈছিল প্ৰাচীন ভাৰতীয় সাহিত্য আৰু সংস্কৃতিৰ প্ৰতিহে। দেৱভাষা বুলি পৰিগণিত প্ৰাচীন ভাৰতীয় ভাষা সংস্কৃত ভাষা সাহিত্যৰ সমুদ্ৰত অমৃত মন্থন কৰিবলৈ তেওঁ দেহে-কেহে লাগিল। ফলত তেওঁৰ কলমৰ পৰা নিগৰি ওলাল শ্ৰীহৰ্ষৰ "নৈষধ চৰিত"ৰ টীকা সহকাৰে ইংৰাজী অনুবাদ। এই কিতাপখনে ভাৰতবৰ্ষৰ উপৰিও ইংলেণ্ড, জাৰ্মানী, আমেৰিকা আদি দেশৰ পণ্ডিত মণ্ডলীৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। তেওঁৰ আন এখন বিখ্যাত গ্ৰন্থ "যশস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ।" সোমদেৱৰ যশস্তিলক গ্ৰন্থ আৰু খৃষ্টীয় দশম শতিকাৰ জৈনধৰ্ম, ভাৰতীয় চিন্তা আৰু সংস্কৃতিৰ আধাৰত ৰচনা কৰা এই গ্ৰন্থখনেও কঢ়িয়াই আনে বিপুল খ্যাতি আৰু সন্মানৰ টোপোলা। তেওঁৰ তৃতীয় গ্ৰন্থ হ'ল "সেতুবন্ধ।" প্ৰবৰসেন ৰচিত প্ৰাকৃত মহাকাব্য 'সেতুবন্ধৰ' টীকা-ভাষ্য সহকাৰে ইংৰাজী অনুবাদ সন্দিকৈদেৱৰ কম পৰিশ্ৰমৰ ফলশ্ৰুতি নহয়। সংস্কৃত সাহিত্যৰ উপৰিও তেওঁ ইংৰাজী আৰু অসমীয়া ভাষাত বহুতো প্ৰবন্ধ পাতি লিখি এজন উচ্চমানৰ সাহিত্যিক ৰূপে নিজ প্ৰতিভাৰ পৰিচয় দিয়ে। জীৱনৰ শেষ বয়সলৈ তেওঁ লিখা-পঢ়া তথা অধ্যয়নতেই মনোনিবিষ্ট কৰি সময় অতিবাহিত কৰিছিল।

সাহিত্য সাধনা তথা অধ্যয়নতেই যে কৃষ্ণকান্ত সন্দিকৈদেৱ মগ্ন আছিল এনে নহয়। এজন সুদক্ষ প্ৰশাসক তথা সমাজকৰ্মী স্বৰূপেও তেওঁ নিজ যোগ্যতাৰ পৰিচয় দিয়ে। ১৯৩০ চনত প্ৰতিষ্ঠিত যোৰহাট জগন্নাথ বৰুৱা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে নিযুক্তি লাভ কৰি এই মহাবিদ্যালয়খন তেওঁ এখন লেখত লবলগীয়া অনুষ্ঠানৰূপে গঢ়ি তোলে। সুদীৰ্ঘ ১৭ বছৰ কাল তেওঁ এই মহাবিদ্যালয়তে অধ্যক্ষৰূপে থাকে। ১৯৪৮ চনত অসমৰ প্ৰথমখন বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাত উপাচাৰ্যৰূপে গুৰি ধৰি চালুকীয়া বিশ্ববিদ্যালয়খন গঢ়ি তোলাৰ গুৰু দায়িত্ব সন্দিকৈদেৱৰ হাততে অৰ্পিত হয়। সন্দিকৈদেৱে প্ৰথম গৰাকী উপাচাৰ্য ৰূপে বিশ্ব-বিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ হকে নিজৰ যৎ-পৰোনাস্তি চেষ্টা চলায়। মৌ-মাখিয়ে বিভিন্ন ফুলৰ পৰা মৌ-ৰস সংগ্ৰহ কৰাৰ দৰে সন্দিকৈ দেৱেও ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা গুণী জ্ঞানী বিদ্বানলোক সকলক বুটলি আনি বিশ্ববিদ্যালয়ত অধ্যাপকৰূপে নিযুক্তি দিছিল। তেওঁ ১৯৫৭

চনলৈ উপাচাৰ্যৰূপে কাৰ্য্যভাৰ চলায় । সন্দিকৈদেৱৰ আশাসুধীয়া চেষ্টাতে গুৱাহাটী বিশ্ববিদ্যালয়-খন ভাৰতৰ ভিতৰতে এখন লেখতলবলগীয়া বিশ্ববিদ্যালয় ৰূপে পৰিগণিত হয় । বিশ্ববিদ্যালয়ৰ দৰে অনুষ্ঠান এখন জাকত-জিলিকাকৈ গঢ়ি তোলাতো তেওঁৰ কম কৃতিত্বৰ পৰিচায়ক নহয় ।

মহাবিদ্যালয় তথা বিশ্ববিদ্যালয় স্থাপনতে যে কৃষ্ণকান্ত সন্দিকৈদেৱৰ কৃতিত্ব নিহিত আছে এনে নহয় । বিভিন্ন সামাজিক তথা ৰাজহুৱা কামৰ লগতো তেওঁ জড়িত আছিল । ১৯২৯ চনত তেওঁ "অসম ছাত্ৰ সন্মিলনৰ" সভাপতি নিৰ্বাচিত হৈছিল । ১৯৩৭ চনত গুৱাহাটীত বহা অসম সাহিত্য সভাৰ তেওঁ আছিল সভাপতি । ১৯৫১ চনত লক্ষ্ণৌত বহা নিখিল ভাৰত প্ৰাচ্য সন্মিলনৰ সংস্কৃত শাখাৰ সভাপতিত্ব কৰিছিল সন্দিকৈদেৱে । ইয়াৰ উপৰি ১৯৫২ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ত বহা আন্ত-বিশ্ববিদ্যালয় বোৰ্ডৰ সভাতো তেওঁ আছিল সভাপতি ।

এজন উদাৰমনা দানশীল ব্যক্তিৰূপেও কৃষ্ণকান্ত সন্দিকৈদেৱ পৰিচিত । বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত দান বৰঙণি আগবঢ়োৱাৰ উপৰিও তেওঁ নানান আপুৰুগীয়া কিতাপ পত্ৰৰে সমৃদ্ধ তেওঁৰ বিৰাট গ্ৰন্থাগাৰটো গুৱাহাটী বিশ্ববিদ্যালয়ক দান কৰি থৈ যায় ।

এইজনা কৃতী পুৰুষৰ সঠিক মূল্যায়ন সুধী সমাজে কৰিব । কিন্তু এই কথা স্বীকাৰ কৰিব লাগিব যে পাণ্ডিত্য আৰু ব্যক্তিত্বত "আনন্দৰাম বৰুৱাৰ পাচতে কৃষ্ণকান্ত সন্দিকৈদেৱৰ স্থান । ভাৰতবৰ্ষৰ প্ৰাচীন সাহিত্য সংস্কৃত সাহিত্যক সুমধুৰ ৰূপত বিশ্বদৰবাৰৰ মাজত উজলিয়াই জনাত অহোপুৰুষাৰ্থ কৰা লোক সকলৰ মাজত সন্দিকৈদেৱো অন্যতম । তেওঁৰ লিখিত গ্ৰন্থ সংখ্যাত বেচি নহব পাৰে কিন্তু গুণগত জোখত ইয়াৰ মূল্য বহুত বেচি । অসমীয়া সাহিত্যত কিতাপ আকাৰে ৰচিত তেওঁৰ গ্ৰন্থ নাই । কিন্তু তেওঁ যিখিনি প্ৰবন্ধ পাতি লিখি থৈ গৈছে সেইখিনি সাহিত্যাচাৰ্য শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাদেৱে সন্দিকৈদেৱৰ মৃত্যুত আকাশবাণী গুৱাহাটীৰ জৰিয়তে প্ৰচাৰিত শ্ৰদ্ধা তৰ্পন অনুষ্ঠানত কোৱাৰ দৰে "কেৱল সোণেৰেহে জুখিব পাৰি ।" কৃষ্ণকান্ত সন্দিকৈ দেৱৰ বিশিষ্ট গুণৰাজিৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে আগবঢ়োৱা পদ্মশ্ৰী ( ১৯৫৫ ) আৰু পদ্মভূষণ ( ১৯৬৭ ) উপাধি যথাৰ্থ হৈছে । তেওঁৰ পাণ্ডিত্যৰ স্বীকৃতি স্বৰূপে ১৯৬৭ চনত গুৱাহাটী বিশ্ববিদ্যালয় আৰু ১৯৭২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সন্মানসূচক ডক্টৰ অব লিটাৰেচাৰ উপাধি প্ৰদান কৰি যথাৰ্থ কামেই কৰিছে । অসম সাহিত্য সভায়ো সন্দিকৈদেৱক "সদস্য মহীয়ান" সন্মানেৰে বিভূষিত কৰে । আচলতে কৃষ্ণকান্ত সন্দিকৈদেৱ আছিল এজন নীৰৱ সাধক । তেওঁ সাধক আছিল জ্ঞানৰ ।

আজীৱন অধ্যয়নৰত, জ্ঞানজিজ্ঞাসু কৃতী শিক্ষাবিদ, প্ৰাচ্যবিদ, বহুভাষাবিদ পণ্ডিত সন্দিকৈদেৱৰ মহাপ্ৰয়াণ সুধী সমাজৰ এক অপূৰণীয় ক্ষতি । তেওঁৰ বিয়োগত সুধী সমাজে অশ্ৰু-অঞ্জলি যাচি শেষ শ্ৰদ্ধা নিবেদন কৰিছে । জ্ঞানৰ অন্বেষণত তেওঁ যি নিৰৱ সাধনাৰ চানেকী দেখুৱাই গ'ল সেই আদৰ্শৰে জ্ঞান বৰ্ত্তি-জ্বলাই আমি আগবাঢ়ি যাব পাৰিলে এই জনা ব্যক্তিৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধা জনোৱা হব । ★

# 'প্ৰাগৈতিহাসিক নৃতত্ত্ব'—ইয়াৰ উৎপত্তি আৰু কাৰ্যক্ষেত্ৰ

শ্ৰীভবেশ চন্দ্ৰ গোস্বামী
অধ্যাপক, নৃতত্ত্ব বিজ্ঞান বিভাগ।

প্ৰাগ্ইতিহাস বা প্ৰাগৈতিহাসিক নৃতত্ত্বৰ প্ৰথম অধ্যয়ন হয় ইউৰোপৰ দেশবোৰত। ইংৰাজী ভাষাত ইয়াক ( Pre-history ) নাইবা ( Pre-historic Anthropology ) বুলি কোৱা হয়। নৃতত্ত্বত 'Pre-history' শব্দটো প্ৰথমে প্ৰয়োগ কৰে এডৱাৰ্ড টাইলৰ নামত এজন ইংৰাজ নৃতত্ত্ববিদে। ১৮৭১ চনত লিখা তেওঁৰ অমূল্য গ্ৰন্থ 'Primitive Culture' নামৰ কিতাপখনত প্ৰথমে প্ৰাগ্ইতিহাস ( Pre history ) শব্দটো প্ৰয়োগ কৰে। কিন্তু কিছুমান পণ্ডিতে এই প্ৰাগ্-ইতিহাস শব্দটো অপপ্ৰয়োগৰ নিচিনা হোৱা বুলি মন্তব্য কৰিছে। কাৰণ এই শব্দটোৱে প্ৰকৃততে ইতিহাসৰ আগৰ সময়ছোৱাকহে বুজায়। পৃথিবীত মানুহ আবিৰ্ভাৱ হ'বৰ পৰা বৰ্তমানলৈ এই গোটেইখিনি সময়েই মানৱ ইতিহাসত পৰে আৰু মানৱ ইতিহাসক কেবাটাও ভাগত ভগাব পাৰি, যেনে— প্ৰাগ্ইতিহাস, প্ৰাচীন যুগৰ ইতিহাস, মধ্যযুগৰ ইতিহাস আৰু আধুনিক যুগৰ ইতিহাস। ডেনিয়েল নামৰ এজন পণ্ডিতৰ মতে মানৱ ইতিহাসৰ যিমানে বিভিন্ন শাখা প্ৰশাখা নাথাকক কিয়, নৃতত্ত্ব আৰু প্ৰত্নতত্ত্বৰ কাৰণে অতি আৱশ্যকীয় বিভাগ বা শাখাটো হ'ল প্ৰাগ্ইতিহাস বা 'Pre-history' আৰু তেওঁৰ মতে এই শব্দটোৱে মানুহৰ লিখিত প্ৰথা প্ৰচলন হোৱাৰ পূৰ্ববৰ্তী কালছোৱাকহে বুজায়। ডেনিয়েলৰ মতে যিহেতু প্ৰাগৈতিহাসিক সকলে কোনো ৰজা-মহাৰজাৰ বীৰত্বপূৰ্ণ ইতিহাস ৰচনা কৰি মানৱ সমাজত দাঙি ধৰিব নোৱাৰে আৰু যিহেতু তেওঁলোকে প্ৰাগৈতিহাসিক যুগৰ মানহে ভূগৰ্ভত এৰি থৈ যোৱা পুৰণি ভগা-ছিগা অৱশেষ উদ্ধাৰ কৰাত প্ৰধানকৈ ব্যস্ত থাকে সেইবাবে পৃথিৱীৰ বহুত দেশত এই বিষয়টোৱে শিক্ষানুষ্ঠানবিলাকত অইন বিষয়ৰ লগত সমানে অগ্ৰগতি লাভ কৰিব পৰা নাই।

আমেৰিকা আৰু বৃটেইনত এই প্ৰাগইতিহাস বিষয়টো বিশ্ববিদ্যালয় আৰু আন শিক্ষানুষ্ঠান-বোৰত জনপ্ৰিয় হৈ উঠিছে। সেইবিলাক দেশত প্ৰাগইতিহাসৰ বিভিন্ন সমলবোৰ সংগ্ৰহ কৰি সংগ্ৰহালয়ত ৰখা হৈছে আৰু চৰকাৰৰ ফালৰ পৰাও ইয়াৰ প্ৰসাৰৰ কাৰণে চকু দিছে। কিন্তু আমাৰ দেশত প্ৰাগৈতিহাসিক নৃতত্ত্বৰ অধ্যয়ন যি ধৰণে আগবাঢ়িব লাগিছিল সেইধৰণে আগবাঢ়িব পৰা নাই। ইয়াৰ প্ৰধান কাৰণ হ'ল আইন

বিষয়বোৰৰ তুলনাত ইয়াৰ অধ্যয়ন শিক্ষানুষ্ঠান-বোৰত সীমিত। যিহেতু প্ৰাগৈতিহাসিক নৃতত্ব নৃতত্ত্বৰ এটি প্ৰধান অংগ তথাপি নৃতত্ত্বৰ আৱিষ্কাৰধৰ্মী দিশ:বোৰৰ ভিতৰত পৰে আমি নজনা কথাৰ সন্ধেদ আহৰণ কৰা। ইয়াৰ ভিতৰত প্ৰাগৈতিসাহিক যুগৰ আৱিষ্কাৰবোৰে মানৱ সমাজত সহজে জনপ্ৰিয়তা লাভ কৰে। বুৰঞ্জীয়ে চুকি নোপোৱা অতি আদিম যুগত পূৰ্বপুৰুষসকলে গুহাত বাস কৰিছিল আৰু তেওঁলোকে আমাৰ কাৰণে পৃথিবীৰ ভূগৰ্ভত সেইযুগত ব্যৱহৃত কৃষ্টিমূলক সামগ্ৰীবোৰ সাক্ষীৰূপে এৰি থৈ গৈছিল। এইবোৰ জীৱাশ্মত পৰিণত হৈ পৃথিবীৰ ভূস্তৰত সঞ্চিত হৈ আছে আৰু জীৱাশ্মবিদ আৰু প্ৰত্নতত্ত্ববিদসকলে অধ্যয়ন কৰি সেইযুগৰ মানুহৰ জীৱনধাৰা সম্বন্ধে আমাক জানিবলৈ দিয়ে। অৰ্থাৎ প্ৰাগৈতিহাস বা প্ৰাগৈতিহাসিক নৃতত্বৰ বিষয়ে জানিবলৈ হ'লে ইতিহাসে চুকি নোপোৱা সময়ৰ মানুহবিলাকৰ আৱয়বিক আৰু সংস্কৃতিক অৱশেষবোৰ উদ্ধাৰ কৰি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰিব লাগিব।

প্ৰাগৈতিহাসিক নৃতত্ব নৃতত্ত্বৰে এটা প্ৰধান শাখা আৰু ই সংস্কৃতিক নৃতত্ত্বৰে এটা ভাগ। আনহাতে প্ৰত্নতত্ত্ব প্ৰাগৈতিহাসিক নৃতত্ত্বৰ এটা প্ৰধান শাখা। প্ৰত্নতত্ত্বই প্ৰাগৈতিহাসিক ৰচনাত অতি উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে। এই বিষয়টোৰ অধ্যয়নৰ অবিহনে প্ৰাগৈতিহাসিক নৃতত্বৰ অধ্যয়ন যুক্তিহীন।

প্ৰাগৈতিহাসৰ বিষয়বস্তু আৰু অধ্যয়ন প্ৰণালী ঐতিহাসিক যুগৰ মানৱ সমাজ অধ্যয়ন প্ৰণালীতকৈ পৃথক হোৱা বাবে প্ৰাগৈতিহাসক মূল ইতিহাসৰ পৰা পৃথক কৰি এটি সুকীয়া বিভাগ কৰা হৈছে আৰু এই বিভাগটোক প্ৰত্নতত্ত্ব নাম দি প্ৰাগৈতিহাসিক নৃতত্ত্বৰ লগত সাঙোৰা হৈছে। প্ৰত্নতাত্ত্বিক বা প্ৰত্নতত্ত্ববিদসকলে অতীত কালৰ মানৱ সংস্কৃতিৰ অৱশেষবোৰ বিশ্লেষণ কৰি প্ৰাগৈতিহাস ৰচনাৰ কাৰণে সমল যোগায়। প্ৰত্নতত্ত্বৰ লগত জড়িত হোৱা বাবে কোনো কোনো ক্ষেত্ৰত প্ৰাগৈতিহাসিক নৃতত্ত্বৰ ঠাইত প্ৰাগৈতিহাসিক প্ৰত্নতত্ত্ব বুলিহে এই বিষয়টো পৰিচিত।

জীৱজগতত মানুহক আটাইতকৈ উচ্চস্থান দিয়া হৈছে, কাৰণ মানুহৰ কথা কব পৰা ক্ষমতা আছে আৰু তাৰ উপৰিও মানুহে দুই হাতেৰে বিভিন্ন কাম কৰিব পাৰে অৰ্থাৎ নিজৰ প্ৰয়োজনীয় সামগ্ৰী নিজে তৈয়াৰ কৰি লব পাৰে। সেইবাবে প্ৰত্নতাত্ত্বিক সূত্ৰমতে মানুহক হাতিয়াৰ তৈয়াৰ কৰিব জনা প্ৰাণী বুলি কোৱা হয়। আদিম যুগৰ মানুহেও হাতেৰে হাতিয়াৰ তৈয়াৰ কৰিছিল কিন্তু সেই হাতিয়াৰবোৰ আছিল শিলৰ বা ওস্তৰ হাড়ৰ। তেওঁলোকে সেই যুগত তৈয়াৰ কৰা বিভিন্ন অস্ত্ৰ-শস্ত্ৰবোৰ এতিয়াও পৃথিবীৰ বিভিন্ন ঠাইত সিচঁৰিত হৈ আছে আৰু সেইবোৰ সংগ্ৰহ কৰি প্ৰাগৈতিহাসিক বা প্ৰত্নতত্ত্ববিদসকলে ঐতিহাসিক সমল যোগোৱাত কৃতকাৰ্যতা লাভ কৰিছে। শিলৰ অস্ত্ৰবোৰে আদিম যুগৰ সাংস্কৃতিক সামাজিক জীৱনৰ লগত আমাক পৰিচয় কৰাই দিয়ে। হাজাৰ হাজাৰ বছৰ মাটিৰ তলত পোতগৈ থকা পুৰণি কৃষ্টি আৰু জৈৱিক সামগ্ৰীবোৰ অধ্যয়ন কৰাত প্ৰত্নতত্ত্বই আগভাগ লৈছে। এতিয়াও এই বিষয়টোৱে প্ৰাগৈতিহাস ৰচনাত যথেষ্ট সাফল্য অৰ্জন কৰিছে। ভাৰতৰ উত্তৰ পূৱ অঞ্চলত বিশেষকৈ গাৰোপাহাৰ, অৰুণাচল প্ৰদেশত প্ৰাগৈতিহাসিক নৃতত্ত্ব বা প্ৰাগৈতিহাসৰ গৱেষণাৰ যথেষ্ট সমল আছে।

* * *

# ভাৰতৰ নিবনুৱা সমস্যাৰ ওপৰত শিক্ষা ব্যৱস্থাৰ প্ৰতিক্ৰিয়া

অৰুণ চন্দ্ৰ পাটোৱাৰী ।

অধ্যাপক, অৰ্থনীতি বিজ্ঞান বিভাগ ।

ভাৰতৰ শিক্ষা ব্যৱস্থা প্ৰধানতঃ আক্ষৰিক । এই আক্ষৰিক শিক্ষা ব্যৱস্থাই জন সাধাৰণক কোনো এটা কামৰ কাৰণে সম্পূৰ্ণৰূপে প্ৰস্তুত কৰি তুলিব নোৱাৰে । শিক্ষা আৰু নিয়োগ নীতি সংগতিবিহীন । শিক্ষা ব্যৱস্থা অৰ্থনৈতিক দিশত খাপ খোৱা ধৰণৰ হোৱা বাঞ্চনীয় । শিক্ষা ব্যৱস্থাৰ এনেধৰণে গঢ় দি তুলিব লাগে যিটো নিয়োগ ধৰ্মী বুলি আখ্যা দিব পাৰি । এজন মানুহক যি বিষয়ত শিক্ষা দিয়া হয়, সেই মানুহজনক সেই বিষয়তহে নিয়োগ কৰাটো দৰ্কাৰ । কাৰণ তেওঁৰ পাৰদৰ্শিতা ( Skill ) বা যোগ্যতা মাত্ৰ সেই কামটো বা সংস্থানটোৰ বাবেহে । পৃথিৱীৰ উন্নত দেশসমূহত শিক্ষা ব্যৱস্থা নিয়োগধৰ্মী বুলি কব পাৰি । ভাৰতত জনসাধাৰণক যি শিক্ষা দি অহা হৈছে ই নিয়োগ নীতিত যথেষ্ট খেলিমেলিৰ সৃষ্টি কৰি আহিছে । ফলত সি অৰ্থনৈতিক প্ৰগতিৰ দিশত আশীৰ্বাদ নহৈ অভিশাপ স্বৰূপ হৈ উঠিছে । ভাৰতৰ নিবনুৱা সমস্যা বৃদ্ধি পোৱাৰ কাৰণ ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থা । ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনা আয়োগে ভাৰতৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ চেষ্টা চলাই আহিছে যদিও ই কৃতকাৰ্যতা লাভ কৰিব পৰা নাই । ব্যয় বহুল শিক্ষা ব্যৱস্থাই জনসাধাৰণৰ কল্যাণ সাধন কৰিবলৈ এতিয়াও সমাৰ্থবান হোৱা নাই বুলি কলেও ভুল নহব । বৰঞ্চ শিক্ষা ব্যৱস্থাত যিখিনি ব্যয় কৰি আহিছে সেইটো এটা বৃহৎ অপচয় বুলি কব পাৰি । ভাৰতৰ নিবনুৱা সমস্যা সমাধানৰ পৰিপ্ৰেক্ষিতত চৰকাৰে যি ব্যয় কৰিছে তাৰ দ্বাৰা কোনো সক্ৰিয় প্ৰভাৱ পৰা পৰিলক্ষিত হোৱা নাই । এনেকুৱা শিক্ষাবিদ, বা পৰিকল্পনাকাৰীৰ মনত উপায় উদ্ভৱ হোৱা নাই, যিয়ে নেকি আজিৰ এই বৃহৎ আকাৰৰ নিবনুৱা সমস্যাৰ ওৰ পেলাব পাৰে । ভাৰতত ১৯২২ চন আৰু ১৯৪৭ চনৰ ভিতৰত ১০ টাতকৈ অধিক শিক্ষা কমিচন বহুৱা হৈছে । ১৯৩২ চনৰ ৩ চেপ্তেম্বৰত চাৰ এম বিশ্বচাৰ্য্য ( Sir M Visveswaya ) বাঙ্গালোৰৰ এখন বিশ্ববিদ্যালয়ত আঙুলিয়াই দিছিল যে ভাৰতৰ নিবনুৱা সমস্যা পৃথিৱীৰ আন দেশৰ দৰে নহয় । তেওঁৰ মনত ভাৰতৰ জন সাধাৰণক যদি ইয়াৰ শিল্প, বাণিজ্য, কৃষি খণ্ডৰ লগত সংগতি ৰাখি শিক্ষা দিয়া হয়, তেনেহলে নিবনুৱা সমস্যাৰ প্ৰকট উপশম কৰিব

পৰা যাব । কিন্তু আজিৰ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ কাৰ্য্য-সূচীসমূহ তেনেদৰে ৰূপ দিব পৰা নাই । দেশ স্বাধীন হোৱাৰ পিছৰ পৰাই ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰসাৰতা লাভ কৰা দেখা যায় । শিক্ষা প্ৰসাৰৰ ফলত শিক্ষিত কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি পাই আহিছে । শিক্ষাৰ প্ৰসাৰতাৰ কাৰণে শ্ৰমৰ বজাৰত শ্ৰমিকৰ প্ৰাচুৰ্য্য দেখা দিছে । শ্ৰমিকৰ চাহিদা আৰু যোগানৰ ভাৰসাম্যতা নাইকীয়া হৈছে । শ্ৰমিকৰ নিয়োগৰ ধৰণ, দৰমহা আদিৰ সংগতি নাই । এটা বিশৃঙ্খলাৰ পৰিবেশত শ্ৰমিকক নিয়োগ আৰু বেতন দিয়া দেখা যায় । ভাৰতৰ ১৯৬৪-৬৬ চনৰ শিক্ষা কমিচনে আঙুলিয়াই দিয়াৰ দৰে দেশৰ অৰ্থনৈতিক প্ৰগতিত এই ব্যৱস্থাই কোনো সঁহাৰি যোগাব পৰা নাই । বৰ্তমান ছাত্ৰসকলে যি শিক্ষা আহৰণ কৰে সেইখিনি কাৰ্যত লগাবলৈ সুবিধা নেপায় । এই আক্ষৰিক শিক্ষাই তেওঁলোকক নিজ কৰ্ম সংস্থানৰ বাট দেখুৱাবলৈ অপাৰগ হয় ।

বৃটিছৰ সময়ত চৰকাৰে শিক্ষা বিষয়ত অতি নগণ্য পৰিমাণৰ ধন খৰচ কৰিছিল । সেইখিনিও বিশেষকৈ জন-সাধাৰণৰ মাজৰ পৰাহে খৰচ কৰা হৈছিল । স্বাধীনতাৰ পিছত চৰকাৰৰ শিক্ষা বিষয়ত জটিল সমস্যাই দেখা দিয়ে । ১৯৭৭-৭৮ চনত ভাৰতৰ স্কুল কলেজ সমূহৰ সংখ্যা ১৯৫১ চনৰ ২·৯ লাখৰ পৰা ৭·৬ লাখলৈ বৃদ্ধি পায় । সেই হিচাবে এনৰোলমেন্ট ২৫৫ লাখৰ পৰা ১০৫৪ লাখলৈ বৃদ্ধি পাইছিল । ১৯৭৭-৭৮ চনত মুঠ ২,৫৫৫ কৌ টকা ব্যয় কৰা হয় । ১৯৫১ চনত ইয়াৰ পৰিমাণ আছিল ৭৭ কোটি টকা । ব্যয় পৰিমাণৰ তুলনাত সমাজৰ কল্যান সাধন হোৱা নাই বুলি কব পাৰি । বৰঞ্চ অৰ্থনৈতিক দিশৰ পৰা অপচয় বুলি কব লাগিব । কিয়নো ইয়াৰ পৰা জন-সাধাৰণৰ পাৰদৰ্শিতা ( Skill ), যোগ্যতা বা উৎপাদন ক্ষমতাৰ বৃদ্ধি কৰিব পৰা নাই । চৰকাৰে শিক্ষাৰ ব্যয়ৰ অধিকাংশ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহ খোলাত গুৰুত্ব আৰোপ কৰিছে । প্ৰকৃততে শিক্ষাৰ ভেটি স্বৰূপ প্ৰাথমিক আৰু মাধ্যমিক স্তৰতহে গুৰুত্ব আৰোপ কৰা প্ৰয়োজন আছিল ।

অৰ্থনৈতিক প্ৰগতি লাভ হয় মানৱ সম্পদৰ সুব্যৱহাৰৰ ফলত । জন পৰিকল্পনাৰ ক্ষেত্ৰত ( Man power planning ) যদি অৰ্থনৈতিক পৰিপ্ৰেক্ষিতত খাপ খুৱাই শিক্ষা ব্যৱস্থাৰ গঢ় দিয়া নহয় তেতিয়া হলে জন-সাধাৰণৰ কল্যাণ সাধন হব নোৱাৰে । অধ্যাপক হানছেন ( Hansan), লুইছ, আদি অৰ্থনীতিবিদ, আদিৰ মতে মানৱ সম্পদ উৎপাদনৰ ক্ষেত্ৰত লাগটিয়াল উপাদান । তেওঁলোকৰ মতে জনসংখ্যা বাঢ়িলে, বজাৰ বাঢ়ে বজাৰ সম্বন্ধে নিশ্চয়তা লাভ কৰে, ব্যৱসায় জগতত আশাবাদী মনোভাৱ গঢ়ি তুলিব পাৰে । উপযুক্ত যোগ্যতা থকা শ্ৰমিকৰ যোগান বাঢ়িলে উৎপাদন বৃদ্ধি কৰিব পাৰি । মানৱ সম্পদ ( Human capital ) এটা অপৰিহাৰ্য উপাদান । গতিকে এই মূলধন কোনো ৰাষ্ট্ৰ বা চৰকাৰে অপচয় হব দিয়াটো উচিত নহয় ।

শিক্ষিতলোকৰ মাজত সৃষ্টি হোৱা নিবনুৱা সমস্যাই আজি শিক্ষাবিদ, বুদ্ধিজীৱি সকলৰ মাজত এটা সন্ত্ৰাসৰ সৃষ্টি কৰিছে । এই নিবনুৱা সমস্যা

দূৰকৰীণৰ কাৰণে শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন কৰিব লাগিব। চৰকাৰে শিক্ষানুষ্ঠানৰ মাচুল আদি বৃদ্ধি কৰি শিক্ষিত লোকৰ হাৰ কমাব পাৰে। কিন্তু এইটো গ্ৰহণযোগ্য সমাধান নহয়। শিক্ষিত ব্যক্তি সকলে চাকৰি কৰা মনোভাৱ পৰিহাৰ কৰিব লাগিব। এনেকুৱা শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগে যাৰ দ্বাৰা আত্ম নিয়োগ ( Self employment ) কৰিব পাৰি। নিজকে আত্ম নিয়োগ কৰিবৰ বাবে মূলধনৰ প্ৰয়োজন। চৰকাৰে এই মূলধনৰ যোগান ধৰাটো দৰ্কাৰ। কৃষিখণ্ড, উদ্যোগ আৰু বাণিজ্য খণ্ডত আত্ম নিয়োগ কৰি অৰ্থনৈতিক উন্নতি সাধন কৰিব লাগে।

শিক্ষিত নিবনুৱাৰ হাৰ প্ৰৱৰ্তন কমাবৰ কাৰণে চৰকাৰে কিছুমান আঁচনি প্ৰস্তুত কৰিব লাগিব। প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণ, গ্ৰাম্য অভিযান্ত্ৰিক মাপ কাঠি ( Rural engineering survey ) ৰাস্তা ঘাট নিৰ্মাণৰ উন্নতি আৰু গঠন, পানী যোগান, ব্যৱসায় বাণিজ্যত উন্নতি সাধন ( entrepreneur development ), ৰাণিজ্যিক প্ৰতিস্থানৰ সৃষ্টি ( Commercial estates ), ক্ৰেতাৰ সমবায় ( Consumer co-operatives ), পাতল ইঞ্জিনিয়াৰিং ঘৰ নিৰ্মাণ আদি আঁচনি প্ৰস্তুত কৰাটো বাঞ্চনীয়।

নিবনুৱা সমস্যা দূৰ কৰিবৰ বাবে চৰকাৰে শিক্ষা ব্যৱস্থাৰ এনেদৰে ৰূপ দিব লাগে যাতে ই Microplanning shape অৰ্থাৎ সুক্ষ্ম পৰিকল্পনাৰ আকৃতি লয়। শিক্ষা ব্যৱস্থা জিলা ভিত্তিত গঢ়ি তুলিব লাগে। তেতিয়া হলে স্থানীয় সম্পদ উদ্ঘাটন ( local resources ) আৰু স্থানীয় নিবনুৱা সমস্যাৰ সমাধান কৰিব পৰা যাব। কাৰণ জাতীয় শিক্ষা ব্যৱস্থা বা জাতীয় অৰ্থনৈতিক পৰিকল্পনা ব্যৱস্থাই এই লক্ষ্যত উপনীত হব নোৱাৰে। নিবনুৱা সমস্যাৰ ওৰ পেলাবৰ বাবে শিক্ষা ব্যৱস্থা বিকেন্দ্ৰীকৰণ হোৱা দৰ্কাৰ শিক্ষা বিকেন্দ্ৰীকৰণৰ অৰ্থ এয়ে যে ই আঞ্চলিক নিবনুৱা সমস্যা সমাধানৰ পৰিপ্ৰেক্ষিত সহায়ক হোৱাটো প্ৰয়োজন।

ইয়াৰ বাহিৰেও চৰকাৰে জন-সাধাৰণৰ মাজত বিজ্ঞান সন্মত শিক্ষাৰ প্ৰসাৰ ঘটোৱা দৰ্কাৰ। যি শিক্ষাই জনসংখ্যা নীতিত অবিহণা যোগাব পাৰে। যুৱক-যুৱতীৰ মাজত জন্মৰ হাৰ কমাবৰ বাবে শিক্ষাৰ মাধ্যমেৰে প্ৰচাৰ কাৰ্য চলোৱাটো উচিত। গতিকে আজিৰ শিক্ষাবিদ পৰিকল্পনাকাৰী আৰু অৰ্থনীতিবিদ সকলে শিক্ষা ব্যৱস্থাক এনেদৰে গঢ়ি তুলিব লাগিব যাতে ই নিবনুৱা সমস্যা সমাধানত বৰঙণি যোগাব পাৰে।

★ ★ ★

# ঃ ভাৰতীয় ৰেনেছাঁ প্ৰসংগত ঃ
(এটি সংক্ষিপ্ত ব্যাখ্যা)

দ্বিজেন দাস
মুৰব্বী অধ্যাপক,
ইতিহাস বিভাগ।

"To learn about the present in the light of the past means also to learn about the past in the light of the present. The function of history is to promote a profounder understanding of both past and present through the inter-relation between them." (What is history? E. H. Carr. page-68)

বিপুল শক্তিৰ অধিকাৰী, সামাজিক শক্তিৰ উৎস অখ্যাত জনগণক অবজ্ঞা কৰি একশ্ৰেণীৰ ঐতিহাসিকে ইতিহাস ৰচনা কৰে। এই শ্ৰেণীৰ ঐতিহাসিকৰ ধাৰণাত ইতিহাস হৈ পৰে সমাজৰ কিছুমান বিচ্ছিন্ন ঘটনাৰ সমষ্টি। ভাৰতীয় ইতিহাস প্ৰসংগত কবিগুৰু ৰবীন্দ্ৰ নাথে এটি সুন্দৰ মন্তব্য কৰিছে। তেওঁ ভাৰতৰ তথা-কথিত ইতিহাসক 'দুঃস্বপ্নৰ কাহিনী' মাত্ৰ বুলি উল্লেখ কৰিছে—যি কাহিনীত পোৱা যায় মাত্ৰ কোন ক'ৰ পৰা আহিল, ক'ত কোনে কটাকটি মৰামৰি কৰিলে, পিতা-পুত্ৰই, ভায়ে-ভায়ে সিংহা-সনৰ কাৰণে মৰামৰি কৰিলে। সেয়ে প্ৰচলিত ভাৰতীয় ইতিহাস অধ্যয়ন কৰিলে ভাৰতবৰ্ষৰ প্ৰকৃত চিত্ৰ, সামাজিক গাঁথনিৰ সংঘৰ্ষময় চিত্ৰ অনুধাৱন কৰা দু:সাধ্য হৈ পৰে। আমি এই প্ৰবন্ধৰ সীমিত পৰিসৰত ভাৰতীয় ৰেনেছাঁৰ সামাজিক পটভূমি আৰু তাৎপৰ্য সামাজিক বিকাশৰ পট-ভূমিত আলোচনা কৰিবৰ প্ৰয়াস কৰিম। ৰেনেছাঁৰ বিষয়ে আলোচনা কৰাৰ আগতে পলাশী যুদ্ধৰ জয়লাভৰ পিছৰ পৰা অষ্টাদশ আৰু উনবিংশ শতাব্দীৰ ইংৰাজ বণিকসকলৰ দ্বাৰা লুণ্ঠিত ভাৰত-বৰ্ষৰ অৰ্থনৈতিক আৰু সামাজিক বিন্যাস সম্বন্ধে এটি সাধাৰণ ধাৰণা লোৱা ভাল হ'ব। তেতিয়াহে ৰেনেছাঁৰ নায়কসকলৰ ভূমিকাৰ যথাযথ বিশ্লেষণ কৰাত সুবিধা হ'ব। পলাশী যুদ্ধৰ জয়ৰ মাধ্য-মত বংগদেশত খোপনি পোতা ইষ্ট ইণ্ডিয়া কোম্পানীৰ বণিকসকলে নামমাত্ৰ মূল্যত দ্ৰব্যক্ৰয়

কৰি ইংলেণ্ড আৰু য়ুৰোপৰ বজাৰত বিক্ৰী কৰি প্ৰচুৰ মুনাফা অৰ্জন কৰিব ধৰে । এই লুণ্ঠিত সম্পদৰ ফলত মন্থৰ হৈ থকা ইংলণ্ডৰ শিল্প বিপ্লৱৰ গতি দ্ৰুত আৰু বিস্ময়কৰ হৈ উঠে । চিন্তাশীল লেখক Adams Brooke য়ে মন্তব্য কৰিছে, "১৬৬৪ চনৰ পৰা ১৭৫৭ চনলৈ ইংলণ্ডৰ সমৃদ্ধিৰ গতি আছিল অতি ধীৰ, কিন্তু ১৭৬০ চনৰ (পলাশীৰ যুদ্ধ হৈছিল ১৭৫৭ত) পৰা ১৮১৫ চনলৈ এই গতি দ্ৰুত আৰু বিস্ময়কৰ।" এইখিনিতে আমি মনত ৰাখিব লাগিব যে ইংলণ্ডত হোৱা শিল্প বিপ্লৱ কেৱল বিজ্ঞানৰ জয়যাত্ৰা নহয়, ইয়াত জৰিত আছে ভাৰতৰ লুণ্ঠিত মূলধন । এটা সময়ত ভাৰতীয় কুটিৰ শিল্পত উৎপাদন হোৱা বস্ত্ৰৰ লগত ফেৰ মৰা ইংৰাজ শিল্পপতিসকলৰ দুঃসাধ্য আছিল । সেয়ে মাঞ্চেষ্টাৰত উৎপাদন হোৱা বস্ত্ৰ-শিল্প ৰক্ষা কৰিবলৈ ভাৰতীয় আমদানিকৃত বস্ত্ৰৰ ওপৰত গধুৰ শুল্কৰ বোজা জাপি দিবলৈ বৃটিছ কৰ্তৃপক্ষই বাধ্য হৈছিল । ভাৰতৰ শিপিনীসকলে যাতে ভাৰতৰ ভিতৰত অবাধ গতিত বাণিজ্যিক লেনদেন কৰিব নোৱাৰে তাৰ কাৰণে কঠোৰ ব্যৱস্থা লবলৈ বাধ্য হৈছিল । আনকি ঢাকাৰ বহু তাঁতীৰ বুঢ়া আঙুলি কটাৰ নিচিনা পশুসুলভ কাৰ্য-ব্যৱস্থা ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল । এইদৰে বৃটিছৰ আক্ৰমণত ভাৰতৰ প্ৰচলিত কুটিৰ শিল্পৰ কঁকাল চিৰদিনৰ বাবে ভাগি গৈছিল । কুটিৰ শিল্প ধ্বংসপ্ৰাপ্ত হোৱাৰ পিছত ক্ষুধাৰ্ত শিল্পী পৰিয়ালে আতুৰৰ দৰে মাটিৰ ওপৰত জপিয়াই পৰিবলৈ বাধ্য হৈছিল ।

শোষণ আৰু লুণ্ঠনৰ প্ৰথম স্তৰৰ পিছত সাম্ৰাজ্যবাদীহঁতে উপনিবেশীয় অৰ্থনৈতিক কৌশল পৰিবৰ্তন কৰাতো অপৰিহাৰ্য বুলি উপলব্ধি কৰিব ধৰে । সেই সময়ছোৱাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ধনপতি ( Moneyocracy ) সকলৰ লগত শিল্পপতি ( Millocracy ) সকলৰ বিবাদৰ সূত্ৰপাত হয় । এই বিবাদত জয়লাভ কৰি শিল্পপতিসকলে ইংলণ্ডৰ ৰাজনীতি আৰু অৰ্থনীতিক বিজয় প্ৰতিষ্ঠা কৰি ৰাষ্ট্ৰযন্ত্ৰৰ কৰ্ণধাৰ হিচাবে ভূমিকা লবলৈ অগ্ৰসৰ হয় । এই শ্ৰেণীটোৰে দাবীত ইংলণ্ডৰ ঔপনিবেশীয় নীতিৰ ৰূপান্তৰ ঘটে । শোষণৰ এই দ্বিতীয় স্তৰত জোৰ দিয়া হ'ল ভাৰতীয় কৃষি সম্পদ লুণ্ঠণত । ইংলণ্ডৰ শিল্পৰ অদ্ভুত সম্প্ৰসাৰণৰ ফলত কৃষি সামগ্ৰীৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছিল আৰু সেয়ে ভাৰতবৰ্ষক ইংলণ্ডৰ এখনি কৃষি পামলৈ ৰূপান্তৰিত কৰে । কৃষিক বাণিজ্যিক মুখী কৰিবলৈ বৃটিছ চৰকাৰে সেই সময়ছোৱাত কিছুমান ব্যৱস্থা লৈছিল আৰু লগতে তেল, কয়লা, মেংগানিজ আদি শিল্প গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল । এই শিল্প সমূহৰ লগত জড়িত ৰেল-লাইন, টেলিগ্ৰাফ আদি বিকাশৰ ব্যৱস্থা হাতত লবলৈ পাহৰা নাছিল । এইদৰে ভাৰতীয় অৰ্থনীতি পুঁজিবাদৰ পূৰ্ব-স্তৰত ৰাখি ঔপনিবেশীয় শাসন কাৰ্য গঢ়ি তোলা হ'ল । ফলত শিল্প বিকাশৰ পথ বন্ধ থকাত ভাৰতীয় সম্পদশালী শ্ৰেণীটোৱে কৃষিকাৰ্যৰ ওপৰত জোৰ দিবলৈ বাধ্য হোৱাত ভূ-সম্পত্তিৰ ওপৰত অতিৰিক্ত চাপ সৃষ্টি হয় ।

সাম্ৰাজ্যবাদীৰ নতুন মুদ্ৰা আৰু ৰাজহনীতিৰ ফলত প্ৰচলিত ভাৰতীয় ভূ-নীতিৰ অদ্ভুত পৰিবৰ্তন

ঘটে । ভাৰতীয় স্বয়ং সম্পূৰ্ণ গ্ৰাম অৰ্থনীতি ভাগি পৰাৰ ফলত কৃষি ভূমিৰ ওপৰত ব্যক্তিগত মালিকানা প্ৰতিষ্ঠা, মুদ্ৰানীতি, মহাজনী প্ৰথা আদিয়ে ভাৰতীয় কৃষকৰ ভাগ্যত নমাই আনিছিল মৃত্যুৰ কৰাল ছায়া । এহাতে দৰিদ্ৰতা আৰু আনহাতে সাম্ৰাজ্যবাদী মহাজন শ্ৰেণীৰ সন্মিলিত আক্ৰমণৰ ফলত ভাৰতীয় কৃষক লুণ্ঠিত আৰু শোষিত হৈ পৰিছিল । জীৱন আৰু জীৱিকাৰ তাগিদাত সেই সময়ছোৱাত ভাৰতীয় কৃষকে আপোচহীন সংগ্ৰামত লিপ্ত হয় আৰু ভাৰতীয় ইতিহাসত সংগ্ৰামী মানুহৰ নতুন আদৰ্শ দাঙি ধৰে । কিন্তু সাম্ৰাজ্যবাদীৰ সহযোগী হিচাবে লাভ কৰা সম্পদেৰে ভাৰতীয় মহাজন শ্ৰেণীটোৱে কৃষকৰ পৰা মাটি কাঢ়ি লোৱাত গুৰুত্ব আৰোপ কৰিছিল । ইফালে লৰ্ড ডেলহাউচিৰ শাসনকালত বৃটিছ সাম্ৰাজ্যই বিশাল আকাৰ লৈছিল । এই বিশাল সাম্ৰাজ্য সুসংগঠিত কৰি ৰখাৰ বাবে দৰ্কাৰ হৈ পৰিছিল একশ্ৰেণীৰ ইংৰাজী শিক্ষিত ভাৰতীয় মানুহ ।

সেয়ে ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত মেকেলে চাহাবৰ আহিত "Indian in blood and colour but English in taste, in opinion, in morals and in intellect" গঢ়ি তোলা পশ্চিমীয়া ঔপনিবেশীয় শিক্ষা ব্যৱস্থাই আগবঢ়োৱা সুবৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ সম্পদশালী মহাজন শ্ৰেণীটোৰ উত্তৰাধিকাৰসকলে উঠি পৰি লাগিছিল । পৰৱৰ্তী কালত এই মহাজন শ্ৰেণীটোৰ বংশধৰ সকলৰ নেতৃত্বতে গঢ়ি উঠে ভাৰতৰ তথাকথিত ৰেনেছাঁ আন্দোলন ।

## য়ুৰোপীয় আৰু ভাৰতীয় ৰেনেছাঁ

য়ুৰোপীয় আৰু ভাৰতীয় ৰেনেছাঁৰ মাজত চৰিত্ৰ আৰু লক্ষ্যত সুস্পষ্ট পাৰ্থক্য বিদ্যমান ; যদিও বহু ভাৰতীয় একাডেমিক ঐতিহাসিকে উনবিংশ শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত পাশ্চাত্য চিন্তাধাৰা আৰু বুৰ্জোৱা বিপ্লৱৰ ফলত সৃষ্টি হোৱা আন্দোলনক ৰেনেছাঁ বুলি অভিহিত কৰিছে । য়ুৰোপত সৃষ্টি হোৱা ৰেনেছাঁ আন্দোলন আছিল সামন্ততন্ত্ৰ বিৰোধী । এই আন্দোলনৰ নেতৃত্ব দিছিল য়ুৰোপৰ ব্যৱসায়ী বুৰ্জোৱা শ্ৰেণীটোৱে ( Commercial bourgeoisie ) । পঞ্চদশ শতাব্দীৰ প্ৰথম ভাগৰ পৰা অষ্টাদশ শতাব্দীৰ শেষ ভাগ পৰ্যন্ত য়ুৰোপত চলা যুগান্তকাৰী আন্দোলনৰ অনিবাৰ্য পৰিণতি স্বৰূপে য়ুৰোপত সামন্ততন্ত্ৰ সম্পূৰ্ণভাৱে উচ্ছেদ হৈছিল আৰু প্ৰতিক্ৰিয়াশীল আৰু ধ্বংসমুখী সামন্ততন্ত্ৰৰ বিৰুদ্ধে ধনতন্ত্ৰৰ বিজয় যাত্ৰা ঘোষিত হৈছিল । এই আন্দোলনৰ সংগ্ৰামী সৈনিক আছিল সামাজিক ভিত্তি স্বৰূপ ভূমি দাসত্ব ( serfdom ) শৃংখলাত আবদ্ধ কৃষকসকল । আনহাতে উনবিংশ শতাব্দীত ভাৰতত ঠন ধৰি উঠা তথাকথিত ৰেনেছাঁ আন্দোলনৰ লগত সাম্ৰাজ্যবাদী আৰু মহাজন দুই দানৱৰ দ্বাৰা নিষ্পেষিত আৰু দলিত কৃষক শ্ৰেণীৰ কোনো ধৰণৰ সম্পৰ্ক নাছিল । বৰং সেই সময়ত লৰ্ড কৰ্ণৱালিচে "চিৰস্থায়ী বন্দোবস্ত"ৰ দ্বাৰা ধ্বংসমুখী সামন্ততন্ত্ৰক এক নতুন ঔপনিবেশীয় ৰূপত পুনৰ্জীৱিত কৰিছিল । অৰ্থাৎ প্ৰাচীন সামাজিক গাঁথনি ভাঙি দিয়াৰ ক্ষেত্ৰত য়ুৰোপীয় ৰেনেছাঁ যি ক্ষেত্ৰত সফল হৈছিল সেই ক্ষেত্ৰত

ভাৰতত বিপৰীত ফল লক্ষ্যণীয়। সেই যুগত ভগ্ন সামন্ততন্ত্ৰৰ মাজৰ পৰা ইংৰাজ শাসন আৰু বাণিজ্যৰ সহায়কৰূপে এটি নতুন মহাজন জমিদাৰ শ্ৰেণীৰ জন্ম হৈছিল। কলিকতাৰ দেব পৰিয়াল, ঠাকুৰ পৰিয়াল, ৰায় পৰিয়াল, সিংহ পৰিয়াল ইত্যাদি সেই যুগত সাম্ৰাজ্যবাদী ঔপনিবেশীয় শোষণৰ ফলত সৃষ্ট। এই শ্ৰেণীৰ উত্তৰাধিকাৰসকল ঔপনিবেশীয় ইংৰাজী শিক্ষাত শিক্ষিত হৈছিল সচাঁ, 'anglicized and denationalized' হোৱা বাবে ভাৰতীয় সাধাৰণ ৰায়তৰ লগত সংস্পৰ্শৰ অনুপস্থিতি লক্ষ্যণীয়। এই শ্ৰেণীটোৰ মানসিকতাত আছিল ইংৰাজ শাসনৰ প্ৰতি হৃদয়স্পৰ্শী দৰদ—ঈশ্বৰপ্ৰদত্ত শাসনৰ দৰে। তেওঁলোকে ভাৰতীয় সমাজ গাঁথনি যথাযথ বিশ্লেষণ কৰি পৰিবৰ্তন কৰাৰ প্ৰয়াস কৰাৰ পৰিবৰ্তে ওঠৰ শতিকাত চলা য়ুৰোপীয় ধ্যান-ধাৰণা আৰু মূল্যবোধ ভাৰতীয় সমাজত জাপি দিবলৈ বিচাৰিছিল। সেয়ে বংগদেশ তথা ভাৰতত চলা ৰেনেছাঁ আন্দোলনৰ প্ৰভাৱ আছিল সীমিত আৰু য়ুৰোপীয় ৰেনেছাঁৰ বিপৰীত ধৰ্মী। এই আন্দোলন কেতিয়াও য়ুৰোপীয় ৰেনেছাঁৰ সমগোত্ৰীয় হব নোৱাৰে।

## ভাৰতীয় ৰেনেছাঁৰ চৰিত্ৰ

ভাৰতীয় ৰেনেছাঁৰ নায়কসকলে য়ুৰোপীয় গণতন্ত্ৰৰ মূল্যবোধ আৰু মানৱতাবাদ উপলব্ধি কৰিছিল ইংৰাজী সাহিত্যৰ মাধ্যমত। কিন্তু তেওঁলোকৰ সেই উপলব্ধি সামাজিক জীৱনস্পৰ্শী নাছিল; আছিল নিজ শ্ৰেণীৰ মাজত আবদ্ধ। অৰ্থাৎ এই সময়ছোৱাত সাম্ৰাজ্যবাদী আৰু মহাজন জমিদাৰৰ অমানুষিক শোষণৰ বিৰুদ্ধে লক্ষ লক্ষ ভাৰতীয় কৃষকে যি সংগ্ৰাম গঢ়ি তুলিছিল, সেই সংগ্ৰামী শ্ৰেণীটোৰ লগত শিক্ষিত শ্ৰেণীৰ নৱলব্ধ চেতনাৰ কোনো যোগসূত্ৰ নাছিল। তেওঁলোকে সামাজিক বৈপ্লৱিক সংগ্ৰামৰ পৰা উদ্ভৱ হোৱা চেতনাক হৃদয়েৰে অনুধাৱন কৰাৰ পৰিবৰ্তে আদৰি লৈছিল আমদানিকৃত প্ৰমূল্য। ফলশ্ৰুতিত তেওঁলোকৰ আন্দোলন ভাৰতীয় সামাজিক পটভূমিত বেসুৰা হৈ বাজিছিল। বংগৰ ৰেনেছাঁ আন্দোলনৰ অভিনেতাসকলৰ উদ্দেশ্য আছিল বৃটিছ শাসনে প্ৰদান কৰা নতুন সা-সুবিধা গ্ৰহণ কৰা। সেয়ে কোৱা হয় বংগীয় ৰেনেছাঁ আন্দোলনৰ নেতাসকল য়ুৰোপীয় গণতান্ত্ৰিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'লেও, ভূ-স্বামী উত্তৰাধিকাৰ আৰু সাম্ৰাজ্যবাদীৰ অনুগত সেৱক হোৱাৰ বাবে কৃষক সকলক এই আন্দোলনত জড়িত কৰাৰ প্ৰয়াস কৰা নাছিল। এইদৰে আধুনিক য়ুৰোপীয় ভাবাদৰ্শৰ ধাৰক আৰু বাহকৰ ভূমিকা পালন কৰি এওঁলোকে প্ৰগতিশীলতাৰ পৰিচয় দিলেও সেই প্ৰগতিৰ সোঁত নিজ শ্ৰেণীৰ গণ্ডীৰ মাজত সীমাৱদ্ধ আছিল। ইয়াত কাৰো দ্বিমত নাই, সামন্ততন্ত্ৰৰ অনগ্ৰসৰতাৰ পৰা আৰু অন্ধকাৰাচ্ছন্ন কুসংস্কাৰৰ অতল গৰ্ভৰ পৰা ভাৰতবাসীক তুলি অনাৰ তেওঁলোকৰ সুমহান প্ৰচেষ্টা ভাৰতবাসীয়ে চিৰকালে কৃতজ্ঞতাৰে স্মৰণ কৰিব। আধুনিক জাতীয়তাবাদৰ জনক ৰজা ৰামমোহন ৰায় আছিল ভূ-স্বামীৰ সন্তান সতীদাহ নিবাৰণৰ বাবে, সংবাদ পত্ৰৰ স্বাধীনতাৰ বাবে, কু-সংস্কাৰৰ বিৰুদ্ধে, শিক্ষা বিস্তাৰৰ কাৰণে তেওঁ অসামান্য অৱদানৰ স্বাক্ষৰ ৰাখিলেও, ভূ-স্বামীৰ পৰিবেশত লালিত-

পালিত হোৱা বাবে ভাৰতীয় সামাজিক জীৱনৰ চালিকা শক্তি কৃষক সম্প্ৰদায়ৰ মগত হৃদয়ৰ আত্মীয়তা নাছিল। তেওঁ জমিদাৰী ব্যৱস্থাৰ ন্যায়সংগতভাবে তীব্ৰ সমালোচনা কৰিলেও, ঔপনিবেশীয় সামন্ততন্ত্ৰ বা চিৰস্থায়ী বন্দোৱস্তৰ উচ্ছেদৰ দাবী তোলা নাছিল। এইক্ষেত্ৰত নীল বিদ্ৰোহত তেওঁৰ ভূমিকা নিন্দনীয়। সাহিত্য সম্ৰাট বংকিমচন্দ্ৰ আছিল বিদেশী শোষণ যন্ত্ৰৰ সহায়ক, সেৱক সম্পদশালী ব্ৰাহ্মণ পৰিয়ালৰ সন্তান। তেওঁ সাহিত্যৰ মাধ্যমত নব্য হিন্দুবাদৰ হকে ওকালতি কৰিছিল।

নব্য হিন্দুবাদৰ চূড়ান্ত অভিব্যক্তি হ'ল স্বামী-বিবেকানন্দ। তেওঁ বংকিম চন্দ্ৰৰ অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰিবলৈ বৈদিক ঋষি ৰূপত ৰাজপথলৈ ওলাই আহিছিল। স্বামীজীৰ লক্ষ্য হ'ল—মাতৃভূমি সম্বন্ধে গৌৰৱবোধ উদ্ৰেক, হিন্দু সম্প্ৰদায়ৰ পুণৰুত্থান, মানুহৰ মনত নতুন মহিমাবোধ জাগ্ৰত তথা প্ৰচীন বৈদিক আধ্যাত্মিকতাবাদৰ বিকাশ সাধন কৰা। ৰামমোহন ৰায়, ৰাধাকানাথ বা ঈশ্বৰচন্দ্ৰৰ আধুনিক যুক্তিধাৰাৰ বিপৰীতে প্ৰেমৰ (Love) দ্বাৰা অভীষ্ট লক্ষ্যত স্বামীজীয়ে উপনীত হবলৈ প্ৰয়াস কৰিছিল। তেওঁৰ মতে, "Love opens the most impossible gates, love is the gate to all the secrets of the universe।" সন্দেহ নাই, প্ৰেম (Love) হ'ল মহত্তম মূল্যবোধ আৰু বিস্ময়কৰভাৱে সামাজিক জীৱনত কাৰ্যকৰী। কিন্তু সমাজৰ প্ৰচলিত শোষণ শাসন, শ্ৰেণী বিভাজন আৰু মানবতা বিৰোধী কাৰ্যকলাপক প্ৰতিৰোধ কৰিবলৈ সেই বিশ্বপ্ৰেমৰ আধাৰ ক'ত? আচলতে দৰিদ্ৰতা চিহ্ন কৰি মানুহৰ মাজত মধুৰ সম্বন্ধ গঢ়িবলৈ দৰ্কাৰ উন্নতমানৰ সংগঠন আৰু বাস্তৱ কাৰ্যসূচী। অৰ্থাৎ জীৱনৰ অমৃত মন্থন কৰিব পাৰি বাস্তৱ জীৱনৰ সংঘাতৰ মাজত। সেয়ে উচ্চ পৰ্যায়ৰ জীৱন দৰ্শনৰ অধিকাৰী হোৱা স্বত্বেও বিবেকানন্দৰ বাণী আৰু কাৰ্যসূচীয়ে সমাজৰ নিপীড়িত মানুহখিনিক চুই যাব নোৱাৰিলে। কাৰণ, "He did not realize that no permanent solution of the problem of poverty could be provided without changing the existing property relations." (Renaissance in Bengal—A Search for Identity by—A. Poddar, page—112)

পৰবৰ্তী কালত সাম্ৰাজ্যবাদীৰ বিৰুদ্ধে ভাৰতীয় জাতীয়তাবাদী নেতাসকলে বৈদিক ধৰ্মক আশ্ৰয় কৰি সংগ্ৰাম গঢ়ি তুলিছিল। সেই সময়ছোৱাত তেওঁলোকে ভাৰতীয় প্ৰাচীন সভ্যতা আৰু সংস্কৃতিৰ চিত্ৰ বহুক্ষেত্ৰত অতিৰঞ্জিতভাৱে দাঙি ধৰিবলৈ বাধ্য হৈছিল—নিজস্ব ঐতিহাসিক দুৰ্বলতাৰ বাবে। প্ৰাচীন ধৰ্মৰ বাহুবন্ধনৰ মাজত শক্তি সঞ্চয় কৰাৰ বাহিৰে তেওঁলোকৰ কোনো পথ খোলা নাছিল। বৈদিক সংস্কৃতিক ভাৰতীয় জাতীয়তাবাদৰ আধাৰ হিচাবে গঢ়ি তুলিবলৈ কৰা চেষ্টাৰ অস্বাভাৱিক পৰিণতিস্বৰূপে মুছলমান বুদ্ধিজীৱী শিবিৰত বিপৰীত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। বৃটিছ শাসনৰ প্ৰতি শত্ৰুতা, ধৰ্মীয় গোড়ামী, মধ্যম শ্ৰেণীৰ অনুপস্থিতি আদিৰ বাবে পশ্চিমীয়া শিক্ষাৰ প্ৰতি মুছলমানৰ উচ্চ শ্ৰেণীটোৰ বিশেষ উৎসাহ নাছিল। সেই

সময়ত ভাৰতবৰ্ষৰ আটাইতকৈ দৰিদ্ৰ শ্ৰেণীটো আছিল মুছলমানৰ তল খাপৰ শ্ৰেণীটো। সেয়ে ইংৰাজী শিক্ষাই আগবঢ়োৱা বিস্ময়কৰ সা-সুবিধা আৰু সামাজিক ৰূপান্তৰৰ স্পন্দন অনুধাৱন কৰাত মুছলমানৰ উচ্চজাত শ্ৰেণীটো ব্যৰ্থ হৈছিল। কিন্তু উনবিংশ শতাব্দীৰ শেষভাগৰ পৰা লাহে লাহে মুছলমান উচ্চজাত শ্ৰেণীটোৱে ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত সাম্ৰাজ্যবাদীৰ লগত শত্ৰুতাৰ পৰিবৰ্তে মিত্ৰতাৰ হাত মিলাবলৈ ধৰে। এই কাৰ্যত অগ্ৰগণ্য ভূমিকা—লৈছিল আলিগড় আন্দোলনৰ প্ৰবক্তা চাৰ চৈয়দ আহমেদে। তেওঁ কিছুমান শিক্ষিত মুছলমান যেনে, আব্দুল লতিফ, আমিৰ আলি আদিৰ সহায়ত ইংৰাজী শিক্ষাৰ প্ৰতি মুছলমান উচ্চজাতৰ মানুহখিনিৰ দৃষ্টি আকৰ্ষণ কৰাৰ চেষ্টা কৰে। ফলস্বৰূপে, হিন্দু ৰেনেছাঁৰ আহিত মুছলমান সমাজত ৰেনেছাঁৰ গতি উঠে আৰু বৃটিছ প্ৰশাসনে আগবঢ়োৱা চাকৰি-বাকৰি গ্ৰহণ কৰিবলৈ দুয়োটা শ্ৰেণীৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি হয়। কালক্ৰমত, এই প্ৰতি-দ্বন্দ্বিতা ৰাজনৈতিক আৰু সাম্প্ৰদায়িক যুঁজলৈ ৰূপান্তৰিত হোৱাৰ ফলত ভাৰতীয় সমাজত বিষ-ক্ৰিয়াৰ সূচনা হয়। এইখিনিতে আমি মনত ৰাখিলে ভাল হ'ব যে, ৰেনেছাঁৰ হিন্দু ৰূপকাৰ-সকলে সৃষ্টি কৰা Hindu mentality ৰ প্ৰতিক্ৰিয়াত Counter Muslim mentality ৰ জন্ম হয়। এইদৰে ভাৰতীয় দুয়োটা সম্প্ৰদায়ৰ পৰস্পৰ বিৰোধী আৰু শত্ৰুতাপূৰ্ণ মানসিকতাৰ বাবে ভাৰতীয় জাতীয়তাবাদৰ বিকাশ মাৰাত্মক-ভাৱে বাধাপ্ৰাপ্ত হয়। তদুপৰি দুয়োটা সম্প্ৰদায়ৰ উচ্চজাত শ্ৰেণীৰ ৰাজনৈতিক অৰ্থনৈতিক চিন্তাৰ সংগুতাই জাতীয়তাবাদৰ পথ ৰুদ্ধ কৰি দিয়ে। দুয়োটা সম্প্ৰদায়ৰ সুৰ ভাব আৰু উদ্দেশ্য পৰস্পৰ বিৰোধী হোৱা বাবে জাতীয়তাবাদত নানা জটিল প্ৰক্ৰিয়াই দেখা দিয়ে। ইতিহাসৰ চৰম পৰিহাস এই যে, যি সময়ছোৱাত হিন্দু Anglo-philes সকলে বৃটিছৰ শাসনৰ প্ৰতি মোহভংগ হৈ আঁতৰি আহিবলৈ প্ৰস্তুত হৈছিল, তেতিয়া মুছলমান উচ্চজাত শ্ৰেণীটোৱে ইংৰাজৰ উৎসাহী পূজাৰী হৈ থিয় দিছিল ফলত, জতীয়তাবাদৰ ভাবধাৰাৰ ( Spirit of nationalism ) গতিত Mono dimensional plane প্ৰতিষ্ঠিত হোৱা সম্পূৰ্ণ ব্যৰ্থ হয়।

কিন্তু ভাৰতীয় ৰেনেছাঁৰ ঐতিহাসিকসকলে নেতিবাচক দিশটো উন্মোচন কৰিলে, প্ৰকৃত ঐতি-হাসিক মূল্যাংকনত সত্যৰ অপলাপ কৰা হয়। য়ুৰোপীয় ৰেনেছাঁৰ প্ৰচণ্ড জোকাৰণিৰ তুলনাত আমাৰ ৰেনেছাঁ আছিল মৃদু আৰু European Prototype। ঔপনিৱেশীয় কৌশলৰ অৰ্থ বুজাত অপাৰগতা আৰু নিজস্ব ঐতিহাসিক দুৰ্বলতাৰ বাবে ৰেনেছাঁৰ নায়কসকলে ভাৰতীয় সাংস্কৃতিৰ মৌচাকৰ পৰা জীৱনী শক্তি লাভ কৰিব নোৱাৰিলে। ফলত, ৰেনেছাঁ আন্দোলন আছিল জন-সংযোগ-বিচ্ছিন্ন আৰু উচ্চজাত ভদ্ৰলোকৰ আন্দোলন। তেওঁলোকে নিষ্পেষিত হিন্দু আৰু মুছলমান শ্ৰেণীৰ সহানুভূতিৰ পৰা বঞ্চিত হৈছিল। সাধাৰণতে পৰাধীন ৰাষ্ট্ৰত স্বাধীনতাকামী মানুহৰ মুখপত্ৰ হিচাবে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰে শিক্ষিত বুদ্ধিজীৱী শ্ৰেণীটোৱে আৰু মূক, শোষিত মানুহৰ হকে তেওঁলোকৰ

মন্তব্য ঘোষণা কৰে। সেইদৰে ভাৰতীয় Angl-ophiles সকলে ঔপনিবেশীয় শাসনৰ মৰ্ম উপলব্ধি কৰি, ভাৰতীয় মানুহৰ হকে মাত মাতিছিল যদিও তেওঁলোকৰ সেই মানুহখিনিৰ লগত আত্মীয়তা নাছিল। এইখিনিতে স্মৰণ কৰিব লাগিব যে, বিংশ শতাব্দীৰ জাতীয় আন্দোলনৰ মূল নিহিত আছিল উনবিংশ শতাব্দীৰ ৰেনেছাঁ আন্দোলনৰ গৰ্ভত। ৰামমোহন, দ্বাৰকানাথ ঠাকুৰ, বংকিম চন্দ্ৰ, বিবেকানন্দ আদি ৰেনেছাঁৰ নায়কসকলে যি জাতীয়তাবাদৰ পথ দেখুৱালে সেই পথ শিৰোগত কৰি পৰৱৰ্তী জাতীয় আন্দোলনে বিকাশ লাভ কৰে। × ×

# ছমৰীয়াৰ অন্ধকাৰৰ কাহিনী : শ্বহীদৰ উদ্দীপ্ত অধ্যায়

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ

যোৱা ১১ ফ্ৰেব্ৰুৱাৰীৰ কাল নিশা। গধূলি সাত মান বজাত অনুপ্ৰবেশকাৰীহঁতৰ দুটা ধৰ্মীয় ধ্বনি 'জয়মা কালী' আৰু আল্লা হো আকবৰ' শুনিবলৈ পোৱা গ'ল। ছমৰীয়া সত্ৰৰ দক্ষিণ-পূৱৰ বৰালিমাৰাৰপৰা আৰম্ভ হৈ পূবে সোনা, পূব-ছমৰীয়া আৰু উত্তৰে হাউলী, কাঁহিবাৰী হৈ পশ্চিমে পুঠিমাৰীলৈ সলনা-সলনিকৈ ক্ৰমে এই ধ্বনি বিয়পি পৰিল। লগে লগে ছমৰীয়া সত্ৰৰ অধিবাসীসকল সজাগ হ'ল। নিশা ন মান বজালৈ এৰাধৰাকৈ এই ধ্বনি শুনা গৈছিল। গাওঁৰক্ষীসকলে সত্ৰৰ উত্তৰ আৰু পূব সীমাৰ ফালে আগবাঢ়ি দূৰত ধ্বনিৰ লগে লগে জোৰ আৰু তৰ্চৰ পোহৰ অ'ত ত'ত দেখিবলৈ পালে আৰু সত্ৰৰ আন আন মানুহক সাজু হ'বলৈ আহ্বান জনালে। দুৰ্ভাগ্যবশতঃ শিক্ষক কৰ্মচাৰীসকলে নিজৰ ঘৰ এৰি সেই সময়ত সত্ৰৰ বাহিৰৰ আন ঠাইত আশ্ৰয় লৈ আছিল। যিসকল গাঁৱত আছিল, তাৰে মতা মানুহ আৰু ডেকা ছাত্ৰসকল সত্ৰৰ উত্তৰ-পূবলৈ আগবাঢ়িবলৈ ধৰিলে। ৰাতি দুইমান বজাত 'আল্লহো আকবৰ' আৰু 'জয়মা কালী' ধ্বনিৰে আকাশ নিনাদিত কৰি হেজাৰ হেজাৰ আক্ৰমণকাৰী জোৰ তৰ্চৰ পোহৰ লৈ আগুৱাই আহি সত্ৰৰ বাহিৰত উত্তৰ পূব ভাগত স্থান ললে। সত্ৰবাসী এমুঠিমান বাইজৰ লগতে ওলাই আহিল বৃদ্ধ, আদহীয়া মহিলা আৰু সাহসী গাভৰুসকল—পবিত্ৰ সত্ৰ আৰু সত্ৰবাসীসকলৰ ঘৰ-দুৱাৰ আৰু প্ৰাণ ৰক্ষাৰ্থে, মতাসকলে হাতত যাঠী, লাঠী, দা লৈ আৰু মহিলা গাভৰুসকলে শিলগুটিৰ মোনা কান্ধত লৈ

অসীম সাহস আৰু বীৰত্বৰে সত্ৰবাসী বাইজে সত্ৰৰ উত্তৰ পূৱ আৰু দক্ষিণ পূৱে চিকিৎসালয়ৰ ওচৰত ওৰে ৰাতি আক্ৰমণকাৰীহঁতৰ অগ্ৰগতি প্ৰতিৰোধ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁলোকৰ ৰক্ষণা-বেক্ষণৰ বাবে আছিল বন্দুকধাৰী মাত্ৰ তিনি-জন আৰক্ষী আৰু এজন চাব্ ইন্সপেক্টৰ।

ৰাতি পুৱালত আৰক্ষীলোক কেইজনে সত্ৰৰ মানুহখিনিক পিচুৱাই যাবলৈ দি, এজনে আক্ৰমণ-কাৰীহঁতক বুজাবলৈ বুলি অলপ আগুৱাই যাওঁতে দুৰ্বৃত্তহঁতে তেওঁক ঘাইল কৰি হাতৰ বন্দুকটো কাঢ়িলৈ যায়। তেতিয়া আৰক্ষী বাহিনীৰ আন তিনিজন লোক মানুহবোৰক অসহায় অৱস্থাত এৰি প্ৰাণৰক্ষাৰ বাবে পলাই যায়। এই সুযোগতে আক্ৰমণকাৰী দুৰ্বৃত্তহঁতে দুৰ্বাৰ গতিৰে 'আল্লাহো আকবৰ' ধ্বনিৰে চোঁ মাৰি আগুৱায় আৰু এফা-লৰপৰা ঘৰ জ্বলাবলৈ আৰম্ভ কৰে আৰু লুণ্ঠন কাৰ্য চলাই যায়। ইফালে চিকিৎসালয়ৰ ওচৰত প্ৰতিপক্ষক ভেটা দি থকা মহিলা আৰু মতা মানুহসকলে অগণন আক্ৰমণকাৰীৰ মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ লাঠী জোঙৰ আগত তিষ্ঠিব নোৱাৰি ঘূহকি আহিবলৈ বাধ্য হয়। তেতিয়া গঙ্গা কলিতাৰ সম্পৰ্কীয় ভিনিহীয়েক শ্ৰীসৰ্বেশ্বৰ বৈশ্যক দুৰ্বৃত্তহঁতে ঘেৰি ধৰে। তাকে দেখি গঙ্গাই মহিলাসকলৰ মাজৰপৰা ওলাই গৈ শ্ৰীবৈশ্যৰ পিছ লয় আৰু তেওঁৰ জীৱন ৰক্ষা কৰিবলৈ চেষ্টা কৰে। গঙ্গাৰ হাতত কোনো অস্ত্ৰ-শস্ত্ৰ নাছিল, আছিল মাথো দুই কান্ধত দুখন শিলগুটিৰ মোনা। তেনে অৱস্থাত দুৰ্বৃত্তহঁতৰ এটা দলে নদীৰ গড়াৰ তলেৰে আহি অতৰ্কিতে পিচফালৰপৰা ভৰিত খুচি বগৰাই দিয়ে আৰু এজনে কেকোৰা দাৰে গাল আৰু ডিঙিত ঘপিয়াই চোঁচৰাই টানি নি গঙ্গাক নদীত পেলাই দিয়ে। লাঠীৰে যুঁজি কোনোমতে আক্ৰমণকাৰী-হঁতৰ মাজৰপৰা পাৰ হৈ শ্ৰীসৰ্বেশ্বৰ বৈশ্যই কথ-মপি প্ৰাণ ৰক্ষা কৰে। পিছত নদীৰপৰা গঙ্গাৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

গঙ্গাৰপৰা অলপ আঁতৰত মঞ্জু মহন্তই শিল-গুটিৰে দুৰ্বৃত্তহঁতৰ অগ্ৰগতি বোধ কৰিবলৈ যুঁজি আছিল। ওচৰতে খেখেৰী বৈশ্য নামৰ সত্তৰ বছৰীয়া বুঢ়ী আইতাই আগশাৰীত থিয় হৈ পুৰুষ মহিলাসকলক উৎসাহ যোগাই আছিল। দুৰ্বৃত্ত-হঁতে খেখেৰী আইতাৰ মূৰত নিৰ্মমভাৱে কোৱাবলৈ ধৰে আৰু থিতাতে তেওঁৰ মৃত্যু হয়। দুৰ্বৃত্তহঁতৰ কিছুমানে মঞ্জু মহন্তৰ কৰঙত যাঠীৰে খুচি বগৰাই দিয়ে, কিন্তু মঞ্জুৱে পুনৰ উঠি যুঁজিবলৈ চেষ্টা কৰে। তেতিয়া আন এজনে ইঁধন কৰঙনত হানি বগৰাই দি বুকুত হানে আৰু মূৰত কোবাই অচেতন অৱস্থাত এৰি থৈ যায়। জীৱিত অৱস্থাত ডাঙি আনি চিকিৎসাৰ চেষ্টা কৰা হয় যদিও কিছুপৰৰ পিছত মঞ্জুৰ মৃত্যু হয়।

তাৰপিছত দুৰ্বৃত্তহঁতে ক্ৰমে পুবৰপৰা পশ্চিমলৈ আগুৱাবলৈ ধৰে আৰু সত্ৰৰ উত্তৰহাটী সম্পূৰ্ণ বয়বস্তু আ-অলঙ্কাৰ, কাপোৰ কানি লুটিলৈ যায়। আনহাতে, নতুনছমৰীয়া নামে জনাজাত সত্ৰৰ পশ্চিমাঞ্চলৰ মানুহবোৰে আগুৱাই আহি পূবৰক্ষালে যুঁজ দি থাকোঁতে ওচৰৰে পুঠিমাৰী, কাঁহিবাৰী আৰু হাউলী অঞ্চলৰ ভাষিক সংখ্যালঘু বিদেশী-হঁতে ঘৰবাৰী পুৰি ছাই কৰে আৰু সা-সম্পত্তি, ধনসোণ লুণ্ঠন কৰি লৈ যায়। ছমৰীয়াৰপৰা চাৰি-

পাঁচমাইল দক্ষিণে থকা ভালুকঘাটা, ভেঁহরা, সীচাপীঠ, খলিহা, বেকেলী, চিংৰা, আৰু বৰো অঞ্চলবলোকে ছমৰীয়াৰ সাহায্যাৰ্থে অহাত বাটত বৰালিমাৰাত আন কিছুমান বিদেশীয়ে তেওঁলোকক দুই তিনিঘণ্টা বাধা দি ৰাখে। শেষত সেই বাধা অতিক্রম কৰি পলমকৈ হলেও সেইবোৰ ঠাইৰপৰা অহা হিন্দু, মুছলমান, গাৰো, ৰাভা-কছাৰী সকলো সম্প্রদায়ৰ সমবেত লোকে আহি সত্ৰৰ নামঘৰ আৰু বাকী থকা ঘৰবাৰী ৰক্ষা নকৰাহেঁতেন ছমৰীয়াসত্ৰ নিশ্চিহ্ন হলহেঁতেন।

বিদেশীৰ এই আক্ৰমণৰ ফলত কমপক্ষেও ৬০০ ঘৰ ভস্মীভূত হয়, তিনিজন লোকৰ জীৱন নাশ হয়, কেবাজন লোক সন্ধানহীন হয়, বহুতৰ জখম হয় আৰু অতি কম পক্ষেও এককোটি টকা পৰিমাণৰ ক্ষয়ক্ষতি হয়। এই আক্ৰমণৰ খবৰ সময়মতে সংশ্লিষ্ট কৰ্তৃপক্ষক জনোৱা হৈছিল। যথা সময়ত উপযুক্ত ব্যৱস্থা লোৱা-হেঁতেন ইমান বিস্তৰ ক্ষয়ক্ষতি নহলহেঁতেন, কিন্তু কৰ্তৃপক্ষৰ নিষ্ক্রিয়তা, উদাসীনতা, অৱহেলা আৰু অকৰ্মন্যতাৰ বাবে নিৰীহ থলুৱালোক আক্ৰমণকাৰীহঁতৰ সুপৰিকল্পিত আৰু সু-সংগঠিত আক্ৰমণৰ বলি হব লগা হ'ল আৰু পাঁচশবছৰীয়া বৈষ্ণৱ ধৰ্ম আৰু সংস্কৃতিৰ ধাম ছমৰীয়াসত্ৰৰ পবিত্ৰতা নষ্ট পালে আৰু নিৰাপত্তা বিপদাপন্ন হ'ল।

গঙ্গা শ্ৰীতাৰানাথ কলিতাৰ দ্বিতীয়া কন্যা, প্ৰথমজনী কুমাৰী শোভন দশম মানলৈ পঢ়া আৰু সৰুজনী কুমাৰী মীৰা ক'লা বিভাগৰ স্নাতক। শ্ৰীকলিতা এজন গৰীব কৃষক, নিজৰ বুলিবলৈ মাত্ৰ দহ বিঘা জমি। দুৰ্বৃত্তহঁতে তেওঁৰ ঘৰ দুৱাৰ ভাঙি বস্ত্ৰবস্তু লুটি নি সৰ্বস্বান্ত কৰিছে, জুই দিয়া সময়ত শ্ৰীকলিতাক মাৰধৰ কৰি আঁতৰাই ৰাখে আৰু একাঙ্গী ৰোগত শয্যাগত গঙ্গাৰ মাক শ্ৰীযুক্তা কী কলিতাক চোঁচৰাই ঘৰৰ বাহিৰ কৰি থৈ যায়। সেই সময়ত গঙ্গা ঘৰত নাছিল, আক্ৰমণৰ বাতৰি পাই ৰাতিতেই 'আহ ঐ আহ, ওলাই আহ' বুলি এমুৰৰ পৰা ডেকা গাভৰু সকলোকে উলিয়াই লৈ সত্ৰৰ পূৱে ৰাজ্যিক চিকিৎসালয়ৰ ওচৰত দুৰ্বৃত্তহঁতৰ আন এটি দলক বাধা দি আছিল। সকলোৰেপৰা গঙ্গাই অসীম সাহস আৰু দৃঢ়তাৰ পৰিচয় দিছিল। বৰদেউতাক প্ৰবীন মুক্তি যোদ্ধা—শ্ৰীনবীন চন্দ্ৰ কলিতাৰ পৰা—যাৰ আহ্বানত এসময়ত ছমৰীয়া, বৰো, বনগাওঁ, লুকী আৰু বেকেলী পাঁচমৌজাৰ হেজাৰ বিজাৰ মানুহ পমুৱা খেদিবলৈ মাৰবান্ধি ওলাই আহিছিল—দেশৰ মুক্তি সংগ্ৰামৰ কথাবোৰ শুনি অনুপ্ৰাণিত হৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী বহিষ্কাৰ আন্দোলন আৰম্ভ হলত গঙ্গাই সক্ৰিয়ভাবে এই আন্দোলনত জপিয়াই পৰিল—প্ৰথমে স্বেচ্ছাসেবিকা আৰু শেষত মহিলা শাখাৰ নায়িকাৰূপে। গঙ্গা সকলো কামতে পাৰ্গত আছিল। বৰো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰাক্‌বিশ্ববিদ্যালয়ৰ ছাত্ৰী হিচাপে ৰাষ্ট্ৰীয় সেৱাআঁচনিৰ স্বেচ্ছাসেবিকা, প্ৰথম শ্ৰেণীৰ শিপিনী হিচাপে বোৱাকটা, ভুঁইবোৱা, সমাজসেৱা আদি সকলো দিশতে ভূয়সী প্ৰশংসা লাভ কৰিব পাৰিছিল। গঙ্গাই বোৱাকটা কৰি নিজেও কলেজত পঢ়িছিল আৰু ভনীয়েক মীৰাকো স্নাতক মহলা পৰ্যন্ত পঢ়ুৱাইছিল। গঙ্গাৰ বাবে দেউতাক শ্ৰীতাৰানাথ কলিতাই পুত্ৰ সন্তানৰ অভাৱ

কোনো দিনেই অনুভৱ কৰা নাছিল, সেইহে সন্তৱৰ দুৱাৰদলিত ভৰি দিয়া শ্ৰীকলিতাই গঙ্গাৰ অবিহনে সম্পূৰ্ণৰূপে অসহায় অনুভৱ কৰিছে। দা-যাঠীৰ আঘাতত ক্ষতবিক্ষত মৃতদেহটো মাটিত বাগৰি থকা অৱস্থাত দেখোতেও গঙ্গাৰ মুখত এক অব্যক্ত সাহস আৰু দৃঢ়তা বিৰাজমান যেন অনুভৱ হৈছিল।

ভিনিহীয়েক সৰ্বেশ্বৰ বৈশ্যক যেতিয়া দুৰ্বৃত্তহঁতে আগুৰি ধৰিছিল, কাৰো হাক বাধা নুশুনি তৎক্ষণাৎ বাকীবোৰৰ মাজৰপৰা ওলাই গৈ পিচত থিয় দি চিঞৰি কৈছিল, "ভিনিহী" ভয় নাই মই আছো, মই মৰিম আপোনাক মৰিবলৈ নিদিওঁ।" সৰ্বেশ্বৰ বৈশ্য সাৰিল। দুৰ্বৃত্তহঁতে পিছ ফালৰপৰা আক্ৰমণ কৰি নিৰ্মমভাবে হত্যা নকৰাহলে গঙ্গায়ো আত্মৰক্ষা কৰিব পাৰিলেহেঁতেন। গঙ্গাই নিজ হাতে সূতা কাটি বৈ দিয়া এৰিচাদৰখন গাত ল'লেই মোৰ যেন অনবৰত অনুভৱ হয়, 'চাৰ আমি আহিলোঁ, বেঙ্গাৰ মাথো এয়ে যে বিদেশীৰপৰা সত্ৰৰ মাটিৰ, অসমৰ মাটিৰ পবিত্ৰতা ৰক্ষা কৰিব নোৱাৰিলোঁ, সেই কাম জীয়াই থকা সকলৰ। অসমবাসীক সোঁৱৰাই দিব যেন আমাৰ ত্যাগ—শত শত শ্বহীদৰ ত্যাগ অথলে নাযায়।"

মঞ্জু শ্ৰীগ্ৰানকেশ্বৰ মহন্তৰ চাৰিটা ল'ৰা আৰু দুজনী ছোৱালীৰ ভিতৰত পঞ্চম। জন্ম ১৯৬০ চনৰ ১২ মাৰ্চত দৌলপূৰ্ণিমা তিথিত। এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰাৰ্থী। সাহসী আৰু কৰ্মপটু। ৰেডিঅ' আৰু বাতৰি কাকতৰ জৰিয়তে যেতিয়াই কোনোবা শ্বহীদ হোৱা শুনে তেতিয়াই মঞ্জুৱে দেউতাকক কয়, "মই হলে এনেয়ে নমৰো মাৰিহে মৰিম।" এঘাৰ ফেব্ৰুৱাৰীৰ নিশা যেতিয়া দুৰ্বৃত্তহঁতে ছমৰীয়া আক্ৰমণ কৰে, মঞ্জুৰ মাক দেউতাক ঘৰত নাছিল, মাক ৰকোত ভিনিহীয়েকৰ ঘৰত আৰু দেউতাক ৰকোতে ... কায়েক গৰ্গমহন্তৰ ঘৰত আছিল। কীৰ্তন ঘৰত ডবা কোবাই দিয়াৰ লগতে আনবিলাকৰ নিচিনে মঞ্জুৱেও কান্ধত শিলগুটি মোনা লৈ ঘৰ এৰি সত্ৰৰ উত্তৰ পূবলৈ ঢাপলি মেলিছিল। ১২ ফেব্ৰুৱাৰীৰ পুৱা পুলিচৰ বাধা নেওচি দুৰ্বৃত্তহঁতে মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ, লাঠি জোঙেৰে সুসজ্জিতহৈ আগুৱাই অহা সময়ত মঞ্জু শিলগুটিৰ মোনালৈ আগশাৰীত আছিল আৰু শিলগুটিৰেই সিহঁতৰ অগ্ৰগতি ৰোধ কৰিবলৈ চেষ্টা কৰিছিল। নিশ্চিত বিপদ জানিও এখোজো পিচ হুহকি নাহি—মঞ্জুৱে যুজঁদি আছিল। আক্ৰমণকাৰীহঁতে নিৰ্ষ্ঠুৰভাবে খুচি বগৰাই দিয়াৰ পিচতো পুনৰ উঠি যুজ দিব খোজোতেই উপৰ্যুপৰি মূৰত কোবাই মূৰফালি দিয়ে আৰু সৰ্বশৰীৰ তেজেৰে ৰাঙলী হৈ অচেতন হৈ মাটিত পৰি যোৱাত শ্ৰীগোবিন্দ বৈশ্য আৰু শ্ৰীপবিত্ৰ বায়ন নামৰ দুজন লৰাই ডাঙি লৈ আহে।

জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আইতা খেখেৰী আৰু গঙ্গা মঞ্জুৱে আন শত শত শ্বহীদৰ লগতে নিজৰ জীৱন যৌৱন ত্যাগ কৰিলে। এই ত্যাগ অতুলনীয় আৰু তেনে মৃত্যু অপৰাজেয়। শ্বহীদ তিনি গৰাকীৰ পবিত্ৰ স্মৃতিত আমাৰ গভীৰ আৰু আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

× ×

( তিনিদিনীয়া 'বাতৰি'ৰ সৌজন্যত )

## খেল জগতৰ বতৰা ঃ

**নৱম এচিয়ান গেমছ ঃ** বিগত বছৰটিত ১৯ নবেম্বৰৰ পৰা ভাৰতকে ধৰি ৩৪ খন দেশৰ যোগদানেৰে ১৬ দিনীয়াকৈ দিল্লীৰ চাৰিটা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা নৱম এচিয়ান গেমছ ভাৰতীয় খেলুৱৈ আৰু ক্ৰীড়ামোদী ৰাইজৰ বাবে আছিল এটি উদ্দীপনাময় খবৰ। কিন্তু বেচিভাগ মুখ্য খেলতে ভাৰতৰ কৃতিত্বৰ অভাৱ হতাশজনকে নহয়, চিন্তনীয়ও। আনহাতে, উঃ কোৰিয়া, দঃ কোৰিয়া আদি সৰু সৰু উন্নয়নশীল দেশৰ অগ্ৰগতি লক্ষণীয় আৰু আদৰ্শনীয়।

ফুটবলত জাতীয় কোচ পি, কে, বেনাৰ্জীৰ অধীনত দুবছৰ কঠোৰ প্ৰশিক্ষণ লৈ জাকাৰ্টাৰ এচিয়ান গেমছৰ চেম্পিয়ন ভাৰতবৰ্ষই চৌদি আৰবৰ লগত কোৱাৰ্টাৰ ফাইনেলত বক্ষণা-বেক্ষণ খেল খেলি ১ গ'লত পৰাস্ত হোৱাটো হতাশজনক।

সেইদৰে হকীৰ যাদুকৰ ধ্যানচাঁদৰ দেশ ভাৰতবৰ্ষই চিৰপ্ৰতিদ্বন্দ্বী পাকিস্তানৰ লগত ফাইনেলত ৭-১ গ'লত শোচনীয় ভাবে পৰাজয় বৰণ কৰাটো দুৰ্ভাগ্যজনক। অৱশ্যে মহিলাৰ হকী খেলত ভাৰতীয় মহিলা হকী দলটিয়ে চূড়ান্ত বিজয়ী হৈ স্বৰ্ণপদক লাভ কৰা খবৰটোৱে হতাশাৰ মাজতো আশাৰ সঞ্চাৰ কৰিছে।

টেবিল টেনিছ, ৱাটাৰ পল,' ভলীবল, বাস্কেটবল, জিমনাষ্টিক, সাঁতোৰ আদি বিভাগতো ভাৰতৰ মানদণ্ড চীন, জাপান, উঃ কোৰিয়া, দঃ কোৰিয়া আদি দেশৰ তুলনাত বহু পিচপৰা। এই কেইটা বিভাগত বিশ্বৰ মান-দণ্ডৰ কথাতো বাদেই, এচিয়ান মান-দণ্ডলৈ উঠাবলৈ ভাৰতৰ বহু পৰিশ্ৰমৰ আৱশ্যক হব।

ভাৰতে কৃতিত্বৰ স্বাক্ষৰ ৰাখিব পাৰিছিল ফিল্ড আৰু ট্ৰেক, ঘোঁৰাদৌৰ প্ৰতিযোগিতা, মল্লযুদ্ধ আদিৰ নিচিনা কেইটামান বিভাগতহে।

কৃতিত্বৰ ক্ৰম অনুসাৰে নৱম এচিয়ান গেমছত ভাৰতৰ স্থান পঞ্চম। প্ৰথমৰ পৰা চতুৰ্থ হোৱা দেশকেইখন হ'ল ক্ৰমে চীন, জাপান, দঃ কোৰিয়া আৰু উঃ কোৰিয়া। ভাৰতে সৰ্বমুঠ মেডেল পাইছে ৫৭টা। তাৰে ১১টা সোণৰ, ১০টা ৰূপৰ আৰু ১৪ট ব্ৰোঞ্জৰ। প্ৰথম স্থান অধিকাৰ কৰা চীনে পাইছে ৫৩টা সোণৰ, ৪৩টা ৰূপৰ আৰু ৩২টা ব্ৰোঞ্জৰ।

এচিয়ান গেমছক কেন্দ্ৰ কৰি বিৰিলাক বিতান সন্মত ষ্টেডিয়াম, চুইমিং পুল আদি সজা হৈছে তাত অজস্ৰ টকা খৰছ হ'লেও আৰু সিয়ে ভাৰতীয় অৰ্থনীতিৰ কাঠামোৰ ওপৰত কঠোৰ আঘাত

হানিলেও তাৰ উজ্বল দিশটো অস্বীকাৰ কৰিব নোৱাৰি। এই বিলাকত কৰা বৈজ্ঞানিক অনুশীলনে ভাৰতীয় খেলুৱৈক এচিয়ান তথা বিশ্বৰ মানদণ্ডলৈ উন্নীত কৰাত সহায় কৰিব। অকল সেয়ে নহয়, এইবিলাকে ১৯৯২ চনত হবলগীয়া অ'লিম্পিক খেল পত্তাৰ বাবেও ভাৰতক যোগ্যতা প্রদান কৰিছে। অ'লিম্পিক গেমছৰ সভাপতিয়ে ভাৰতৰ এই যোগ্যতা অৱশ্যে স্বীকাৰ কৰিছে আৰু ভাৰতৰ ক্রীড়ামন্ত্রী বুটা সিংয়ে ভাৰত উক্ত অ'লিম্পিক খেলৰ দাবীদাৰ হব বুলিও মত পোষণ কৰিছে।

## বিশ্বকাপ ফুটবল প্রতিযোগিতা ঃ

স্পেইনত সদ্যসমাপ্ত বিশ্বকাপ ফুটবল প্রতিযোগিতাখন সমাপ্ত হয় ইটালী আৰু পশ্চিম জাৰ্মানীৰ মাজত। এই খেলত ইটালী সৰ্বদিশত প্রাধন্য বিস্তাৰ কৰি পশ্চিম জাৰ্মানীক ৪-১ গ'লত পৰাস্ত কৰে। অ'লিম্পিক গেমছত প্রফেশ্যনেল ফুটবল খেলুৱৈ সকলে অংশগ্রহণ কৰাতো নিষেধ হোৱাত বিশ্বকাপ ফুটবল খেলৰ এটি বিশেষ আকৰ্ষণ গঢ়ি উঠিছে ফুটবল প্রেমী সকলৰ বাবে। প্রকৃত পক্ষে, বিশ্বকাপ জয়লাভ কৰা দেশখনেই ফুটবল খেলত বিশ্ব চেম্পিয়ন বুলি পৰিগণিত হয়। এচিয়াৰ পৰা ইয়াত অংশগ্রহণ কৰা একমাত্র দেশ আছিল কুৱেট আৰু সৰ্বমুঠ দেশৰ সংখ্যা আছিল ২৪। পৰ্যবেক্ষক আৰু বিশেষজ্ঞ সকলে বিশেষকৈ বিশ্বৰ ফুটবলৰ যাদুকৰ পেলে মন্তব্য কৰিছিল যে লেটিন আমেৰিকাৰ ফুটবল কৌশলে ইউৰোপীয় ফুটবল কৌশলক পুণৰ পৰাস্ত কৰিব আৰু ফলস্বৰূপে তৃতীয় বাৰৰ বাবে ফুটবলৰ বিশ্বকাপ বিজয়ী লেটিন আমেৰিকাৰ দেশ ব্রাজিলেই পুণৰ চূড়ান্ত খেলত বিজয়ী হব; কিন্তু কাৰ্যত দেখা গ'ল ৰক্ষণাত্মক আৰু শাৰীৰিক শক্তিৰে পৰিপুষ্ট ইউৰোপীয় দেশ সমূহৰ দলগত কৌশল আৰু শৈল্পিক সৌন্দৰ্যৰ ওপৰত নিৰ্ভৰশীল লেটিন আমেৰিকাৰ দেশ সমূহে পৰাজয় বৰণ কৰিবলৈ বাধ্য হৈছিল। ফলস্বৰূপে, চেমি ফাইনেল পৰ্যায়ৰ পৰা লেটিন আমেৰিকাৰ দেশ সমূহে বিদায় মাগিবলৈ বাধ্য হৈছিল।

এই বিশ্বকাপ ফুটবল প্রতিযোগিতাতে নিৰ্দ্ধাৰণ কৰা হয় বিশ্বৰ সৰ্বশ্রেষ্ঠ ফুটবল খেলুৱৈ জন। সেই হিচাবে এই বাৰৰ বিশ্বকাপ ফুটবলত বিশ্বৰ সৰ্বশ্রেষ্ঠ ফুটবল খেলুৱৈ বুলি স্বীকৃতি দিয়া হৈছে ইটালীৰ দুৰ্দান্ত স্ট্রাইকাৰ—পাওলা ৰোচি। আমোদজনক কথা এই যে, এই বিশ্ববিখ্যাত খেলুৱৈ জনক ভেটী খাই বেয়া খেল প্রদৰ্শণ কৰা অভিযোগত ইটালীৰ ফুটবল এচোচিয়েশ্যনে তাৰ ফুটবল খেল পথাৰত এবছৰৰ কৰেণে প্রবেশ ৰহিত কৰিছিল।

## ইন্দো-পাকিস্তান টেষ্ট চিৰিজ ঃ

এইবাৰ গাভাস্কাৰৰ নেতৃত্বত ভাৰতৰ ক্রিকেট-দলে পাকিস্তানত খেলা ৬খন টেস্ট খেলত পাকিস্তানে সৰ্বদিশত নিৰঙ্কুশ প্রাধান্য বিস্তাৰ কৰি ভাৰতক ৩-০ মেচত পৰাস্ত কৰি ৰবাৰ ( Rubber ) অৰ্জন কৰে। এই টেস্ট চিৰিজত ভাৰতীয় দলৰ পৰাজয়ৰ অন্যতম কাৰণ হ'ল পাকিস্তানৰ অধিনায়ক আৰু বিশ্বৰ অন্যতম সৰ্বশ্রেষ্ঠ বেগী ব'লাৰ ইমাৰণ-খান-ভীতি আৰু লগতে জাহিৰ আব্বাছৰ অতুলনীয় বেটিং এই পৰাজয়ৰ শিকনি এই যে ভাৰতৰ কিছুমান বয়সীয়াল খেলুৱৈ বাদ দি ভাৰতীয় ক্রিকেট দলটোক নতুনকৈ গঢ়াৰ সময় সমাগত।

# ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

অসমী আইৰ পঙ্কিল চৰণ বুকুৰ তেজেৰে ধুৱাই দি জ্ঞাত অজ্ঞাত যিসকল অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত শ্বহীদ হ'ল সেইসকলৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদি সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

যিসকল বন্ধু-বান্ধবীৰ প্ৰেৰণা আৰু মৰমৰ দাবীত ১৯৮১-৮২ ইং চনৰ বাবে সাধাৰণ সম্পাদক হিচাবে কাৰ্যভাৰ চলোৱাৰ সুযোগ পালো আৰু যিসকলে কাৰ্যকাল চোৱাত প্ৰত্যেক্ষ আৰু পৰোক্ষভাৱে সহায় আগবঢ়ালে সেইসকল বন্ধু-বান্ধৱী তথা শিক্ষাগুৰুলৈ আৰম্ভণিতে মোৰ কৃতজ্ঞতা জ্ঞাপিলোঁ।

জন্ম-লগ্নৰ পৱিত্ৰ বৰ্ষৰ পৰাই চলি অহা বছৰেকীয়া মহাবিদ্যালয় সপ্তাহ এই বেলিও ১৮-১২-৮১ ইং তাৰিখে আমাৰ মহাবিদ্যায়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱৰ দ্বাৰা মহা-বিদ্যালয় পতাকা উত্তোলনেৰে আৰম্ভ হয় আৰু ২৪-১২-৮১ ইং তাৰিখে অধ্যক্ষদেৱৰেই সভা-পতিত্বত বহা বঁটা-বিতৰণী সভাৰেই সামৰণি পৰে। এইবাৰ বছৰেকীয়া মহাবিদ্যালয় সপ্তাহত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা পৰিলক্ষিত হয় আৰু প্ৰত্যেক বিভাগতে বিশেষ কৃতিত্ব অৰ্জন কৰিবলৈ সমৰ্থ হয়। সামৰণি অধিবেশনত মুখ্য অতিথি হিচাবে বি, বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীঠানেশ্বৰ বড়ো, নিৰ্দিষ্ট বক্তা হিচাপে যথাক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলৰ সাধাৰণ সম্পাদক শ্ৰীললিত ৰাজখোৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ছাত্ৰ কুমাৰ দীপক দাস আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ আলোচনী সম্পাদিকা কুমাৰী ৰেখা ৰাণী দাস বড়োৱে যোগ দান কৰে। বৰ্তমান অসমৰ জটিল পৰিস্থিতিত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ লক্ষ্য আৰু কৰ্তব্যৰ বিষয়ে তেখেতসকলে উদ্দীপ্ত ভাষণ দাঙি ধৰে। এইখিনিতে তেখেতসকল মহান ব্যক্তিলৈ ৰকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

চলিত অসম আন্দোলনৰ জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পৰম্পৰাগতভাৱে উদযাপন কৰি অহা আই বীণাপাণিৰ পূজা আন আন বছৰৰ দৰে উলহ-মালহেৰে আয়োজন কৰিব পৰা নহ'ল যদিও অনুষ্ঠুপীয়াকৈ হলেও নিমন্ত্ৰিত ভদ্ৰলোক আৰু ভদ্ৰমহিলাৰ উপস্থিতিৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰে।

সূৰ্যসম নতুন চাম শিক্ষাপ্ৰেমীসকলক আদৰণি জনাবলৈ পৰম্পৰাগতভাৱে চলি অহা নৱাগত আদৰণি সভাখন নৱনিৰ্মিত ছাত্ৰ-একতা সভাৰ গৃহদ্বাৰ উন্মোচনৰ পবিত্ৰ দিনতেই এক উৎসৱ মুখৰ পৰিবেশেৰে আয়োজন কৰা হৈছিল। স্বাধীনতা আন্দোলনৰ মুক্তি যুজাৰু, শিক্ষাপ্ৰেমী শ্ৰীযুত নবীন চন্দ্ৰ কলিতাদেৱে একতা সভাৰ গৃহদ্বাৰ উন্মোচন কৰে আৰু তাৰ পিছতেই মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাপতিত্বত বহা নৱাগত আদৰণি সভাত মুখ্য অতিথি হিচাপে তেখেতে সৰস ভাষণ আগবঢ়ায়। মাননীয় কলিতাদেৱৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ শলাগ লৈছোঁ।

কলেজীয়া পাঠ্যকাল সমাপ্ত কৰি বিদায় মাগিবলৈ ওলোৱা বন্ধু-বান্ধৱী সকলক বিদায় সম্ভাষণ সমূহীয়াভাৱে জনোৱাৰ মানসেৰে বিদায় সভা যথাবিহিতভাৱে আয়োজন কৰা হৈছিল।

মহাবিদ্যালয়ৰ প্ৰাক্‌বিশ্ববিদ্যালয়ৰ ছাত্ৰ কৃতি খেলুৱৈ আৰু সমাজকৰ্মী ৺নবীন কুমাৰৰ অকাল বিয়োগত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুই গভীৰ শোক প্ৰকাশ কৰে। পণ্ডিত প্ৰবৰ, দাৰ্শনিক, সমাজকৰ্মী, সু-সাহিত্যিক ৺কৃষ্ণকান্ত সন্দিকৈ, অহিংসা আন্দোলনৰ অগ্ৰনীনেতা, ভূদান আন্দোলনৰ প্ৰধান হোতা ৺বিনোবা ভাৱে, বিদেশী বহিস্কাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদ সকলৰ পবিত্ৰ স্মৃতিত শোক দিৱস পালন কৰা হয়।

চলিত কাৰ্যকালত আমাৰ মহাবিদ্যালয়ে আন্তঃ মহাবিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ সন্মান অটুত ৰাখে। আনহাতে আন্তঃ মহাবিদ্যালয়ৰ মহোৎসৱতো সীমিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি যথাক্ৰমে জনজাতীয় সঙ্গীতত সোণৰ পদক বিজেতা কুমাৰী জোৎস্না ৰাভা আৰু অসমীয়া আবৃত্তি প্ৰতিযোগিতাত ব্ৰ'ঞ্জৰ পদক অৰ্জন কৰা কুমাৰী ৰঞ্জুৰাণী কলিতাই আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

এই খিনিতে উল্লেখ কৰা ভাল হব যে, আমাৰ মহাবিদ্যালয়ৰ জাতীয় সেৱা আঁচনিৰ জৰিয়তে ১০-১০-৮১ ইং তাৰিখৰ পৰা ১৯-১০-৮১ ইং তাৰিখ লৈ ছমৰীয়া সত্ৰত আৰু ২-১১-৮২ ইং তাৰিখৰ পৰা ১১-১১-৮২ ইং তাৰিখলৈ আমাৰ মহাবিদ্যালয়ৰ চৌহদত দুটা বিশেষ শিবিৰ অনুষ্ঠিত হয়। প্ৰথম শিবিৰত ছমৰীয়া সত্ৰৰ প্ৰায় ২ কিলোমিটাৰ দীঘল স্থানীয় হাইস্কুলৰ পৰা পুঠিমাৰী গাওঁলৈ যোৱা ৰামসৰস্বতী পথ নিৰ্মাণ কৰা হয়। লগতে সত্ৰৰ চৌহদ আৰু পুখুৰী চাফা কৰা হয়। দ্বিতীয় শিবিৰত, মহাবিদ্যালয়ৰ পশ্চিম সীমাৰে মুগাখোলা গাওঁ আৰু ৩৭ নং ৰাষ্ট্ৰীয় পথ সংযোগ কৰি এটা এক কিলোমিটাৰ দীঘল আৰু ৪০ ফুট বহলৰ ৰাস্তা হাবি জঙ্গল মোকোলাই নতুনকৈ তৈয়াৰ কৰা হয়। এই ৰাস্তা মুকলি কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য ডঃ যামিনী মোহন চৌধুৰীদেৱে ছাত্ৰ-ছাত্ৰী সকলৰ সেৱাৰ ভূয়সী প্ৰশংসা কৰে। উপাচাৰ্য মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীসমূহৰ সচিব অধ্যাপক শ্ৰদ্ধানন্দ দুৱৰা আৰু বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক শ্ৰীক্ষিতীশ চন্দ্ৰ মেধি ডাঙৰীয়াৰ আগমনে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰা বাবে

তেওঁলোকলৈ আমাৰ অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**অভাৱ অভিযোগ** :— অনুষ্ঠান এখনত অভাৱ অভিযোগ নথকাটোহে অস্বাভাৱিক, কিন্তু নিম্নতম প্ৰয়োজনীয়তাক পূৰণ কৰাটো নিত্যান্তই আৱশ্যক। সেয়ে অভাৱ অভিযোগৰ ক্ষেত্ৰত কেইটিমান অতি প্ৰয়োজনীয় অভাৱ অভিযোগহে দাঙি ধৰিব খুজিছোঁ। বৰ্তমান আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা জ্যামিতিক হাৰত বৃদ্ধি পোৱাটো অনুষ্ঠানখনৰ বাবে আশীৰ্বাদ স্বৰূপ; কিন্তু পাঠদানৰ কোঠাৰ অভাৱত ছাত্ৰ-আৱাসগৃহ ব্যৱহাৰ কৰা স্বত্বেও ঠেক পৰিসৰৰ কোঠাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰী শ্ৰেণীৰপৰা বিৰত থাকিবলগীয়াতো পৰম দুৰ্ভাগ্যৰ কথা। দ্বিতীয়তে, এটি পিছপৰা জনজাতীয় এলেকাত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান এখনত আৱাসগৃহৰ অভাৱত দূৰৱৰ্ত্তী ছাত্ৰ-ছাত্ৰীয়ে নানা আহুকালৰ সন্মুখীন হবলগাত পৰিছে। তৃতীয়তে আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতে পাঠাগাৰৰ পৰিসৰ নিচেই তাকৰ, যাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ অন্যতম মাধ্যম পুথিভঁৰালটোৰ লগত সম্পৰ্ক বৰ ক্ষীণ দেখা গৈছে। চতুৰ্থতে, আমাৰ মহাবিদ্যালয়ত এটি প্ৰেক্ষাগৃহৰ অভাৱত বহুতো অনুষ্ঠান আন স্থানত পাতিবলগীয়া হোৱাত ভালেখিনি অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। পঞ্চমতে, মহাবিদ্যালয়ৰ সন্মুখত থকা সুন্দৰ বাগিছাখন কৰ্তৃপক্ষৰ সতৰ্কতাৰ অভাৱত বিনষ্ট হৈ যোৱাটো আমাৰ বাবে বিশেষ ক্ষতিকাৰক, গতিকে কৰ্তৃপক্ষই তাৰ প্ৰতি চকু দিব বুলি আশা ৰাখিলোঁ। ১৯৭৭-৭৮ চনৰ কাল চোৱাতে যি অসমীয়া আৰু অৰ্থনীতি বিজ্ঞানত অনাৰ্চ পাঠ্যক্ৰম অনা হল; এতিয়ালৈ আন বিষয়বোৰত অনাৰ্চ পাঠ্যক্ৰম নোহোৱাতো আমাৰ বাবে দুৰ্ভাগ্যজনক বুলিহে কৰ লাগিব। উক্ত অভাৱ অভিযোগবোৰ পূৰণ কৰাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই বিশেষ মনোযোগ দিব বুলি আশা ৰাখিলোঁ। এই খিনিতে প্ৰণিধানযোগ্য যে, এইবেলি বহুদিনৰ পৰা অভাৱ অনুভৱ কৰি থকা মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ কোঠা, ছাত্ৰৰ জিৰণি কোঠা আৰু ছাত্ৰৰ পাঠাগাৰ সম্বলিত ৫৬ ফুট দীঘল আৰু ১৪ ফুট বহলৰ এটি গৃহ ছাত্ৰ একতা সভাৰ তত্বৱধানত নিৰ্মাণ কৰি উলিওৱা হয়। আৰু এইটো আমাৰ বাবে বৰ সুখৰ বিষয়। এইখিনিতে মহাবিদ্যালয় কৰ্তৃপক্ষক উক্ত সৃষ্টি মূলক চিন্তাধাৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এটা জাতি সুন্দৰভাৱে জীয়াই থাকিবলৈ হলে তাৰ জনসাধাৰণৰ মনত জাতীয় চেতনাবোধ থকাতো নিত্যান্ত আৱশ্যক। জাতীয় চেতনাবোধ উদ্ৰেক নোহোৱালৈকে এটা জাতি কেতিয়াও পূৰ্ণতা লাভ কৰিব নোৱাৰে। এই জাতীয়চেতনা-বোধ জনসাধাৰণৰ মনত ক্ৰিয়া কৰিবলৈ হলে উপযুক্ত শিক্ষালাভ কৰাতো আমাৰ প্ৰধান কৰ্তব্য। বৰ্তমান শিক্ষানুষ্ঠানবোৰত বহুতো ছাত্ৰ-ছাত্ৰীয়ে এক গতানুগতিক প্ৰক্ৰিয়াৰে শিক্ষা জীৱন সামৰণি মৰা দেখা যায় যাৰ ফলত শিক্ষাৰ পূৰ্ণাঙ্গতা লাভ নকৰে। বৰ্তমান অসমীয়া জাতি অন্ধঅনুকৰণপ্ৰিয় পৰনিৰ্ভৰশীল; নৈতিক চৰিত্ৰ-হীন হৈ জীয়াই আছে। আজি স্বাধীনতাৰ

তিনিটা দশকৰ পিচতো বিভেদকামী চিন্তাধাৰাৰ পৰা শিক্ষানুষ্ঠানবোৰ নিকা হব পৰা নাই। বৰং ই বেছিকৈহে শিপোৱা দেখা গৈছে ; যাৰ ফলত শিক্ষাজীৱনৰ অন্তত দেশৰ সজাগ নাগৰিক নহৈ ছাত্ৰ-ছাত্ৰীসকল অন্ধ অনুকৰণৰ বলি হব লগা হৈছে। এখন শিক্ষানুষ্ঠানত বড়ো, ৰাভা, কোঁচ, মিচিং, খাচী, মুছলমান, ডিমাচা আদি বিভিন্ন জন গোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰে। প্ৰত্যেকজন শিক্ষাৰ্থীয়ে এক ছত্ৰছায়াৰ তলত জীৱন গঢ়াৰ সপোন ৰচে। কিন্তু তাৰ মাজতেই ন্যস্ত স্বাৰ্থৰ বাবে কিছুমান গোষ্ঠীৰ নামত, ভাষাৰ নামত, উচ্চ-নীচৰ প্ৰভেদ আনি দি আমাৰ একতাত বাধাৰ প্ৰাচীৰ সৃষ্টি কৰে আৰু অৱশেষত প্ৰত্যেকেই নিশকতীয়া হব লগা হয়। যেনেকৈ পিয়াঁজ এটাৰ বাকলি তৰপে তৰপে এৰুৱাই থাকিলে অৱশেষত একো বাকী নাথাকে, ঠিক তেনেকৈ অসমীয়া জাতিটোও এদিন কালৰ বুকুত নিঃশেষ হৈ যাব। বৰ্তমান নতুন চাম পুৰুষে ৰাজনীতিৰ প্ৰধান অস্ত্ৰ Divide and rule ৰ বলি নহৈ একতাৰ দোলেৰে বান্ধ খাই মাতৃভূমিৰ কল্যাণৰ বাবে চেষ্টা কৰিব লাগে। বৰ্তমান অসমত চাৰি বছৰে চলি অহা গণ-বিপ্লৱৰ পৰা আমাৰ নতুন চাম পুৰুষে এটা কথা বুজা উচিত যে আমাৰ জনসাধাৰণৰ সজাগতাৰ অভাৱত এনেকুৱা জটিল পৰিস্থিতিৰ সন্মুখীন হব লগাত পৰিছে। গতিকে অসমী আইৰ নতুন চাম পুৰুষে যাতে প্ৰকৃত শিক্ষাৰে বলীয়ান হৈ জাতীয়-চেতনাবোধৰ ভাৱ জগাই তুলি নিশকতীয়া হৈ পৰা ঐতিহ্যময় অসমীয়া জাতিক পুণৰ বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাৰ সঙ্কল্প কৰে তাকে কামনা কৰিলোঁ।

সদৌশেষত মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে ক্ষমা মাগি 'জৱাহৰ জ্যোতি' আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি সামৰিলোঁ।

**জয় আই অসম**

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়

শ্ৰীপ্ৰসন্ন কুমাৰ গোস্বামী

